ৰূপালী জয়ন্তী সমাৰোহ

স্মৃতিগ্ৰন্থ

# ৰূপালী জয়ন্তী বৰ্ষ - ২০১১

## বেলতলা মহাবিদ্যালয়
## BELTOLA COLLEGE
Beltola, Guwahati-781028




সম্পাদক ঃ মৃগেন শৰ্মা



# মহাবিদ্যালয় সংগীত

ৰচনা —— মৃগেন শৰ্মা

আজি মুখৰিত মৈদাম বেলতলা
বেলতলা মহাবিদ্যালয়ৰ গৰিমা আমি

জ্ঞানৰ দুৱাৰ মেলি ব'লা যাওঁ আগবাঢ়ি
বিলাও ধৰাত পোহৰ অকণি
বেদীত জ্বলিছে জ্ঞান প্ৰদীপৰ শাৰী
আমি বান্ধিলো একতাৰ এনাজৰী

সন্ধ্যাচলৰ সৌ ত্ৰিধাৰাত আছে যে আজি বাজি
কত শত-সহস্ৰ বছৰৰেই বেদধ্বনি
তাৰে এটি মহামন্ত্ৰ আনি
বিলাও গোটেই জগত জুৰি

মহামিলনৰ এই মহাপীঠত
সাধনাৰ শিখা জ্বলে আমাৰ শিৰত
নাই ভেদা-ভেদ আমাৰ একেই আশা
জাতি-ধৰ্ম আৰু বৰ্ণ-ভাষা।

# স্মৃতিগ্ৰন্থ

## ৰূপালী জয়ন্তী বৰ্ষ - ২০১১

## বেলতলা মহাবিদ্যালয়
## BELTOLA COLLEGE

**Beltola, Guwahati- 781028**
**27th and 28th December, 2011**


সম্পাদক

মৃগেন শৰ্মা

সহঃ সম্পাদক

গৌতম সিং, কৃষ্ণ শইকীয়া, কাশ্যপ গগৈ

**Souvenir of Beltola College Silver Jubilee Celebration Committee, 2011, Beltola, Guwahati-28 *edited by* Mrigen Sarma and *published by* Silver Jubilee Celebration Committee.**

## সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| *সভাপতি* | ঃ | ড° নিশিপদ দেৱচৌধুৰী |
| *উপ-সভাপতি* | ঃ | ৰত্নেশ্বৰ লহকৰ |
| *সম্পাদক* | ঃ | মৃগেন শৰ্মা |
| *সহঃসম্পাদক* | ঃ | গৌতম সিং |
| | | কৃষ্ণ শইকীয়া |
| | | কাশ্যপ গগৈ |
| *সদস্য* | ঃ | নয়নমণি হালৈ |
| | | জয়ন্ত ডেকা (২) |
| | | বৰ্ণালী শৰ্মা |



| | | |
|---|---|---|
| *বেটুপাতৰ পৰিকল্পনা আৰু অলঙ্কৰণ* | ঃ | সম্পাদক |
| *বেটুপাত গ্ৰাফিক এণ্ড ডিজাইনিং* | ঃ | নিতুমণি ডেকা |
| *মুদ্ৰণ* | ঃ | প্ৰিণ্ট পইণ্ট<br>এম.এম. মাৰ্কেট<br>বেলতলা তিনিআলি<br>গুৱাহাটী-২৮ |
| *প্ৰকাশক* | ঃ | বেলতলা মহাবিদ্যালয়<br>ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি<br>গুৱাহাটী-২৮ |





# শ্ৰদ্ধাঞ্জলি

*যোৱা ৫ নৱেম্বৰ, ২০১১ ইং তাৰিখে বিশ্ব বৰেণ্য শিল্পী, সংগীতসূৰ্য, অসম ৰত্ন, দাদা চাহেব ফাল্কে বঁটা বিজয়ী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সহস্ৰ গুণমুগ্ধক শোক সাগৰত পেলাই যোৱাত আমাক সকলোকে মৰ্মাহত কৰিছে। ড° হাজৰিকাৰ বিয়োগত অসম তথা অসমীয়া জাতিৰ অপূৰণীয় ক্ষতি হৈ ৰ'ব। লগতে জ্ঞানপীঠ বঁটা বিজয়িনী বিশিষ্ট লেখিকা ড° মামনি ৰয়চম গোস্বামীয়েও যোৱা ২৯ নৱেম্বৰ, ২০১১ তাৰিখে আমাৰ মাজৰ পৰা চিৰবিদায় লয়। দুয়োগৰাকী মহান অসমীয়াৰ বিদেহী আত্মাৰ সদ্‌গতিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।*

*বেলতলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সময়ত আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।*

বেলতলা মহাবিদ্যালয়
ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি

# অশ্ৰু অঞ্জলি

প্ৰতিষ্ঠা কালৰে পৰা বেলতলা মহাবিদ্যালয়ৰ লগত
জড়িত জ্ঞাতে-অজ্ঞাতে ব্যক্তি, শিক্ষক-শিক্ষয়িত্ৰী
তথা ছাত্ৰ-ছাত্ৰী যিসকল আমাৰ
মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই গ'ল
তেওঁলোকলৈ
একাজলি শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ।

বেলতলা মহাবিদ্যালয়
ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি

# উচৰ্গা

যি সকল ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত
বেলতলা মহাবিদ্যালয় গঢ়ি উঠিছে
সেই সকল মহানুভৱ ব্যক্তিৰ হাতত
ৰূপালী জয়ন্তী বৰ্ষৰ
'স্মৃতিগ্ৰন্থ'
শ্ৰদ্ধাৰে আগবঢ়ালোঁ —

- সম্পাদনা সমিতি

# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| ১) | বেলতলা মহাবিদ্যালয়ৰ জন্ম কালৰ দুটি এটি কথা | - অধ্যাপক ৰাজেন মহন্ত | ১-৪ |
| ২) | অনৈক্যৰ মাজত ঐক্য ধাৰণা নহয় এক বাস্তৱ সত্য | - ড° সুনীল পৱন বৰুৱা | ৫-৭ |
| ৩) | বিজ্ঞানসন্মত মানসিকতা আৰু অন্ধবিশ্বাস | - ড° মহন্ত কলিতা | ৮-১২ |
| ৪) | ভাৰতৰ শিক্ষা আৰু মানৱ সম্পদ | - দ্বীজেন বৰ্মন | ১৩-১৬ |
| ৫) | বেলতলা কলেজৰ বিষয়ে দু-আষাৰ | - খৰ্গেশ্বৰ ঠাকুৰীয়া | ১৭ |
| ৬) | দুৰ্নীতি | - পদুম শইকীয়া | ১৮-২১ |
| ৭) | বেলতলা মহাবিদ্যালয়ৰ কৰ্মজীৱনৰ কিছু কথা | - মৃগেন শৰ্মা | ২২-২৩ |
| ৮) | ৰঘু বংশ মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ চমু আভাস | - ৰোহিনী কুমাৰ শৰ্মা | ২৪-২৬ |
| ৯) | Early Inhabitants of Assam (North East India) | - Dr. Nishipad Dev Choudhury | ২৭-৩২ |
| ১০) | Marriage System of the Singphows | - Rashmirekha Hazarika | ৩৩-৩৭ |
| ১১) | তোমাৰ তন্ত্ৰৰ শিকলি (মল্লিকা সেনগুপ্ত পঢ়ি) | - নলিনীধৰ ভট্টাচাৰ্য্য | ৩৮ |
| ১২) | বৰ্ণবোধ | - ড° পূৰ্ণ ভট্টাচাৰ্য্য | ৩৯ |
| ১৩) | কলিজাৰ কেঁচা ৰং | - শিৱপ্ৰসাদ মাৰাৰ | ৪০ |
| ১৪) | প্ৰিয় নাৰী | - উত্তম কুমাৰ দত্ত | ৪১ |
| ১৫) | বৰষুণ তুমি নামি আহা অন্য এক সূৰ্য হৈ | - মৃগেন শৰ্মা | ৪২ |
| ১৬) | অথচ দুয়ো মানুহ | - কামাৰুজ জামান | ৪৩ |
| ১৭) | My Ship | - Pankaj Kr. Kalita | ৪৪ |
| ১৮) | অনুভূতিৰ খিড়িকিৰে | - হিমাদ্ৰী কুমাৰ শৰ্মা | ৪৫ |
| ১৯) | বেলতলা কলেজৰ ৰূপালী জয়ন্তী উপলক্ষে | - চিত্ৰা ডেকা | ৪৬ |
| ২০) | পৰজনমৰ শুভলগনত | - ভাৰতী ভট্টাচাৰ্য্য | ৪৭ |
| ২১) | নদীবান্ধ | - মণ্টু কুমাৰ ৰয় | ৪৮ |
| ২২) | মায়া | - ভাস্কৰ পাটগিৰি | ৪৮ |
| ২৩) | আমাৰো ফোনটো কাটি দিয়া | - ৰিজু হাজৰিকা | ৪৯-৫২ |
| ২৪) | এছ এম এছৰ তিনিটা শব্দ | - মানবেন্দ্ৰ ভট্টাচাৰ্য্য | ৫৩-৫৫ |
| ২৫) | জাতীয়তাবাদী চিন্তানায়ক শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী | - উত্তম বৰুৱা | ৫৬-৫৮ |
| ২৬) | आधुनिक यथार्थवादी कविताओं में सौन्दर्यशास्त्र | - दिव्यज्योति डेका | ৫৯-৬২ |
| ২৭) | বেলতলা মহাবিদ্যালয় আৰু মোৰ অনুভৱ | - মঃ আনোৱাৰ হুছেইন | ৬৩ |
| ২৮) | কলেজীয়া জীৱনৰ স্মৃতিৰ এখিলা পাত | - ভূপেন বৰ্মন | ৬৪-৬৫ |

তৰুণ গগৈ

সত্যমেব জয়তে

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী




দিছপুৰ
১৭/১২/১১

# শুভেচ্ছা বাণী

গুৱাহাটীৰ বেলতলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ অহা ২৭ ৰ পৰা ২৮ ডিচেম্বৰ তাৰিখলৈ উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই সুখী হৈছো।

মহাবিদ্যালয়খনে প্ৰতিষ্ঠা কালৰে পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গুণগত শিক্ষাৰ বিকাশ, উপযুক্ত মানৱ-সম্পদ গঢ় দিয়া আৰু সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টিত অৱদান আগবঢ়াই আহিছে। আশাকৰোঁ, আগন্তুক দিনবোৰতো শিক্ষানুষ্ঠানখনে সংশ্লিষ্ট সকলোৰে সহযোগত বিদ্যায়তনিক দিশত নিষ্ঠাপূৰ্ণ সেৱা অব্যাহত ৰাখিব।

ৰূপালী জয়ন্তী উদ্‌যাপনৰ সফলতা আৰু মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনে সকলোৰে সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(তৰুণ গগৈ)

**AKON BORA**



सत्यमेव जयते

**MINISTER**
**SOCIAL WELFARE & JAIL, ETC.**
*Government of Assam*
*E-Block Ist Floor*
*Assam Sachivalaya*
*Telefax : 0361-2237003 (Off)*
*Residence Phone : 0361-2262258*

# MESSAGE

It gives me immense pleasure to know that the Beltola College, Guwahati is going to organize their "Silver Jubilee Celebrations."

I am also overwhelmed to learn that, in this auspicious occasion the Organizing Committee is going to release their Souvenir to portray the capabilities and achievements of the students as well as the Faculties.

By best wishes are with the entire person concerned in publishing the aforesaid volume. I also wish the programme to be a great success.

**- JAI HIND -**

**(AKON BORA)**

**Dr. Himanta Biswa Sarma,** MA, LL.B, Ph.D.
**MINISTER**
Education, Health & Family Welfare and
Implementation of Assam Accord
GOVT. OF ASSAM

सत्यमेव जयते

DISPUR, GUWAHATI-781006
PHONE :(0361) 2237301 (O)
2237012 (Fax)
2268419 (R)
E-mail:himantab@hotmail.com



# MESSAGE

It gives me immense pleasure to learn that Beltola College, Guwahati is going to observe its Silver Jubilee function with a two-day long programme w.e.f. 27th of December, 2011.

For any educational institution to have completed 25 years of glorious existence is indeed a milestone in itself. Over the years the college has grown against all odds and has become a prominent institute of higher learning in the greater Beltola area. As the celebration unfolds one will be nostalgically reminded of the sacrifices made by philanthropists and farsighted educationists and social workers of the locality for whom the institution has reached its present stature. The august event will also provide a golden opportunity for the past pupils and faculties to come together and share nostalgic memories of their association with the institution.

That a souvenir I being published to commemorate this occasion is indeed praiseworthy. It is hoped that the august publication will be richly adorned with interesting contributions from avid contributors on wide range of topic and will make interesting reading.

I would like to convey my heartiest best wishes for the august publication as well as the event.

**(Dr. Himanta Biswa Sarma)**

**Prof. O.K. Medhi**
**Vice-Chancellor**

Ph. : +91-361-2570412 (O)
Fax : +91-361-2700311
email : vc_gu@yahoo.in
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati-781014
Assam : India



# শুভেচ্ছা বাণী

মই জানিবলৈ পাই সুখী হৈছো যে, বেলতলা মহাবিদ্যালয়ৰ ২৫ বছৰ পুৰ্তি উপলক্ষে ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ যো-জা কৰা হৈছে।

ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি এখন "স্মৃতিগ্ৰন্থ" প্ৰকাশ কৰিবলৈ লোৱাটো প্ৰশংসনীয় হৈছে। মই আশা ৰাখিছো স্মৃতিগ্ৰন্থখনিত সন্নিবিষ্ট হ'বলগীয়া লিখনিসমূহে মহাবিদ্যালয়খনৰ ইতিহাসৰ চানেকি দাঙি ধৰিব আৰু নতুন প্ৰজন্মৰ বাবে এখন প্ৰেৰণাৰ বুৰঞ্জীলৈ ৰূপান্তৰিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে ভবিষ্যত জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি লোৱাৰ লগতে একোজন সৎ আৰু আদৰ্শবান ব্যক্তি হ'বলৈও প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে।

এই সুযোগতে মই মহাবিদ্যালয়খনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সকলো ব্যক্তিলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি ৰূপালী জয়ন্তী উৎসৱৰ সফল সামৰণি কামনা কৰিলোঁ।

তাৰিখ ঃ ০৮-১২-২০১১ ইং

ড° আখিল কুমাৰ মেধি
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

## কেশৱ চন্দ্ৰ শৰ্মা



Established President of BELTOLA COLLEGE
M.A., D.I.I.T. (Kharagur)

# শুভেচ্ছা বাণী

বেলতলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সকলো সদস্যলৈ মোৰ আন্তৰিক অভিনন্দন জনালো।

**কেশৱ চন্দ্ৰ শৰ্মা**

***Prof. Paresh Chandra Borah***
HEAD OF THE ECONOMICS DEPTT. (RETD.)
NORTH GUWAHATI COLLEGE
P.O. COLLEGE NAGAR, GUWAHATI-31

Ph. : 2690234

Date : 14.11.2011



# MESSAGE

It gives me immense pleasure that the family of Beltola College and all local people together are going to celebrate Silver Jubilee of the College on and from 27th and 28th Dec.'2011. The College has a long history of 28 years from its establishment on 1983. I would like to congratulate the College family and the all concerned people including local MLA, MP and Ministers who worked and sacrifice for the growth of the college.

I am absolutely certain that the college family and all other concerned people would keep their sincere devotion to the College Silver Jubilee function and the future growth of the College. I wish the function a grand success.

Borah
**Prof. Paresh Chandra Borah**
President
G.B. Beltola College
Retd. H.O.D. Economics
North Gauhati College and
Ex-Chairman State selection Board
Assam

## ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য



উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা

# শুভেচ্ছা বাণী

বেলতলা মহাবিদ্যালয় ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সৌজন্যত অহা ২৭ আৰু ২৮ ডিচেম্বৰ ২০১১ তাৰিখে মহাবিদ্যালয়খনে ২৫ বছৰ কাল অতিক্ৰম কৰাত দু-দিনীয়া কাৰ্য্যসূচীৰে ৰূপালী জয়ন্তী সমাৰোহ পালন কৰাৰ লগতে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিব বুলি জানি বৰ আনন্দিত হৈছো। যি সকল ব্যক্তিৰ ত্যাগ, শ্ৰম আৰু নিষ্ঠাৰ বলত মহাবিদ্যালয়খনে বিকাশ লাভ কৰি বৰ্তমান অৱস্থাত উন্নীত হৈছে সেইসকললৈ স্মৃতিগ্ৰন্থখনৰ যোগেদি অভিনন্দন আৰু শুভেচ্ছা যাচিলোঁ আৰু আশা ৰাখিলো স্মৃতিগ্ৰন্থখনত মহাবিদ্যালয়ৰ ইতিহাসৰ লগতে অসমৰ শৈক্ষিক, সাংস্কৃতিক আৰু সামাজিক দিশৰ প্ৰতিফলন দাঙি ধৰিব পাৰিব। ৰূপালী জয়ন্তী সমাৰোহৰ সফলতা কামনা কৰাৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা আৰু ন-পুৰণি ছাত্ৰ-ছাত্ৰী সকললৈ মৰম জনোৱাৰ লগতে শিক্ষানুষ্ঠানখনৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ।

ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য

# ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদিকাৰ দু-আষাৰ...



মানুহৰ সমষ্টিয়েই সমাজ। এখন আদৰ্শ সমাজ এটা জাতিৰ উন্নতিৰ পৰিচয়। আদৰ্শ সমাজ গঢ়িবলৈ হ'লে মানুহৰ নৈতিকতাবোধ, দায়িত্ববোধ, কৰ্মশক্তি, বোধশক্তি, সহযোগিতা আৰু শিক্ষাৰ প্ৰয়োজন। কোৱা কয়, আজিৰ গোলকীকৰণৰ দিনত গোটেই পৃথিৱীখনেই এখন গাওঁ বা সমাজত পৰিণত কৰিব পৰা গৈছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰৰ লগে লগে ই সম্ভৱ হ'লেও স্বৰূপাৰ্থত মানুহক যন্ত্ৰত পৰিণত কৰি ইজনৰ পৰা সিজনক ক্ৰমান্বয়ে আঁতৰাই লৈ গৈছে। মানুহ ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। ব্যক্তিকেন্দ্ৰিকতাই আদৰ্শৰ মূল্য প্ৰায় নোহোৱা কৰি পেলাইছে। টকাই সৰ্ব্বস্ব হৈ পৰাৰ ফলত মানুহৰ মাজত স্বাৰ্থপৰতা, হিংসা-খিয়াল, স্বজনপ্ৰীতি, তোষামোদ বাঢ়ি গৈ সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিছে। বৰ অসম গঢ়িব খোজা মহাৰাজ ৰুদ্ৰসিংহৰ আদৰ্শ, বৃহৎ অসমীয়া জাতিৰ গঢ় দিওতা মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শ বিলুপ্তৰ পথত। মহান ভাৰতীয় আদৰ্শ অচিনাকী হৈ পৰিছে। সৎ কৰ্মত সহযোগিতা আগবঢ়োৱা মানুহতকৈ অসৎ কৰ্মত ভাগ লোৱা মানুহৰ সংখ্যা বাঢ়িছে।

আজিৰ প্ৰজন্মই বুৰঞ্জী পঢ়িবলৈ বেয়া পায়, সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ বেয়া পায়। অসমীয়া সংস্কৃতিৰ যি বিষয় বিদেশী গৱেষকৰ গৱেষণাৰ প্ৰিয় হৈ পৰিছে সি নতুন প্ৰজন্মৰ দ্বাৰা অৱহেলিত হৈ পৰিছে। সেইবাবে অসম তথা ভাৰতীয় সংস্কৃতিৰ সৈতে নতুন চাম পুৰুষ অচিনাকী হৈ পৰিছে। এইক্ষেত্ৰত পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিব লাগিব অভিভাবক আৰু শিক্ষকসকলে। এফালে জাতিৰ অৰ্থাৎ দেশৰ অতীত আদৰ্শ-গৌৰৱ-ঐতিহ্য আনফালে বিজ্ঞান আৰু প্ৰযুক্তি — এই দুয়োটা বিষয়ৰ সৈতে সমানে নতুন প্ৰজন্মক পৰিচয় কৰি দিব লাগিব। তেতিয়াহে দেশৰ প্ৰকৃত উন্নতি সম্ভৱ।

১৯৮৩ চনৰ ১৮ নৱেম্বৰৰ শুকুৰবাৰৰ দিনটোত বেলতলা মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছিল। খোজে পতি উজুতি খাই ৰূপালী জয়ন্তী বছৰো গছকি আহি মহাবিদ্যালয়খনে আজি ২৯ বছৰীয়া বাট বুলি ৩০ বছৰৰ দুৱাৰদলিলৈ অপেক্ষা কৰিছে। ঘাত-প্ৰতিঘাত, লাঞ্চনা-অপমানেৰে বেলতলা মহাবিদ্যালয় তেনেই জুৰুলা। ২৯ বছৰীয়া কলেজখনৰ কপালত প্ৰাদেশীকৰণৰ তিলক আঁকি দিব পৰা নগ'ল। ৰূপালী জয়ন্তীৰ বয়স পাৰ হ'ল। আবিয়ৈ ছোৱালীৰ বিয়া ভঙা-পতা কৰাৰ দৰে মহাবিদ্যালয়খনৰ খনৰ ৰূপালী জয়ন্তী উৎসৱৰ তাৰিখো ভঙা-পতা কৰি থকা হ'ল। পূজি সংগ্ৰহৰ অভাৱৰ বাবে বৈ বৈ অৱশেষত বেলতলা মহাবিদ্যালয়ৰ সন্মান ৰক্ষা কৰি ৰূপালী জয়ন্তী উৎসৱৰ প্ৰস্তুতি চলোৱা হ'ল। হিংসা-খিয়াল, খোৱা-কামোৰা আদি উন্নতিৰ বাটত হেঙাৰ স্বৰূপ। ১৯৮৭ চনৰ ২ ফেব্ৰুৱাৰীৰ পৰা আজিলৈকে ২৫ বছৰ ১০ মহীয়া অভিজ্ঞতাৰে মই এই কথা সম্পূৰ্ণ ভাৱে উপলব্ধি কৰিবলৈ সক্ষম হৈছোঁ। অধ্যক্ষাৰ মেজৰ পৰা সেয়ে মোৰ অনুৰোধ মহাবিদ্যালয় পৰিয়ালৰ প্ৰত্যেকেই নিজৰ শিক্ষাৰ মৰ্যাদা, মহাবিদ্যালয়খনৰ মৰ্যাদা, অঞ্চলটোৰ মৰ্যাদা আৰু ঐতিহ্যৰ প্ৰতি সন্মান জনাই বেলতলা মহাবিদ্যালয়ক সুস্থ-সৰল অৱস্থালৈ তুলি ধৰি উচ্চ শিক্ষাৰ লেখত লবলগীয়া অনুষ্ঠানলৈ পৰিণত কৰাত সহায় কৰে যেন।

ড° দিপালী ওজা



## সম্পাদকৰ.....

### মেজৰ পৰা

# ইতিহাস প্ৰসিদ্ধ ঠাই বেলতলা

বেলতলা ইতিহাসৰ এক গৌৰৱময় স্থান। গুৱাহাটী মহানগৰীৰ এটা বৃহৎ এলেকা বেলতলাই আগুৰি আছে যদিও অতীতত গুৱাহাটী আৰু বেলতলা দুখন বেলেগ ঠাই আছিল বুলি জনা যায়। আহোমৰ শাসন কালত গুৱাহাটীখন গড়, কোঠ, চকী আদিৰে সুসজ্জিত আছিল। গুৱাহাটী সুৰক্ষাৰ বাবে ইয়াৰ চাৰিওফালে যি চকী বা দুৱাৰ নিৰ্মাণ হৈছিল তাৰ ভিতৰত বেলতলা চকী আছিল অন্যতম প্ৰৱেশ দুৱাৰ। বেলতলা আছিল আহোমৰ এখন কৰতলীয়া ৰাজ্য। এই ৰাজ্যৰ ৰাজ পৰিয়াল মহাবীৰ চিলাৰায়ৰ বংশধৰ। কোচ ৰাজবংশৰ বিশিষ্ট ঠালে শাসন কৰা বেলতলা ৰাজ্যই বহু ইতিহাস সামৰি পৰিবৰ্তিত ৰূপত বৰ্তমানৰ বেলতলা মৌজালৈ ৰূপান্তৰ ঘটিল। বৰ্তমানেও ৰাজ পৰিয়ালৰ লোকেই বেলতলা মৌজা চলায় আছে। ১৮২৬ চনত হোৱা 'ইয়াণ্ডাবু' সন্ধিৰ চৰ্তমতে আহোমৰ শাসন অন্ত পৰাত ৰাজা লম্বোদৰ নাৰায়ণৰ দিনত বেলতলা বৃটিছৰ হাতলৈ যায়। স্বাধীনতাৰ পিছত চৰকাৰে জমিদাৰী প্ৰথা বন্ধ কৰাত বেলতলাৰ ৰজা ঘৰেও মাটি-বাৰী এৰি দিব লগা হয়। পৰৱৰ্তী সময়ত গুৱাহাটী খন মহানগৰলৈ ৰূপান্তৰ হ'বলৈ আৰম্ভ কৰিলে। বেলতলাৰ মুকলিমুৰীয়া ঠাইলৈ শ শ মানুহৰ আগমন ঘটিল। চালে চকু ৰোৱা সেউজীয়া ধাননি পথাৰৰ মাজত নতুনকৈ ঘৰ-দুৱাৰ সাজি এক জনবহুল ঠাইলৈ ৰূপান্তৰিত হ'ল। মহানগৰীৰ সম্প্ৰসাৰিত ৰূপে বেলতলা গুৱাহাটীৰ পাৰ্থক্যৰ সীমাৰেখা ভাঙি অতীতৰ আহোমৰ তলতীয়া বেলতলা ৰাজ্য কেৱল এতিয়া সোঁৱৰণীহে মাথোঁ। কোৱা হয় পূৰ্বতে এই ঠাইৰ পৰা হেনো দৈনিক মা কামাখ্যা দেৱীৰ আৰু বশিষ্ঠাশ্ৰমৰ শিৱ পূজাৰ বাবে বেলপাত নিয়া হৈছিল, সেই বাবেই এই ঠাইৰ নাম বেলতলা। অন্যহাতে এই ঠাইত ৰজাঘৰীয়া লোকৰ মৃত্যু হ'লে দাহ কৰা হৈছিল বাবে ঠাইখিনি 'মৈদাম গাওঁ' হিচাপে প্ৰচলিত হয়।

## প্ৰাসঙ্গিক চিন্তা

শিক্ষা হৈছে দেশ বা জাতিৰ মেৰুদণ্ড স্বৰূপ। শিক্ষাৰ প্ৰগতিয়েহে জাতি বা দেশখনক মানৱ সভ্যতাৰ উচ্চ শিখৰত বহুৱায়। সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভূতপূৰ্ব সাফল্যই মানৱ জাতিৰ চিন্তা-চেতনাত খলকনি তুলিছে। বিশ্বায়নৰ প্ৰবল জোকাৰণিত তিষ্ঠি থাকিবলৈ হ'লে আমি সঠিকভাবে আগবাঢ়িব লাগিব। উচ্চ শিক্ষাই পৰিৱৰ্তনৰ মাজেদি বিশ্বৰ লগত খাপ খোৱাকৈ তথ্য সমৃদ্ধ জ্ঞান লাভৰ সুযোগ

দিয়ে। দৰাচলতে সমাজৰ বিকাশ আৰু মানৱীয়তা সৃষ্টিৰ বাবে উচ্চ শিক্ষাই কাৰ্য ব্যৱস্থা গ্ৰহণ কৰে। অন্যহাতে নতুন সমাজ গঢ়াৰ ক্ষেত্ৰতো উচ্চ শিক্ষাৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূৰ্ণ। সমাজত নৈতিক, সাংস্কৃতিক মনোভাব গঢ়াৰ লগতে মানৱীয় প্ৰমূল্যসমূহৰ সঠিক ৰূপায়ণেৰে মানৱ সম্পদৰ বিকাশ সাধন কৰে। প্ৰকৃতাৰ্থত দেশৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সকলো দিশৰ উন্নয়নৰ মূল চালিকা শক্তি হৈছে শিক্ষা। উচ্চ শিক্ষাৰে শিক্ষিত এটা জাতি বা এখন দেশৰ সমাজ ব্যৱস্থাত অশান্তিৰ বীজ ৰোপণ হোৱাৰ কাৰকসমূহ বিশ্লেষণ কৰি চোৱাৰ দায়িত্বও শিক্ষিত সমাজৰহে। ভূ-ভাৰস্তৰ খবৰ নৰখা অশিক্ষিত বা নিৰক্ষৰ জনগণক সদায় শিক্ষিত সমাজে নিয়ন্ত্ৰণত ৰাখিবলৈ চেষ্টা কৰে। শিক্ষিত সমাজৰ পৰা দেশ আৰু জাতিয়ে বহু আশা কৰে। অথচ নৈতিকতা, প্ৰেম, বিশ্বাস, সহানুভূতি, সহৃদয়তা আদি মানবীয় প্ৰমূল্যসমূহ যিদৰে অৱনমিত হ'বলৈ ধৰিছে ই অদূৰ ভৱিষ্যতে মানৱ সভ্যতালৈ এক অশনি সংকেত কঢ়িয়াই আনিছে। সমাজত জাতি-ধৰ্ম-বৰ্ণ-ভাষা গোষ্ঠীৰ মাজত বিভেদকামী শক্তিয়ে পোখা মেলিছে। দুৰ্নীতি, ভ্ৰষ্টাচাৰ, স্বজন-তোষণ নীতিয়ে সৰ্বত্ৰে গ্ৰাস কৰালৈ চাই সহজ-সৰল মানুহ বসবাস কৰা এক প্ৰকাৰ কঠিন হৈ পৰিছে। এই প্ৰত্যাহ্বানৰ মাজত নিজকে থিয় কৰাবলৈ হ'লে সমাজৰ অশুভ শক্তিৰ বিৰুদ্ধে সকলোৱে ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিব লাগিব।

## বেলতলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ

বেলতলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবলৈ ২০০৮ চনতে প্ৰস্তুতি চলায় মূৰকত কেইবাটাও দিন সাল-সলনি কৰাৰ পিছত এইবেলি ২০১১ চনত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। মহাবিদ্যালয় পৰিয়ালবৰ্গৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনাই গৌৰৱোজ্জ্বল ২৫ বছৰীয়া জয়ন্তী সফলতাৰে উদ্‌যাপিত হোৱাত নিশ্চয় সহায় কৰিব।

উচ্চ শিক্ষাৰ লক্ষ্যৰে প্ৰতিষ্ঠা হোৱা বেলতলা মহাবিদ্যালয়ে বিগত কালচোৱাত বিভিন্ন সমস্যা তথা ঘাত-প্ৰতিঘাতৰ মাজেৰে দিন পাৰ কৰিছে। এই মহান শিক্ষানুষ্ঠানখনৰ বৃহত্তৰ স্বাৰ্থলৈ লক্ষ্য ৰাখি সকলোৱে 'বহুজন হিতায়, বহুজন সুখায়' মনোভাৱেৰে এখন সৰ্বাঙ্গ সুন্দৰ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ বাবে আগবাঢ়ি আহিব লাগিব। পৰিতাপৰ কথা যে মহাবিদ্যালয়খনে এতিয়াও প্ৰাদেশিকীকৰণৰ মুখ দেখা নাই যদিও সোনকালে এখন প্ৰাদেশীকৃত মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিব বুলি সকলোৱে আশাৰে বাট চাই আছে।

ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ হ'বলগীয়া "স্মৃতিগ্ৰন্থ"খনিৰ প্ৰস্তুতিও এবছৰীয়া হ'ল। এই এবছৰীয়া প্ৰস্তুতি কালত সম্পাদকৰ বাহিৰে সম্পাদনা সমিতিও সাল-সলনি হ'ল। গ্ৰন্থখনি যি ধৰণে সজাই পৰাই তুলিব পাৰিব লাগিছিল সেয়া সম্ভৱ নহ'লেও সম্পাদক হিচাপে আমি চেষ্টাৰ ত্ৰুটি কৰা নাই। এইখিনিতে লেখক-লেখিকা, শুভাকাংক্ষী, বিজ্ঞাপনদাতা লগতে উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়ালৈ কৃতজ্ঞতা থাকিল।

শেষত কবিৰ ভাষাৰে —

'জনে জনে হ'লে ক্লেদাপসৰণ
গোটেই জগত হ'ব সুবিমল শুদ্ধ"
*(অম্বিকাগিৰী ৰায়চৌধুৰী)*

জয়তু বেলতলা মহাবিদ্যালয়
ধন্যবাদেৰে —

মৃগেন শৰ্মা

# বেলতলা মহাবিদ্যালয়ৰ জন্ম কালৰ দুটি এটি কথা



অধ্যাপক ৰাজেন মহন্ত

**১৯৮৩** খ্ৰীষ্টাব্দ। আজিৰ পৰা দুই বছৰ কম তিনি দশক আগৰ ১৯৮৩ খ্ৰীষ্টাব্দত জন্ম হৈছিল বেলতলা মহাবিদ্যালয়ৰ। অকল সময়ৰে নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষা-সংস্কৃতিকে ধৰি প্ৰায় সকলো বিষয়ৰে প্ৰাণকেন্দ্ৰ স্বৰূপ বৃহত্তৰ গুৱাহাটী মহানগৰৰ দক্ষিণ-পূৰ্ব প্ৰান্তত অৱস্থিত বেলতলা মহাবিদ্যালয়ৰ সময়ৰ জোখেৰে এতিয়া প্ৰায় ত্ৰিশ বছৰীয়া স্বচ্ছল যৌৱন অৱস্থা। যোৱাটো শতিকাৰ নৱম দশকৰ আগছোৱাত প্ৰতিষ্ঠিত উচ্চ শিক্ষাৰ এই অনুষ্ঠানটিৰ ৰূপালী জয়ন্তী বৰ্ষৰ উদ্‌যাপন উৎসৱটি অলপ হোহকা পিছলা কৰি হ'লেও এইটি বছৰত (২০১১) পালন কৰিবলৈ লোৱাটো সন্তোষৰ কথা। মোৰ বাবে আৰু সুখৰ কথা যে মহাবিদ্যালয়ৰ জন্ম কালছোৱাত জড়িত আছিলো বাবে (আচলতে জড়িত থাকিবলগীয়াহে হৈছিল) ৰূপালী উদ্‌যাপনৰ উদ্যোক্তাসকলে বহু দিনৰ বিৰতিৰ পিছত হ'লেও মোক মনত পেলাই উক্ত উদ্‌যাপনৰ উপলক্ষে প্ৰকাশ কৰিবলগীয়া স্মৃতিগ্ৰন্থখনিত কিবা এযাৰ লিখিব লাগে বুলি মহাবিদ্যালয়খনৰ দুগৰাকী শিক্ষকে মোৰ ঘৰলৈ আহি চিঠি এখনো দিলে, মুখেৰেও কৈ গ'ল। সেয়েহে মোৰ দৈনন্দিন জীৱনৰ নিত্য নৈমিত্তিক বাবে বাংকৰা কামৰ মাজতে দুই কলম লিখি সময় মতে উলিয়াই দিব পাৰো নেকি -- এইবুলি ভাবি কাকত-কলম যুগুতাইছোঁ। কিন্তু কথা হ'ল প্ৰকৃততে আঠাইছ বছৰ আগৰ সেই কথাবোৰৰ সকলোটি মনতো নাই, আৰু থকাবোৰৰো গোটেইবোৰ সামৰাৰ বাবে মোৰ সময়ো নাই, স্বৰূপাৰ্থত প্ৰয়োজনো নাই।

বেলতলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালছোৱাত খানাপাৰাত মই একপ্ৰকাৰ নতুন মানুহ। ইয়ালৈ নিগাজিকৈ অহা চাৰিটা বছৰ পাৰ হৈছেহি। ইতিমধ্যে অৱশ্যে ইয়াত মোৰ সামাজিক জীৱনৰ পাতনি মেলা হৈছে। খানাপাৰা আঞ্চলিক সাহিত্য চ'ৰাৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে খানাপাৰা চৰকাৰী বুনিয়াদী বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে, গনেশ মন্দিৰ বিদ্যালয়ৰ হাইস্কুল শাখাৰ প্ৰথমখন পৰিচালনা সমিতিৰ সভাপতি হিচাপে মই সামাজিক কামত ইতিমধ্যে যোগদান কৰিবলগীয়া হৈছিল। ইটো সিটো অনুষ্ঠানত এইদৰে লাগি থকা দেখিয়ে নেকি এদিনাখন (মাহ, তাৰিখ পাহৰিলো) এজন মানুহ মোৰ ঘৰলৈ আহি কৈ গ'ল যে সিদিনাই স্থানীয় শ্ৰীকেশৱ চন্দ্ৰ শৰ্মাদেৱৰ বাসগৃহত এখন প্ৰতিনিধিমূলক ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে, এই অঞ্চলত ক'লেজ এখন পতাৰ বাবে, আলোচনা কৰাৰ অৰ্থে মই তালৈ যাব লাগে। তেতিয়ালৈকে মই শ্ৰীযুত কেশৱ শৰ্মাক ভালদৰে নাজানিছিলোৱেই। যি কি নহওক, কোনোবা এজনৰ লগত সিদিনা আবেলি শৰ্মাদেৱৰ ঘৰলৈ গ'লো। সভাত যোগ দিলো। মানুহ ত্ৰিশৰ ওপৰ হৈছিল যেন বুলি মনত পৰে। তেখেতসকলৰ সৰহভাগেই আছিল মোৰ অচিনাকি। আলোচনা চলিল (চাহ মিঠায়ো পৰিৱেশন হ'ল) আৰু সৰ্বসন্মতি ক্ৰমে কলেজ এখন পতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। একেলগে তদৰ্থ কমিটি এখনো গঠন কৰা হ'ল। সভাপতি হ'ল শ্ৰীযুত কেশৱ চন্দ্ৰ শৰ্মা, সম্পাদক শ্ৰীঅৱনী ভট্টাচাৰ্য,

আলোচনা চলিল (চাহ মিঠায়ো পৰিৱেশন হ'ল) আৰু সৰ্বসন্মতি ক্ৰমে কলেজ এখন পতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। একেলগে তদৰ্থ কমিটি এখনো গঠন কৰা হ'ল। সভাপতি হ'ল শ্ৰীযুত কেশৱ চন্দ্ৰ শৰ্মা, সম্পাদক শ্ৰীঅৱনী ভট্টাচাৰ্য, যুটীয়া সম্পাদক শ্ৰীমুনিন মহন্ত, ধন ভঁৰালী ড° ধৰণী দাস আৰু কেইগৰাকীমান সদস্য। তেখেতসকলৰ ভিতৰত বিশ্ব দাস, ড° আব্দুছ ছাত্তাৰ, হিৰণ্য শৰ্মা, প্ৰভৃতি জন চেৰেকৰ নামহে মনলৈ আহিছে। এই মূহুৰ্তত যিসকলৰ নাম মনত পৰা নাই তেখেতসকলে যাতে এই লিখকক ক্ষমা কৰে।

যুটীয়া সম্পাদক শ্ৰীমুনিন মহন্ত, ধন ভঁৰালী ড° ধৰণী দাস আৰু কেইগৰাকীমান সদস্য। তেখেতসকলৰ ভিতৰত বিশ্ব দাস, ড° আব্দুছ ছাত্তাৰ, হিৰণ্য শৰ্মা, প্ৰভৃতি জন চেৰেকৰ নামহে মনলৈ আহিছে। এই মূহুৰ্তত যিসকলৰ নাম মনত পৰা নাই তেখেতসকলে যাতে এই লিখকক ক্ষমা কৰে। বিষয়ববীয়া আৰু সদস্যৰ বাছনি প্ৰক্ৰিয়া চলি থকাৰ মাজতে অধুনা প্ৰয়াত সুৰেণ মেধি ডাঙৰীয়াই উপসভাপতি পদৰ বাবে ঘপহকৈ মোৰ নামটো প্ৰস্তাৱ কৰিলে। লগতে মোলৈ আঙুলিয়াই মোৰ বিষয়ে পৰিচয়মূলক দুটি এটি কথাও ক'লে। উপস্থিতসকলে তেতিয়া মোৰ ফালে চাবলৈ ধৰিলে। মই নিজক লৈয়ে কিছু বিব্ৰতবোধ কৰিলো। হেহু নেহু কৰি নেতিবাচক মই কিবা এটা কোৱাৰ আগতে কোনোবা এজনে ৰায় মেধিৰ প্ৰস্তাৱটি সমৰ্থন কৰাত মই উপসভাপতি হ'লো। প্ৰস্তাৱিত ক'লেজখনৰ প্ৰথমখন কমিটিত সাঙোৰ খাই পৰিলো।

ইয়াৰ পিছত পূৰ্ণোদ্যমে পৰ্যায়ক্ৰমে প্ৰস্তুতি পৰ্ব আৰম্ভ হ'ল - নামকৰণ, পুঁজি গঠন, নিজৰ মাটি, ঘৰ নথকাত শ্ৰেণী আৰম্ভ কৰিবলৈ স্থান নিৰ্বাচন, অস্থায়ী কাৰ্য্যালয় স্থাপন, অধ্যক্ষ নিযুক্তি, অধ্যাপক নিযুক্তি ইত্যাদি। ক'লেজখনৰ বাবে বহুতে বহুতো নাম প্ৰস্তাৱ কৰাৰ মূৰকত যেনিবা সৰ্বশেষত 'বেলতলা মহাবিদ্যালয়' নামটি সকলোৱে গ্ৰহণ কৰে। স্থানীয় গনেশ মন্দিৰ বিদ্যালয়ৰ হাইস্কুল শাখাৰ পৰিচালনা সমিতিৰ লগত হোৱা চুক্তি মৰ্মে বিদ্যালয় ভৱনৰ তিনিটা কোঠা শ্ৰেণী কোঠা হিচাপে ধৰি ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা এটিও পোৱা গ'ল। ইয়াৰ পিছতে সমস্যা হ'ল অধ্যক্ষ নিযুক্তিক লৈ। পূৰ্ণকালীন অধ্যক্ষ হিচাবে নিযুক্তি দিবলৈ অৰ্হতাসম্পন্ন ব্যক্তি এগৰাকী পোৱাটো সহজ নাছিল। সেইবাবে মহাবিদ্যালয় কমিটিয়ে মন কৰিলে এই লেখকেই সম্প্ৰতি অবৈতনিক অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰক। কিন্তু সেই সময়ত মই কটন ক'লেজত অধ্যাপনা কৰি আছিলো বাবে চৰকাৰৰ অনুমতিৰ প্ৰয়োজন হ'ল। সভাপতি, সম্পাদককে ধৰি দুজনমান সদস্যৰ সজাতি দল এটাই অসমৰ শিক্ষাধিকাৰ ড° শৈলেজানন্দ ভঁৰালী ছাৰক লগ ধৰিলে। ভঁৰালী ছাৰে প্ৰতিনিধিসকলক হেনো কৈছিল -- "আপোনালোকে লিখিতভাৱে অনুমতি বিচাৰিলে এই বছৰ হ'লে আৰম্ভ কৰিব নোৱাৰিব। কাৰণ চৰকাৰী নিয়ম মতে "প্ৰচেছ'টো দীঘলীয়া। মই মহন্তক ভালদৰে জানো। তেখেতক অধ্যক্ষৰ কাম চলাই যাবলৈ কওক। কিবা লাগিলে মই আছোঁ।" শিক্ষাধিকাৰৰ সহৃদয় সন্মতি পাই ক'লেজ কমিটিয়ে মোক অধ্যক্ষ পদত নিযুক্তি দিয়ে অবৈতনিকভাৱে। অস্থায়ীকৈ অৱশ্যে এমাহ নে দুমাহ পিছত মোক যাতায়াত খৰচ (Conveyance allowance) হিচাবে মাহে তিনিশ টকাকৈ দিছিল।

অধ্যক্ষ হ'লোহে, ঢাল নাই, তৰোৱাল নাই, নিধিৰাম চৰ্দাৰ। নে অধ্যক্ষৰ কাৰ্যালয় কোঠা আছে, নে কাৰ্যালয়ৰ কামত অধ্যক্ষক সহায় কৰিবলৈ কোনো সহায়ক বা চকিদাৰেই আছে? একো নাই। পিছত জানিবা এটা এটাকৈ হ'ল। ছয়মাইলৰ নিবাসী (অধুনা প্ৰয়াত) গনেশ তালুকদাৰৰ পৰা ভাৰা লোৱা হ'ল গুৱাহাটী-শ্বিলং পথৰ দাঁতিতে থকা এটা কোঠা, অধ্যক্ষৰ কাৰ্যালয় স্থাপন কৰিবলৈ। কাৰ্যালয় কামত সহায় কৰিবলৈ তিনিজন ল'ৰাও লোৱা হ'ল। প্ৰতিজনলৈ তেনেই অলপীয়া ধন দি। তেওঁলোক আছিল শ্ৰীহংসধৰ দাস (তৃতীয় শ্ৰেণীৰ সহায়ক), শ্ৰীনগেন কলিতা (পিয়ন), আৰু ৰফুল আলি (চৌকিদাৰ)।

কাৰ্যালয় কোঠাৰ ব্যৱস্থা হ'ল, সহায়ক কেইজনকো পোৱা হ'ল। পিছে আচবাব? একোতো নাই। সিফালে সভাপতি-সম্পাদকে কাৰ্যালয় মুকলি কৰাৰ বাবে দিন বাৰো

ভঁৰালী ছাৰে প্ৰতিনিধিসকলক হেনো কৈছিল – "আপোনালোকে লিখিতভাৱে অনুমতি বিচাৰিলে এই বছৰ হ'লে আৰম্ভ কৰিব নোৱাৰিব। কাৰণ চৰকাৰী নিয়ম মতে "প্ৰচেছ'টো দীঘলীয়া। মই মহন্তক ভালদৰে জানো। তেখেতক অধ্যক্ষৰ কাম চলাই যাবলৈ কওক। কিবা লাগিলে মই আছোঁ।" শিক্ষাধিকাৰৰ সহৃদয় সন্মতি পাই ক'লেজ কমিটিয়ে মোক অধ্যক্ষ পদত নিযুক্তি দিয়ে অবৈতনিকভাৱে। অস্থায়ীকৈ অৱশ্যে এমাহ নে দুমাহ পিছত মোক যাতায়াত খৰচ (Conveyance allowance) হিচাবে মাহে তিনিশ টকাকৈ দিছিল।

ঠিক কৰিলে। বহা মেলা কৰিবৰৈ চকী মেজ এযোৰো যে নাই, সেই কথালৈ তেখেত দুজনাৰ কাণ সাৰ নাই। তেহে জানিবা মই মোৰ ঘৰৰ পৰাই দুখন কাঠৰ চকী, এখন মেজ, নথি-পত্ৰ আদি থ'বলৈ এখনি মুকলি 'ৰেক' আৰু বেঞ্চি এখন ঠেলা গাড়ী এখনত ভৰাই কোঠাটোলৈ পঠিয়াই দিলো। সকলোখিনি ঠিক থাক কৰি সঙ্গী তিনিজনেৰে কাৰ্যালয়টিত বহিছোঁ। তেনেতে প্ৰায় এঘাৰ মান বজাত সভাপতি, সম্পাদক আহি উপস্থিত; কাণ্ড কাৰখানা দেখি হতভম্ব। মূহুৰ্তৰ পিছতে যেনিবা মুখত হাঁহি বিৰিঙাই মোক, আমাক ভুৰি ভুৰি শলাগিলে। বেলতলা মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্যালয়ৰ 'শুভাৰম্ভণি' হৈছিল তেনেকৈয়ে। এক ডেৰমাহ পিছত অৱশ্যে কলেজ কৰ্তৃপক্ষই এখন দুখনকৈ চকী-মেজ অনাত মোৰ 'ম'ডেল' কেইখন ঘৰলৈ ওভতাই নিয়া হৈছে আন দিনৰ দৰে ঠেলা এখনত ভৰাই।

অধ্যক্ষৰ মেজৰ কাম এটি দুটিকৈ আৰম্ভ কৰিবলৈ ল'লো। ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ আবেদন প্ৰ-পত্ৰ, দৈনন্দিন পাঠদানৰ কাৰ্যসূচী (Routine) ইত্যাদি প্ৰস্তুত কৰা হ'ল। পাঠ্যক্ৰমত অন্তৰ্ভুক্ত বিষয় কেইটি আছিল কলা শাখাৰ ইংৰাজী, অসমীয়াকে ধৰি ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, তৰ্কশ্ৰাস্ত্ৰ, লগতে বুৰঞ্জীও আছিল নেকি পাহৰিলো। বাণিজ্য (Commerce) বিষয়টিও আছিল। কোৱা বাহুল্য যে প্ৰাৰম্ভিক বৰ্ষৰ এই প্ৰস্তুতি আছিল উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকক লৈহে।

সিফালে কলেজৰ উদ্বোধনী অনুষ্ঠানৰে প্ৰস্তুতি আৰম্ভ হ'ল। অনুষ্ঠানটি পতা হৈছিল সেই বছৰৰে ১৭ নৱেম্বৰ তাৰিখে গনেশ মন্দিৰ বিদ্যালয়ৰ তেতিয়াৰ মুকলি ঠাইডোখৰত (এতিয়া তাত ঘৰ উঠিছে)। বিশেষ আড়ম্বৰেৰে আয়োজন কৰা সভা আৰম্ভ হৈছিল সিদিনাৰ সেমেকা সন্ধিয়াৰ ৫ বজাত। নিমন্ত্ৰিত গণ্য মান্য লোকেৰে সভা মণ্ডপ ঠাহ খোৱা। সভাপতিৰ আসনত কলেজ কমিটিৰ সভাপতি শ্ৰীকেশৱ শৰ্মা, মুখ্য অতিথিৰ আসনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তদানীন্তন উপাচাৰ্য্য ড° যামিনীকান্ত চৌধুৰীদেৱ, সন্মানিত অতিথিৰ আসনত অধ্যাপক (পিছত আইনজীৱী) হৰেণ কলিতা। সভাখন সঁচাকৈয়ে বৰ সুন্দৰকৈ চলিছিল। কলেজ কমিটিৰ উপসভাপতি হিচাপে মোৰ ভাগত পৰিছিল 'শেষ ভাগে ৰুদ্ৰায় স্বাহা' সূচীটো। অৰ্থাৎ শলাগৰ শৰাই।

শিক্ষক-শিক্ষয়িত্ৰী নিয়োগৰ বিজ্ঞাপন ওলাল, ওলাল ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ বিজ্ঞাপন। ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ মাচুল আৰু মাহেকীয়া মাচুলৰ নিৰিখ একদম পাহৰিলোঁ, বেয়া লাগিছে। শিক্ষকৰ দৰমহাৰ নিৰিখ আছিল মাহিলি পাঁচ শ টকা। ড° প্ৰতুল গোস্বামী, ড° আব্দুছ ছাত্তাৰ প্ৰমুখ্যে সদস্য কেইজনমানেৰে শিক্ষক বাছনি উপসমিতি এখন গঠন হ'ল। যথাসময়ত সাক্ষাৎকাৰ গ্ৰহণেৰে বাছনি পৰ্ব সমাপ্ত হ'ল। নিযুক্তি পত্ৰও প্ৰদান কৰা হ'ল। এইবোৰ কাম বিশেষভাৱে কৰিছিল সম্পাদক ভট্টই।

উদ্বোধনৰ এসপ্তাহ পিছতে পাঠদান আৰম্ভ। শ্ৰেণীবোৰ সন্ধিয়াকালীন। পাঁচ বজাৰ পৰা। প্ৰথম আৰম্ভ কৰা হৈছিল ২৪ নৱেম্বৰ সোমবাৰৰ পৰা। আশানুৰূপভাৱে ছাত্ৰসকল উপস্থিত হৈছিলহি। শিক্ষক সকলো এজন দুজনকৈ আহি যোগদান পত্ৰত চহী কৰি কাৰ্য্যভাৰ গ্ৰহণ কৰিলে। পোন প্ৰথমে আহিছিল অসমীয়া বিভাগৰ শ্ৰীদিলীপ শৰ্মা। পিছে এটা পয়মাল হ'ল। ইংৰাজীৰ শিক্ষক নাই। তেতিয়ালৈকে ইংৰাজী শিক্ষকৰ প্ৰাৰ্থীয়ে ওলোৱা নাই। সিফালে ৰুটিনত প্ৰথম পিৰিয়ডটোৱেই ইংৰাজীৰ। প্ৰথমটো ক্লাছ ৰদ (Council) কৰিব পাৰিনে? এতেকে সেই দায়িত্ব মূৰ পাতি ল'বলগীয়াত পৰিলোময়েই। ঘৰত মাজে সময়ে উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীক ইংৰাজী পঢ়ুৱাই আছিলো বাবে ক্লাছটো লোৱা মোৰ বাবে দাঙিব নোৱাৰা শিল নাছিল। এতেকে বেলতলা মহাবিদ্যালয়ৰ পাঠদান পৰ্বৰ আৰম্ভণিও এই লেখকেই কৰিবলগীয়া হৈছিল। সেই যে আৰম্ভ হ'ল, হ'লেই। মই পূৰা ডেৰমাহ মান ইংৰাজী পঢ়ুৱালো। তাৰ পিছতহে ইংৰাজীৰ শিক্ষয়িত্ৰী এগৰাকীৰ যোগাৰ হৈছিল।

অবৈতনিক অস্থায়ী অধ্যক্ষ হিচাবে মোৰ কাৰ্যকালৰ অৱসান হৈছিল ১৯৮৪ চনৰ ৩ মে' তাৰিখে। সিদিনা নৱ নিযুক্ত স্থায়ী অধ্যক্ষ শ্ৰীধ্ৰুৱ নাৰায়ণ চৌধুৰীয়ে বেলতলা মহাবিদ্যালয়ত যোগদান কৰে। সম্পাদকে মোক আগ ধৰি জনাই থৈছিল বাবে মই সকলো কাকত পত্ৰ আৰু বাজেত খৰচৰ (Contingence) বাবদ মোৰ হাতত থকা ৰাহি পইচাকেইটা চৌধুৰীৰ হাতত গোটাই দি এটা ডাঙৰ সকাহ পালো। চাওঁক, ছয়মাইলৰ পৰা পানবজাৰলৈ নিতৌ অহা যোৱা কৰি কটন কলেজত কাম কৰা, আবেলি আহি আকৌ

বেলতলা মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্যালয়ৰ কাম-কাজ কৰা, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত সহযোগ ৰক্ষা কৰা আদি কামবোৰ নিয়াৰিকৈ চলোৱাৰ উপৰিও নিজৰ ঘৰখন পৰিচালনা কৰা, মোৰ ল'ৰা-ছোৱালী দুটিৰ পঢ়া-শুনাতো চকু দিয়া — অতবোৰ কাম কৰি সেইকেইটা দিন মই কেনেদৰে পাৰ কৰিবলগীয়া হৈছিল এতিয়া ভাবিলে দেখোন ভয় লাগি যায়।

যি কি নহওক, মোৰ সাতমহীয়া কাৰ্যকালত প্ৰয়োজনীয় কাম-কাজবোৰৰ এটাও নকৰাকৈ থকা নাছিলো। ছাত্ৰ-ছাত্ৰীৰ একতা সভা পতা, সাময়িকী পৰীক্ষা (terminal examination) যথা সময়ত অনুষ্ঠিত কৰা ইত্যাদি কোনো এটাকে পেলাই থোৱা নাছিলো। অধ্যক্ষ চৌধুৰীয়ে যোগদান কৰা দিনতো ক'লেজৰ পৰীক্ষা চলি আছিল।

মাজতে এটা কথা ক'বলৈ বৈ গ'ল। ইয়াতে কওঁ - - কথাটো হৈছে এই যে গনেশ মন্দিৰ বিদ্যালয়ৰ উচ্চ শাখাৰ পৰিচালনা সমিতিৰ লগত হোৱা চুক্তি সাপেক্ষে বিদ্যালয় ভৱনটিৰ ওপৰ মহলাৰ কোঠা তিনিটা বেলতলা মহাবিদ্যালয়ৰ খৰচেৰে নিৰ্মাণ কৰা হৈছিল। আৰু এটা কথা - ক'লেজ কমিটিয়ে স্থায়ী ভৱন নিৰ্মাণৰ অৰ্থে এই অঞ্চলত মাটি এডৰা আবন্টন দিবৰ বাবে চৰকাৰৰ লগত যোগাযোগ কৰিলে। সেই মৰ্মে কামৰূপ জিলাৰ তেতিয়াৰ উপায়ুক্ত শ্ৰীচন্দ্ৰকান্ত দাস দেৱৰ লগত তেখেতৰ কাৰ্যালয়ত সাক্ষাৎকাৰৰ বাবে প্ৰতিনিধিৰ দল এটি গঠন কৰা হৈছিল। তাত ময়ো আছিলো। উপায়ুক্তই গুৱাহাটীৰ ছিলং পথৰ খানাপাৰাৰ আগত অৱস্থিত আঠমাইলৰ পাহাৰীয়া ঠাই এডোখৰ দিয়াৰ কথা ক'লে। ক'লেজ কমিটিয়ে পিছে সিটি গ্ৰহণ নকৰিলে। এতিয়া যি ঠাইত ক'লেজখন অৱস্থিত সেই ভূমি ভাগ লাভ কৰা হৈছিল বহুত পিছত। তেতিয়া ক'লেজখনৰ লগত মোৰ সম্বন্ধ এৰা পৰলীয়া।

মই অস্থায়ী অধ্যক্ষৰ পদ এৰাৰ পিছৰ পৰা কথা কাণ্ডবোৰে কিছু কিছু মোট সলাব ধৰা যেন মোৰ বোধ হৈছিল। উপ-সভাপতিৰ পদত নামটো থকা স্বত্বেও যেন মই এলেকৰ গেলেকত পৰিণত হ'লো। পৰিচালনা সমিতিৰ সভা সমিতিবোৰতো মই উপস্থিত থকা নথকাটো কোনো ধৰ্তব্য কথা নোহোৱা হ'ল। লাহে লাহে মই আঁতৰি আহিলো।

সেইটি হৈছে শ্ৰীযুত কেশৱ শৰ্মাৰ কথা। সম্পূৰ্ণ নিঃস্বাৰ্থভাৱে তেখেতে যি শ্ৰমদান, ধনদান কৰিছিল তাৰ তুলনা বিৰল। অথচ পূৰ্ণ উদ্যমেৰে আৰম্ভণি কৰা আঠাইছ বছৰীয়া বেলতলা মহাবিদ্যালয়খনে এতিয়ালৈও যে পূৰ্ণ পৰ্যায় লাভ কৰিব পৰা নাই, সেইটোহে বিস্ময়জনক কথা হৈ পৰিছে। যি কি নহওঁক, সম্প্ৰতি আয়োজন কৰা ৰূপালী জয়ন্তী উদ্‌যাপনৰ আলোকেৰে সংশ্লিষ্ট সকলোটিৰে মন পোহৰাই তোলক, কলেজখনে পূৰ্ণ পৰ্যায় লাভ কৰাৰ পথ প্ৰশস্ত কৰক, সেয়ে কামনা।

এই লিখনিটো শেষ কৰাৰ আগতে এটা কথা নক'লে দোষে চুব বুলি ভাব হৈছে। সেইটি হৈছে শ্ৰীযুত কেশৱ শৰ্মাৰ কথা। সম্পূৰ্ণ নিঃস্বাৰ্থভাৱে তেখেতে যি শ্ৰমদান, ধনদান কৰিছিল তাৰ তুলনা বিৰল। অথচ পূৰ্ণ উদ্যমেৰে আৰম্ভণি কৰা আঠাইছ বছৰীয়া বেলতলা মহাবিদ্যালয়খনে এতিয়ালৈও যে পূৰ্ণ পৰ্যায় লাভ কৰিব পৰা নাই, সেইটোহে বিস্ময়জনক কথা হৈ পৰিছে। যি কি নহওঁক, সম্প্ৰতি আয়োজন কৰা ৰূপালী জয়ন্তী উদ্‌যাপনৰ আলোকেৰে সংশ্লিষ্ট সকলোটিৰে মন পোহৰাই তোলক, কলেজখনে পূৰ্ণ পৰ্যায় লাভ কৰাৰ পথ প্ৰশস্ত কৰক, সেয়ে কামনা।❑

জয়তু বেলতলা মহাবিদ্যালয়।

# অনৈক্যৰ মাজত ঐক্য ধাৰণা নহয় এক বাস্তৱ সত্য

ড° সুনীল পবন বৰুৱা

**পৰম্পৰাগত**ভাৱে ইতিহাস ৰচনা অথবা অধ্যয়ন কৰাৰ সলনি ইতিহাসৰ ধাৰা পৰিবৰ্তণ কৰিব পৰাতো বেছি প্ৰয়োজনীয় বিষয়। কিন্তু এই কাম সহজ সাধ্য নহয়। তৎসত্ত্বেও ইতিহাসৰ পৰা লাভ কৰা শিকনিয়েই এই দিশত পথ প্ৰদৰ্শক হিচাপে কাম কৰিব পাৰে। একো একোটা জাতি অথবা একোখন দেশৰ সংকটপূৰ্ণ সময়ত নেতৃত্ব প্ৰদানৰ বাবে, যি সকল কালজয়ী নেতাৰ জন্ম হয় সেই সকলৰ ইতিহাস চেতনা তথা ইতিহাসৰ পৰা লাভ কৰা শিকনিয়েই নেতৃত্বৰ প্ৰয়োজনীয় সমল আহৰণত সহায় কৰে। অন্যহাতেদি আজিৰ পৃথিৱীত বহুলভাৱে গ্ৰহণ কৰা সংসদীয় মুক্ত গণতন্ত্ৰত বিশ্বাসী দেশ এখনৰ প্ৰতিজন সাধাৰণ নাগৰিকৰ মাজতো নেতৃত্বৰ প্ৰচুৰ সম্ভাৱনা নিহিত হৈ থাকে, যদিহে তেওঁ বাস কৰা দেশখন আৰু জন্ম হোৱা জাতিটোৰ প্ৰতি যৎসামান্য ভাৱে হ'লেও দায়বদ্ধতাৰ বিষয়টো উপলব্ধি কৰিব পাৰে। এনে উপলব্ধিৰ বাবে সেই সকল নাগৰিকৰ নিজৰ দেশখনৰ বিষয়ে নূন্যতম ধাৰণা এটা থাকিব লাগিব। এইখিনিতে ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তাৰ কথা আহি পৰে। প্ৰসংগক্ৰমে উল্লেখনীয় যে প্ৰকৃতাৰ্থত ইতিহাস এটা নিৰ্দ্দিষ্ট বিষয় নহয় বৰং আন সকলো বিষয়েহে ইতিহাসৰ তলতে আশ্ৰয় বিচাৰে। যিয়েই নহওক এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত নিৰ্দ্ধাৰিত সময়ৰ ব্যৱধানত অনুষ্ঠিত জনসাধাৰণৰ ৰায়দান কাৰ্য্য হৈছে সামগ্ৰীকভাৱে দেশখনৰ ইতিহাস সলনি কৰিব পৰা এটা উৎকৃষ্ট মাধ্যম। বিষয়টো বহুলভাৱে আলোচিত হ'লেও বাস্তৱ ক্ষেত্ৰত সীমিত সংখ্যক লোকেহে ইয়াৰ প্ৰকৃত তথ্য উপলব্ধি কৰিব পাৰে। কিয়নো গৰিষ্ঠ সংখ্যক লোকে নিজে বাস কৰা দেশৰ সম্বন্ধে এক শুদ্ধ তথা স্পষ্ট ধাৰণা পোষণ কৰাত ব্যৰ্থ হোৱা দেখা যায়। আলোচিত পটভূমিত আজিৰ ভাৰতবৰ্ষৰ সামাজিক, ৰাজনৈতিক অথবা অৰ্থনৈতিক দিশটোৰ ওপৰত আলোকপাত কৰিবলৈ বিচাৰিলে ভৌগোলিক তথা ইতিহাসৰ মাধ্যমত প্ৰাচীন ভাৰতৰ ক্ৰমবিকাশ সম্পৰ্কত সম্যক ধাৰণা এটা গ্ৰহণ কৰিব লাগিব। অন্যথা আমি প্ৰতিদিনে সন্মুখীন হোৱা প্ৰত্যেকজন সদস্যৰ লগত মোকাবিলা কৰাটো কঠিন কাম ৰূপে বিবেচিত হৈয়েই থাকিব।

প্ৰাচীন আখ্যান সমূহৰ ওপৰত ভেজা দি ভাৰত নামটোৰ উৎপত্তিৰ বিষয়ে বহুধৰণৰ ব্যাখ্যা আগবঢ়াব পাৰি। এই সম্পৰ্কত সাধাৰণ মানুহক সহজে পতিয়ন নিয়াব পৰা ব্যাখ্যাটো হৈছে যে এসময়ত এক বিশাল ভূ-খণ্ডত শাসন চলোৱা ইক্ষাকু বংশৰ প্ৰতাপী ৰজা ভৰতৰ সতি-সন্ততি বাস কৰা দেশখনেই হৈছে ভাৰতবৰ্ষ তথা আজিৰ ভাৰত। পৰৱৰ্তী বৈদিক সাহিত্যৰ অন্যতম সাক্ষী বিষ্ণু পুৰাণৰ মতে আমি বসতি কৰা পৃথিৱীখন সাতোটা দ্বীপৰ দ্বাৰা গঠিত। ইয়াৰ

> কিয়নো গৰিষ্ঠ সংখ্যক লোকে নিজে বাস কৰা দেশৰ সম্বন্ধে এক শুদ্ধ তথা স্পষ্ট ধাৰণা পোষণ কৰাত ব্যৰ্থ হোৱা দেখা যায়। আলোচিত পটভূমিত আজিৰ ভাৰতবৰ্ষৰ সামাজিক, ৰাজনৈতিক অথবা অৰ্থনৈতিক দিশটোৰ ওপৰত আলোকপাত কৰিবলৈ বিচাৰিলে ভৌগোলিক তথা ইতিহাসৰ মাধ্যমত প্ৰাচীন ভাৰতৰ ক্ৰমবিকাশ সম্পৰ্কত সম্যক ধাৰণা এটা গ্ৰহণ কৰিব লাগিব।

ভিতৰত এটা হৈছে জম্বু দ্বীপ। এই জম্বু দ্বীপতে অৱস্থিত ভাৰতবৰ্ষ ভিন ভিন সময়ত ইতিহাসবিদ আৰু গৱেষক সকলে দাঙি ধৰা তথ্যৰ ভিত্তিত বৰ্তমান ইণ্ডিয়া অথবা হিন্দুস্তান

নামেৰে আজিৰ ভাৰতক চিনাকি দিয়াৰ যিটো প্ৰয়াস সেইটো ঘাইকৈ প্ৰাচীন ভাৰতৰ ওপৰত চলা গ্ৰীক আৰু পাৰ্চীয়ান আক্ৰমণৰ পটভূমিত আলোকপাত কৰা হৈছে। সাধাৰণতে এই সকল আক্ৰমণকাৰীৰ সামৰিক অভিযান ইণ্ডাজ অথবা সিন্ধু নদীৰ আশে-পাশে থকা এলেকাত সামৰণি পৰিছিল। তেওঁলোকে ভৰি দিয়া অপৰিচিত দেশখনক সাধাৰণভাৱে সিন্ধুৰ দেশ ৰূপে নামকৰণ কৰিছিল। যিহেতুকে পাৰ্চীয়ান সকলে "S" বৰ্ণক "H" হিচাপে উচ্চাৰণ কৰিছিল সেয়েহে তেওঁলোকে স্বাভাৱিকভাৱে সিন্ধুক হিন্দু ৰূপত দাঙি ধৰিছিল। সেই দিশৰ পৰা বৰ্তমান বহুলভাৱে প্ৰচাৰিত ইণ্ডিয়া শব্দটো পাৰ্চীয়ান সকলে উচ্চাৰণ কৰা সিন্ধু হিন্দু অথবা ইণ্ডাজ শব্দৰ সমাৰ্থক। পৰিবৰ্তিত পৰিস্থিতিত মধ্যযুগৰ পৰা ভাৰতক প্ৰতিনিধিত্ব কৰিব পৰাকৈ হিন্দুস্থান নামটো বিশেষ কিছুমান মহলত অধিকভাৱে প্ৰচলিত হৈ পৰিছিল। যিয়েই নহওক ইতিহাসৰ অন্য নাম ব্যাখ্যা বুলি ধৰি ল'লে হিন্দুস্তান তথা ইণ্ডিয়া শব্দৰ উৎপত্তিৰ নিশ্চয় এইটোৱেই শেষ কথা হিচাপে ধৰি লব নালাগে। এইক্ষেত্ৰত ভাষাতত্ববিদ সকলৰ অভিমতৰ গুৰুত্ব উলাই কৰিব নোৱাৰি।

ইতিহাসৰ লগত ভূগোলৰ ওতপ্ৰোত সম্বন্ধ আছে। বাস্তৱিকতে পৃথিৱীৰ বিভিন্ন অঞ্চলৰ ভৌগোলিক অৱস্থানেই মানৱ ইতিহাসৰ দিশ নিৰ্ণয় কৰি আহিছে। প্ৰখ্যাত চিন্তাবিদ ৰিছাৰ্দ হেকলিয়াৰৰ মতে ভূগোল আৰু বংশ পৰম্পৰা ইতিহাসৰ বাবে চন্দ্ৰ আৰু সূৰ্য সোঁ আৰু বাওঁ চকুৰ নিচিনা। এই কথা অনস্বীকাৰ্য্য যে ভাৰতবৰ্ষৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে দেশখনৰ ভূগোল সম্বন্ধেও সম্যক জ্ঞান অৰ্জন কৰিব লাগিব। সাধাৰণভাৱে ভাৰতৰ ভৌগোলিক খণ্ডক চাৰিটা প্ৰধান ভাগত ভগাব পাৰি। উত্তৰত হিমালয়ৰ বিশাল প্ৰাচীৰেৰে পৰিবেশিত দেশৰ উত্তৰাঞ্চলত প্ৰাচীন কালত আৰ্যবৰ্ত্ত ৰূপে পৰিচিত আছিল। ভাৰতবৰ্ষৰ জীৱন দায়িনী সকলো প্ৰধান নদীৰ মূল উৎস হৈছে হিমালয়ৰ সুউচ্চ পৰ্বতমালা। উল্লেখনীয় যে হিমালয়ত অৱস্থিত বৰফ আবৃত্ত সুউচ্চ গিৰিপথ সমূহৰ মাজেদিয়েই অতীজত ভাৰতবৰ্ষৰ ওপৰত বিদেশী আক্ৰমণ চলি আহিছে। অৱশ্যে তিব্বত আৰু নেপালৰ লগত সসংযোগী পাৰ্বত্য পথ সমূহ আছিল ধৰ্ম, সংস্কৃতি আৰু বাণিজ্যৰ বাবে বিখ্যাত। দ্বিতীয় খণ্ডত অৱস্থিত গঙ্গা, যমুনা, ব্ৰহ্মপুত্ৰ আদি ইতিহাস প্ৰসিদ্ধ নদীসমূহৰ উপত্যকাৰে আবৃত বিস্তৃত সাৰুৱা ভূ-খণ্ড য'ত বাৰে ৰহণীয়া সভ্যতা সংস্কৃতিৰে গঢ় লৈ উঠিছে অসংখ্য জনপদ। ভাৰতবৰ্ষৰ প্ৰায় মাজভাগত অৱস্থান লোৱা বিন্ধ্য পৰ্বতে দেশখনক সাধাৰণ ভাবে উত্তৰ আৰু দক্ষিণ এই দুই প্ৰধান ভাগত ভাগ কৰিছে। মহানদী, গোদাবৰী, নৰ্মদা, কৃষ্ণা, কাবেৰী আদি প্ৰধান নদীৰে বিধৌত দাক্ষিণাত্যৰ বিস্তৃত অঞ্চলৰ লগত সাঙোৰ খাই থকা দণ্ডকাৰণ্য নামৰ বনাঞ্চলত গঢ় লৈ উঠিছে আৰ্য্যবৰ্ত্তৰ পৰা বহু পৰিমানে পৃথক এক সুকীয়া জীৱনশৈলী। দাক্ষিণাত্যৰ শেষ প্ৰান্তত পূৱ আৰু পশ্চিম খণ্ডত অৱস্থিত হিমালয়ৰ তুলনাত নিম্ন উচ্চতাৰ নীলগিৰি পৰ্বতমালা। এই অঞ্চলৰ প্ৰকৃতি আৰু জীৱনধাৰাৰো সুকীয়া বৈশিষ্ট্য আছে। দেশৰ ভৌগোলিক খণ্ডত আন এক প্ৰধান বৈশিষ্ট্য হৈছে প্ৰায় ৪৫০০ কিল'মিটাৰ দৈৰ্ঘ্যৰ কৰমণ্ডল আৰু কংকন উপকূল ভূমি। এই উপকূল ভূমিত থকা পূৱ আৰু পশ্চিম দিশৰ দুই জল পথৰ মাধ্যমতে বহিঃবিশ্বৰ লগত ভাৰতৰ সংযোগ স্থাপন হৈছে।

এই কথা অনস্বীকাৰ্য্য যে ভাৰতবৰ্ষৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে দেশখনৰ ভূগোল সম্বন্ধেও সম্যক জ্ঞান অৰ্জন কৰিব লাগিব। সাধাৰণভাৱে ভাৰতৰ ভৌগোলিক খণ্ডক চাৰিটা প্ৰধান ভাগত ভগাব পাৰি। উত্তৰত হিমালয়ৰ বিশাল প্ৰাচীৰেৰে পৰিবেশিত দেশৰ উত্তৰাঞ্চলত প্ৰাচীন কালত আৰ্যবৰ্ত্ত ৰূপে পৰিচিত আছিল। ভাৰতবৰ্ষৰ জীৱন দায়িনী সকলো প্ৰধান নদীৰ মূল উৎস হৈছে হিমালয়ৰ সুউচ্চ পৰ্বতমালা।

এই কথা প্ৰনিধানযোগ্য যে ভৌগোলিক ভাৱে নিৰ্দ্ধাৰিত খণ্ড সমূহক সামৰি, কেন্দ্ৰীয় কৰ্তৃত্ব স্থাপনেৰে দেশখন বিভিন্ন পৰিমণ্ডলত বিভক্ত হোৱা স্বত্বেও ভাৰতবৰ্ষৰ প্ৰধান জীৱন প্ৰবাহৰ পৰা বিচ্ছিন্ন হৈ এক প্ৰকাৰ পৃথক জীৱন যাপন কৰা বহু অঞ্চল সিঁচৰিত হৈ আছে। সামগ্ৰীকভাৱে

ভাৰতবৰ্ষৰ ইতিহাস অধ্যয়ন কৰোতে এই সত্যক কোনো ক্ষেত্ৰতে অস্বীকাৰ কৰিব নোৱাৰি। অন্যহাতেদি দেশখনৰ ভৌগোলিক তথা ঐতিহাসিক অৱস্থান সম্পৰ্কে বিস্তৃতভাৱে অধ্যয়ন কৰা সকলে এই ক্ষেত্ৰত থকা কিছুমান দুৰ্বলতাৰ কথাও উনুকিয়াইছে। পশ্চিমত অৱস্থিত থৰ মৰুভূমিয়ে বহুলাংশে প্ৰাকৃতিক দিশত ভাৰতৰ প্ৰতিৰক্ষা দুৰ্বল কৰিছে। থৰ মৰুভূমিৰ লগতে হিমালয়ৰ গিৰিপথ সমূহেও এই দিশত অৰিহণা যোগাই আহিছে। ঠিক তেনেদৰে বিশাল উপকূল অঞ্চলৰ অসুৰক্ষিত অৱস্থাত দেশৰ প্ৰতিৰক্ষাৰ আন এক দুৰ্বলতা। উল্লেখনীয় যে ভাৰতীয় জনসাধাৰণৰ জীৱন ধাৰণৰ প্ৰণালীও জলবায়ুৰ অৰিসীম প্ৰভাৱ আছে আৰু ইয়াৰ দ্বাৰা ইতিহাসৰ দিশো নিৰ্দ্ধাৰিত হৈ আহিছে। তদুপৰি প্ৰকৃত ভাৰতীয় সংস্কৃতি আধুনিক জনবহুল নগৰ সমূহত সাধাৰণতে দেখা পোৱা নাযায়, সেইয়া গভীৰ অৰণ্য মৰুভূমি আৰু পাৰ্বত্য অঞ্চলতহে বিৰাজমান। বাস্তৱিকতে প্ৰাচীন ভাৰতীয় জীৱনশৈলীত বিজ্ঞানৰ সলনি সাহিত্য দৰ্শন আৰু কল্যাণৰ সাধনা আছিল অধিক ব্যাপক। ৰাজনৈতিক ক্ষেত্ৰত ধাৰাবাহিক বংশানুক্ৰমিক অভাৱ আৰু এই ক্ষেত্ৰত সামগ্ৰীকভাৱে উত্তৰ ভাৰতৰ প্ৰাধান্য বিস্তাৰ হৈছে আন এক লক্ষণীয় দিশ। অন্যহাতেদি স্থানীয় অথবা আঞ্চলিক নেতৃত্বৰ প্ৰতি থকা গভীৰ আনুগত্যৰ বাবে সময়ে সময়ে কেন্দ্ৰীয়ভাৱে দিল্লীত দেখা দিয়া ৰাজনৈতিক পৰিৱৰ্তণে অঞ্চল বিশেষত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। ফলত প্ৰাক্ স্বাধীনতা যুগত ভাৰতবৰ্ষৰ সামগ্ৰীক ইতিহাসত দেশৰ সকলো অঞ্চলক সামৰি লোৱা প্ৰকৃতাৰ্থত খুউব কমেইহে দেখা পোৱা গৈছে। ভাৰতৰ এখন স্বাধীনতা যুদ্ধ আখ্যা পোৱা ১৮৫৭ খ্ৰীষ্টাব্দৰ চিপাহী বিদ্ৰোহক গণ বিপ্লৱৰ এক উৎকৃষ্ট নিদৰ্শন ৰূপে গ্ৰহণ কৰাৰ লগতে ইয়াৰ ব্যৰ্থতাৰ দিশটোও সমানে তাৎপৰ্যপূৰ্ণ আছিল।

ভাৰতবৰ্ষৰ আন্তঃমহাদেশীয় চৰিত্ৰই হৈছে দেশখনৰ ইতিহাসৰ প্ৰধান বৈশিষ্ট্য। প্ৰখ্যাত বুৰঞ্জীবিদ চৰ্দাৰ কে. এম. পাণিকৰৰ এই মন্তব্য সকলো সময়তে প্ৰযোজ্য হৈ আছে। এই কথা অনস্বীকাৰ্য্য যে দুটা বিপৰীতমুখী চৰিত্ৰই সততে ভাৰতৰ ইতিহাসক আৰু ভৌগোলিক অৱস্থানক প্ৰভাৱান্বিত কৰি আহিছে। ভাৰতবৰ্ষৰ বিশাল ভূ-খণ্ডত সিচৰিত হৈ থকা ভিন ভিন উপাদান তথা জনগোষ্ঠী সমূহক লৈ এখন দেশ আৰু এটা জাতিৰ ধাৰণা এটা গঢ়ি তোলাটোৱেই হৈছে প্ৰাচীন হিন্দু সকলৰ আটাইতকৈ মহৎ অৱদান। অৱশ্যে কেৱল আৰ্য্যসকলৰ মাধ্যমতে ভাৰতবৰ্ষত সভ্যতাৰ পাতনি মেল খাইছে বুলি থকা ধাৰণাটোৱেই শুদ্ধ নহয়। সময় সাপেক্ষে ইয়াৰ পৰিসৰ বৃদ্ধি হৈ আহিছে। ভাৰতীয় সভ্যতাৰ ঐতিহ্যত বিশেষভাৱে অৰিহণা যোগোৱা সকলে দেশখনৰ ভৌগোলিক অখণ্ডতাৰ বিষয়ে সম্পূৰ্ণ সজাগ আছিল আৰু সেই কথা ভিন ভিন মাধ্যমৰ যোগেদি জনমানসত প্ৰতিষ্ঠা কৰিবলৈ সততে যত্ন কৰিছিল। আলোচিত পটভূমিত অনক্যৰ মাজত ঐক্য (Unity in Diversity) কেৱল সঘনায় উচ্চাৰণ কৰা এক ৰাজনৈতিক ধ্বনী নহয়, এইটো ভাৰতৰ ইতিহাস তথা জীৱন দৰ্শনৰ এক বাস্তৱ সত্য। এই সত্যৰ প্ৰকৃত উপলব্ধিৰ বাবে প্ৰয়োজন হৈছে ইতিহাসৰ প্ৰণালীবদ্ধ তথা বিজ্ঞানসন্মত অধ্যয়নৰ। সেয়েহে ভাৰতৰ সংহতি আৰু ঐক্যৰ স্বাৰ্থত নতুন প্ৰজন্মক দেশখনৰ প্ৰকৃত ইতিহাসৰ লগত পৰিচয় কৰোৱাত ব্যৰ্থ হ'লে ৰাষ্ট্ৰীয় সংহতি বিপন্ন হৈ পৰিব। জাতীয় শিক্ষা নীতিৰকৰ্ণধাৰ সকলে এই সত্যক কোনো ক্ষেত্ৰতে আওকান কৰা উচিত নহয়। ❑

ভাৰতবৰ্ষৰ আন্তঃমহাদেশীয় চৰিত্ৰই হৈছে দেশখনৰ ইতিহাসৰ প্ৰধান বৈশিষ্ট্য। প্ৰখ্যাত বুৰঞ্জীবিদ চৰ্দাৰ কে. এম. পাণিকৰৰ এই মন্তব্য সকলো সময়তে প্ৰযোজ্য হৈ আছে। এই কথা অনস্বীকাৰ্য্য যে দুটা বিপৰীতমুখী চৰিত্ৰই সততে ভাৰতৰ ইতিহাসক আৰু ভৌগোলিক অৱস্থানক প্ৰভাৱান্বিত কৰি আহিছে। ভাৰতবৰ্ষৰ বিশাল ভূ-খণ্ডত সিচৰিত হৈ থকা ভিন ভিন উপাদান তথা জনগোষ্ঠী সমূহক লৈ এখন দেশ আৰু এটা জাতিৰ ধাৰণা এটা গঢ়ি তোলাটোৱেই হৈছে প্ৰাচীন হিন্দু সকলৰ আটাইতকৈ মহৎ অৱদান।

# বিজ্ঞানসন্মত মানসিকতা আৰু অন্ধবিশ্বাস

ড° মহন্ত কলিতা

**বিজ্ঞানৰ** অৰ্থ হ'ল — বিশেষ জ্ঞান। সকলো প্ৰকাৰৰ প্ৰণালীবদ্ধ অধ্যয়নে হ'ল বিজ্ঞান। ঘটনা বা তত্ব সমূহৰ উৎসৰ অনুসন্ধান কৰি সত্য উদ্‌ঘাটন কৰা, প্ৰণালীবদ্ধভাৱে সজোৱা আৰু শ্ৰেণীবিভাগ কৰাত বিজ্ঞানে ন্যস্ত থাকে। প্ৰশ্ন সোধা, পৰ্যবেক্ষণৰ দ্বাৰা তথ্য সংগ্ৰহ, তত্বৰ পৰীক্ষা, বিশ্লেষণ আৰু স্বশুদ্ধিকৰণ প্ৰক্ৰিয়াৰে বৈজ্ঞানিক পদ্ধতি আগবাঢ়ি যায়। নজনাক জনাৰ, নেদেখাক দেখাৰ প্ৰকৃতি মানুহৰ সহজাত আদিম প্ৰকৃতি। বিজ্ঞানৰ সৃষ্টি হয় অনুসন্ধিৎসা বা কৌতুহল (curcosity) আৰু অন্তৰ্দৃষ্টি (Intuition) ৰ পৰা। অনুসন্ধিৎসা বা কৌতুহলে মানৱ মনত কিছুমান প্ৰশ্নৰ উদ্ৰেক কৰে। সেইবোৰ হ'ল- কি, কিয়, কেনেকৈ, ক'ত, কোনে আৰু কোনটো। এই প্ৰশ্নবোৰৰ উত্তৰ পাবলৈ অধ্যয়ন, পৰ্যবেক্ষণ আৰু অনুশীলনৰ আৱশ্যক হয়। অনুসন্ধিৎসাক প্ৰশমিত কৰিবলৈ মানুহক লাগে অন্তৰ্দৃষ্টি। কোনো বস্তু এটাৰ ৰেঙণি দেখিয়েই বস্তুটোৰ বিষয়ে সম্যক ধাৰণা ল'ব পৰা ক্ষমতাকে অন্তৰ্দৃষ্টি কোৱা হয়। অন্তৰ্দৃষ্টি বুজিবলৈ আমি এইখিনিতে এটা ঘটনাৰ বিষয়ে কম।

মাদ্ৰাজ (বৰ্তমান তামিলনাড়ু)ৰ জন্ম লাভ কৰা বিৰল প্ৰতিভাধৰ গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনে (১৮৮৭-১৯২০) ইংলণ্ডত বিশ্ববিশ্ৰুত গণিত বিজ্ঞানী জি, এইচ হাৰ্ডিৰ অধীনত গৱেষণা কৰিছিল। গৱেষণা কৰি থকা সময়তে ৰামানুজ যক্ষ্মা ৰোগৰ দ্বাৰা আক্ৰান্ত হ'ল। তেওঁক চিকিৎসালয়ত ভৰ্ত্তি কৰা হ'ল। এদিনাখন তেওঁৰ গুৰু হাৰ্ডিয়ে খবৰ কৰিবলৈ এখন টেক্সিৰে চিকিৎসালয়লৈ আহিল। হাৰ্ডিয়ে ৰামানুজনক ক'লে, "মই অহা টেক্সিখনৰ নম্বৰ ১৭২৯। নম্বৰটো বৰ নিৰস নহয়নে?"

কথাষাৰে ৰামানুজৰ মগজুত বিজুলি সঞ্চাৰ কৰিলে। অলপ সময় চিন্তা কৰি তেওঁ ক'লে, "নম্বৰটো নিৰস নহয়, ই এটি আমোদজনক নম্বৰ। ইয়াক দুটা সংখ্যাৰ ঘনক (cube) ৰ যোগ হিচাপে প্ৰকাশ কৰিব পাৰি, $১৭২৯ = ১^৩+১২^৩= ৯^৩+১০^৩$।" ৰামানুজমে এই ধাৰণাটো দিছিল অন্তৰ্দৃষ্টিৰ পৰা।

বিজ্ঞানৰ ভেটি হ'ল যুক্তি। যুক্তিৰে চালি-জাৰি চাইহে কোনো কথাৰ সত্যতা নিৰূপণ কৰিব পাৰি। যিবোৰ কথা যুক্তিৰে প্ৰতিষ্ঠা কৰিব নোৱাৰি, তেনে কথা বিজ্ঞানে মানি নলয়। অৰ্থাৎ যিবোৰ কথা অৰ্থহীন অথবা যিবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই - তেনে কথাক বিজ্ঞানে প্ৰত্যাখ্যান কৰে। বিজ্ঞানে স্থিতিশীলতাক আঁতৰ কৰি গতিশীল ধ্যান-ধাৰণাৰ জন্ম দিয়ে। বিজ্ঞানলব্ধ জ্ঞান প্ৰয়োগ কৰি সমাজত শান্তি বিৰাজ কৰিব পাৰি। মানুহৰ অন্তৰৰ পৰা ধৰ্মান্ধতা, হিংসা-দ্বেষ, কু-সংস্কাৰ, অন্ধবিশ্বাস আদি আঁতৰাই বিজ্ঞানে সুখী জীৱন লাভ কৰাত সহায় কৰে। যিকোনো কথা যুক্তিৰে বিচাৰ-খোচাৰ কৰি সুস্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা ক্ষমতাকে বিজ্ঞানসন্মত মানসিকতা বুলি কোৱা হয়।

বিজ্ঞানৰ ভেটি হ'ল যুক্তি। যুক্তিৰে চালি-জাৰি চাইহে কোনো কথাৰ সত্যতা নিৰূপণ কৰিব পাৰি। যিবোৰ কথা যুক্তিৰে প্ৰতিষ্ঠা কৰিব নোৱাৰি, তেনে কথা বিজ্ঞানে মানি নলয়। অৰ্থাৎ যিবোৰ কথা অৰ্থহীন অথবা যিবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই - তেনে কথাক বিজ্ঞানে প্ৰত্যাখ্যান কৰে। বিজ্ঞানে স্থিতিশীলতাক আঁতৰ কৰি গতিশীল ধ্যান-ধাৰণাৰ জন্ম দিয়ে।

বিজ্ঞানসন্মত মানসিকতাৰে সমস্যাৰ সমাধান কৰিলে সকলো ক্ষেত্ৰতে মানুহে এক মানৱীয় সমাধানত উপনীত হ'ব পাৰে। সদ্যহতে বিজ্ঞানসন্মত অধ্যয়নৰ পদ্ধতি ইতিহাস, শিল্প-কলা, খেলা-ধূলা আদি মানৱ সংস্কৃতিৰ বিভিন্ন দিশত প্ৰয়োগ কৰা হৈছে। সোতৰ শতিকাত বিজ্ঞান সভ্যতালৈ মানুহৰ উত্তৰণ ঘটাৰ পিছত ভৌতিক, ৰাসায়নিক, জৈৱিক আৰু সামাজিক সমস্যা সমূহৰ বিষয়ে মানুহৰ জ্ঞান জ্যামিতিক হাৰত বৃদ্ধি হৈ আহিছে। মানুহে ক্ৰমান্বয়ে মানুহৰ অন্তৰ্জগতখনৰ বিষয়েও বিজ্ঞানভিত্তিক অধ্যয়ন কৰিবলৈ লৈছে, মানুহৰ বুদ্ধি-বৃত্তিৰ প্ৰকৃতি সম্পৰ্কে অধ্যয়ন চলাইছে। এনেবোৰ অধ্যয়নে মানৱ গুহাত লুকাই থকা আদিম ভয়, সন্দেহ, অনিশ্চয়তা আদিৰ প্ৰকৃতি ভালদৰে বুজি উঠাত আৰু আঁতৰ কৰাত সহায় কৰিব। বিংশ শতিকাৰ বিজ্ঞান-প্ৰযুক্তিৰ অভূতপূৰ্ব সাফল্যই মানৱ সমাজলৈ অভাৱনীয় পৰিৱৰ্তন আনি দিছে। আজি সমগ্ৰ পৃথিৱীখন যেন এখন গাঁওলৈ ৰূপান্তৰিত হৈছে। সুদূৰ আমেৰিকাত সংঘটিত ঘটনা এটাৰ কথাও আমি মুহূৰ্ত্তৰ ভিতৰতে জানিব পাৰোঁ। মানুহৰ মন পুলকিত কৰি অহা জোনৰ বুকুতো মানুহে খোজ পেলালে। কম্পিউটাৰে যোগাযোগ, চিকিৎসা, উদ্যোগ, গৱেষণা আদি সকলো বিষয়তে আলোড়নৰ সৃষ্টি কৰিছে। এটা হৃদপিণ্ডৰ সলনি আন এটা হৃদপিণ্ড সংস্থাপন কৰাৰ কৌশলো বিজ্ঞানীয়ে আয়ত্ব কৰিছে। গৱেষণাগাৰতে মানৱ শিশু জন্ম দিও চাঞ্চল্যৰ সৃষ্টি কৰিছে। কিন্তু ইয়াৰ পিছতো পৃথিৱীৰ অধিকাংশ লোক আজিও অন্ধবিশ্বাস, কু-সংস্কাৰ, ধৰ্মান্ধতা, দুৰ্নীতি, শোষণ, হিংসা-দ্বেষ, হত্যা, লুণ্ঠন আদিৰ মায়াজালত আৱদ্ধ হৈ আছে। আজি সমগ্ৰ বিশ্বতে বিৰাজ কৰিছে সন্ত্ৰাস, ভয় আৰু উত্তেজনাই। এই উপসৰ্গ সমূহৰ উপশম ঘটোৱাৰ একমাত্ৰ পথ হ'ল মানুহৰ মনত বিজ্ঞানসন্মত মানসিকতাৰ উৎকৰ্ষ সাধন কৰা। মানৱ সভ্যতা আৰু বিভিন্ন জাতি সমূহ সগৌৰৱে বাচি থকাৰ সম্ভাৱনা উজ্বল হৈ পৰিব তেতিয়াহে যেতিয়া পৃথিৱীৰ কমেও অধিকাংশ লোক বিজ্ঞানসন্মত মানসিকতাৰে উদ্বুদ্ধ হ'ব।

ভাৰতবৰ্ষৰ ক্ষেত্ৰত বিজ্ঞানসন্মত মানসিকতাৰ অভাৱো দেশৰ প্ৰগতিৰ অন্তৰায় বুলি গণ্য কৰা হৈছে। বিশেষকৈ শিক্ষিতব্যক্তিৰ মাজতে বিজ্ঞানসন্মত মানসিকতাৰ অভাৱ অধিক দেখা যায়। আনহাতে এই শিক্ষিত ব্যক্তি সকলে ৰাজনীতি, অৰ্থনীতি, সামাজিক, প্ৰশাসনিক আদি সকলো দিশতে প্ৰভুত্ব বিস্তাৰ কৰি আহিছে। আজি একৈশ শতিকাতো ভাৰতীয় সমাজ, অন্ধবিশ্বাস, কুসংস্কাৰ, ধৰ্মান্ধতা, জাতিভেদ, উচ্চ-নীচ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, হিংসা-দ্বেষৰ দৰে কুপ্ৰভাৱৰ মাজতে নিমগ্ন হৈ আছে। এচাম শিক্ষিত লোকে ৰাজনীতি কৰিছে ৰাজপাতলৈ, আন এচামে আকৌ ৰাজনীতি কৰিছে ধৰ্মকলৈ। শিক্ষিত লোক সকলে দুৰ্নীতি, ভ্ৰষ্টাচাৰত লিপ্ত হৈছে। নিজ স্বাৰ্থ পূৰণৰ বাবে দৰিদ্ৰ জনগণক শোষণ কৰি আহিছে। এচামে আকৌ হাতত অস্ত্ৰ-শস্ত্ৰ তুলি লৈ নিৰ্বিবাদে ধ্বংস লীলা চলাই আহিছে। এনেদৰে নানা ধৰণে ভাৰতীয় সমাজত শান্তি-সম্প্ৰীতি বিঘ্নিত হৈ আহিছে। এই সকলো বিলাক ঘটি আছে বিজ্ঞানসন্মত মানসিকতাৰ অভাৱৰ বাবে।

ভাৰতবৰ্ষৰ ক্ষেত্ৰত বিজ্ঞানসন্মত মানসিকতাৰ অভাৱো দেশৰ প্ৰগতিৰ অন্তৰায় বুলি গণ্য কৰা হৈছে। বিশেষকৈ শিক্ষিত ব্যক্তিৰ মাজতে বিজ্ঞানসন্মত মানসিকতাৰ অভাৱ অধিক দেখা যায়। আনহাতে এই শিক্ষিত ব্যক্তি সকলে ৰাজনীতি, অৰ্থনীতি, সামাজিক, প্ৰশাসনিক আদি সকলো দিশতে প্ৰভুত্ব বিস্তাৰ কৰি আহিছে। আজি একৈশ শতিকাতো ভাৰতীয় সমাজ, অন্ধবিশ্বাস, কুসংস্কাৰ, ধৰ্মান্ধতা, জাতিভেদ, উচ্চ-নীচ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, হিংসা-দ্বেষৰ দৰে কুপ্ৰভাৱৰ মাজতে নিমগ্ন হৈ আছে। এচাম শিক্ষিত লোকে ৰাজনীতি কৰিছে ৰাজপাতলৈ, আন এচামে আকৌ ৰাজনীতি কৰিছে ধৰ্মকলৈ। শিক্ষিত লোক সকলে দুৰ্নীতি, ভ্ৰষ্টাচাৰত লিপ্ত হৈছে। নিজ স্বাৰ্থ পূৰণৰ বাবে দৰিদ্ৰ জনগণক শোষণ কৰি আহিছে। এচামে আকৌ হাতত অস্ত্ৰ-শস্ত্ৰ তুলি লৈ নিৰ্বিবাদে ধ্বংস লীলা চলাই আহিছে।

কিন্তু সৌ তাহানিতে গৌতম বুদ্ধই বৈজ্ঞানিক মানসিকতা গঢ় দিয়াৰ বাবে মানুহক উৎসাহিত কৰি থৈ গৈছে। তেওঁ ভিক্ষুসকলক সম্বোধন কৰি কৈছিল, "হে ভিক্ষু সকল! মোৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবে মোৰ কথাবোৰ গ্ৰহণ নকৰিবা। সোণ যিদৰে ঘঁহি-পিহি, পুৰি গ্ৰহণ কৰা হয়, সেইদৰে মোৰ কথাবোৰো যথাযথভাৱে পৰীক্ষা কৰি গ্ৰহণ কৰিবা।"

আদিম কালত মানুহে ভূমিকম্প, বজ্ৰপাত, বানপানী, ধুমুহা আদি নৈসৰ্গিক পৰিঘটনাবোৰৰ সঠিক ব্যাখ্যা দিব নোৱাৰি কিছুমান কাল্পনিক কাহিনীৰ সৃষ্টি কৰিছিল। এই কাল্পনিক কাহিনীবোৰক যুক্তিৰে ব্যাখ্যা কৰিবলৈ গৈ সৃষ্টি কৰিলে অন্ধবিশ্বাসৰ। আমাৰ সমাজত আজিও অন্ধবিশ্বাসে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। আমাৰ ধৰ্মীয় আচাৰ, বিশ্বাস, সামাজিক প্ৰথা আৰু ব্যক্তিগত স্বাৰ্থই অন্ধবিশ্বাস জীয়াই ৰাখিছে। অন্ধবিশ্বাসৰ বশৱৰ্তী হৈয়ে মানুহে পুণ্য অৰ্জনৰ বাবে বা দেৱ-দেৱীক সন্তুষ্ট কৰাৰ বাবে নিৰীহ জীৱ-জন্তুক বলিদান দি আহিছে। বাতৰিত প্ৰকাশিত অনুসৰি এইবাৰ দুৰ্গা পূজাৰ মহানৱমীৰ দিনাখন শক্তিপীঠ শ্ৰীশ্ৰী বিল্লেশ্বৰ দেৱালয়তে কুৰিটা ম'হ বলি দিয়া হৈছে। সপ্তমী আৰু নৱমীৰ দিনা পাঁচশ পঠা ছাগলীৰ লগতে অসংখ্য পাৰ, হাঁহ আদি বলি দিয়া হ'ল। মাত্ৰ এখন পূজাস্থলীতে ইমানখিনি জীৱ-জন্তুক অকালতে বধ কৰা হ'ল। সমগ্ৰ অসমত তেনেকুৱা কেবা হাজাৰো পূজাস্থলী আছে। গতিকে হাজাৰ হাজাৰ জীৱ-জন্তুয়ে অসময়তে দুৰ্গাপূজাৰ সময়ত বধ কৰা হৈছে কেৱল মানুহৰ ব্যক্তিগত স্বাৰ্থৰ বাবে। ইছলাম ধৰ্মতো জীৱ-জন্তুৰ কোৰবাণী দিয়া বহু পুৰণি প্ৰথা। মুছলমান সকলে ঈদৰ সময়ত সুন্দৰ সুঠাম, দেখিলে মৰম লগা কান্ধত যুৱলি নিদিয়া কোনো ধৰণৰ অংগ বিকল নথকা দমৰা গৰু কিনি আনি আল্লাৰ আদেশ মানি কোৰবাণী কৰে। বলিদান অথবা কোৰবাণী যিয়ে নকৰক কিয় মানুহে নেদেখাজনক সন্তুষ্ট কৰাৰ নামত উদৰ পূৰাই মাংস খাই আহিছে। এই পৰম্পৰা চলি আছে, চলি থাকিব যেতিয়ালৈকে মানুহৰ নেদেখা ভগৱানৰ ওপৰত বিশ্বাস থাকিব। অতিলৌকিক অথবা ঐশ্বৰিক শক্তিত বিশ্বাসী জনসাধাৰণক বিজ্ঞানে আকৃষ্ট কৰিব নোৱাৰে। ইয়াৰ কাৰণ পুৰোহিত তন্ত্ৰ। প্ৰাচ্য আৰু পাশ্চাত্য উভয়তে কঠোৰ ধৰ্মীয় অনুশাসনে মানুহৰ মুকলি চিন্তা আৰু অনুশীলনত বাধা দি আহিছে। মানুহে ধৰ্মীয় পৰম্পৰাক উলাই কৰিবলৈ ভয় কৰে।

আদিম কালত মানুহে ভূমিকম্প, বজ্ৰপাত, বানপানী, ধুমুহা আদি নৈসৰ্গিক পৰিঘটনাবোৰৰ সঠিক ব্যাখ্যা দিব নোৱাৰি কিছুমান কাল্পনিক কাহিনীৰ সৃষ্টি কৰিছিল। এই কাল্পনিক কাহিনীবোৰক যুক্তিৰে ব্যাখ্যা কৰিবলৈ গৈ সৃষ্টি কৰিলে অন্ধবিশ্বাসৰ। আমাৰ সমাজত আজিও অন্ধবিশ্বাসে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।

আমাৰ গাঁৱলীয়া সমাজত জৰা-ফুকা কৰি ৰোগ নিৰাময় কৰা ভুল ধাৰণা এতিয়াও বহু মানুহৰ মাজতে আছে। বিশেষকৈ অনুন্নত জনজাতি আৰু আদিবাসী লোক সকলে বেজ অথবা কবিৰাজৰ দ্বাৰা প্ৰথমে বেমাৰ-আজাৰৰ চিকিৎসা কৰে। যেতিয়া ৰোগীৰ অৱস্থা বেয়াৰ ফালে গতি কৰে তেতিয়াহে ডাক্তৰৰ পৰামৰ্শ লয়। ফলত বহু ৰোগীয়ে অকালতে মৃত্যুক সাৱটি লয়। সাপে খুটিলে আত্মীয় স্বজন সকল বেজ বিচাৰি হাবাথুৰি খায়। মানুহৰ মনত ভুল ধাৰণা আছে যে সাপে খুটিলে কেৱল বেজ সকলে জৰা-ফুৰা কৰি ৰোগীক বচাব পাৰে। সদ্যহতে উন্নত মানৱ

আমাৰ গাঁৱলীয়া সমাজত জৰা-ফুকা কৰি ৰোগ নিৰাময় কৰা ভুল ধাৰণা এতিয়াও বহু মানুহৰ মাজতে আছে। বিশেষকৈ অনুন্নত জনজাতি আৰু আদিবাসী লোক সকলে বেজ অথবা কবিৰাজৰ দ্বাৰা প্ৰথমে বেমাৰ-আজাৰৰ চিকিৎসা কৰে। যেতিয়া ৰোগীৰ অৱস্থা বেয়াৰ ফালে গতি কৰে তেতিয়াহে ডাক্তৰৰ পৰামৰ্শ লয়।

দৰৱ ওলাইছে, যাৰ দ্বাৰা সাপে খোটা মানুহক মৃত্যুৰ মুখৰ পৰা বচাব পাৰি।

কুৰি শতিকাৰ শেষৰ ফালে ভাৰতৰ কেইবাখনো ৰাজ্যত ডাইনী সন্দেহত বহু নিৰপৰাধী লোকক হত্যা কৰা হৈছে। আমাৰ ৰাজ্যখনতো ই এক মহামাৰী ৰূপত দেখা দিছে। প্ৰকৃততে যিবোৰ অঞ্চল অৰ্থনৈতিকভাৱে দুৰ্বল আৰু শিক্ষা লাভৰ পৰাও বঞ্চিত, তেনে অঞ্চলতে সাধাৰণতে মানুহে ডাইনী সন্দেহত বিশেষকৈ মহিলা সকলক নানা যান্ত্ৰনা দি হত্যা কৰে। বিশেষকৈ তন্ত্ৰ-মন্ত্ৰ জনা মহিলাসকল ডাইনী সন্দেহৰ বলি হয়। অসমত সাধাৰণতে জনজাতি আৰু আদিবাসী অধ্যুষিত অঞ্চলত ডাইনী বুলি সন্দেহ কৰি পুৰুষ অথবা মহিলাক হত্যা কৰা হয়। অসমত ১৯৮৮ চনৰ পৰা ২০০০ চনৰ ভিতৰত ২০০ ত কৈও অধিক নিৰীহ লোকক ডাইনী সন্দেহত বধ কৰা হৈছে। অতি পৰিতাপৰ কথা যে হত্যাকাৰী সকল স্থানীয় লোক আৰু তেওঁলোক এনে অপকৰ্মৰ বাবে অনুতপ্ত নহয়। অন্ধ্ৰ প্ৰদেশত ২০০১-২০০২ চনত প্ৰায় ২০০ লোকক ডাইনী সন্দেহত হত্যা কৰা হৈছিল।

ডাইনী শব্দটো ডাকিনী শব্দৰ পৰা অহা। ডাকিনী 'ডাক'ৰ স্ত্ৰী বাচক শব্দ। ডাইনীৰ ইংৰাজী প্ৰতিশব্দ wich বা wit যাৰ অৰ্থ জ্ঞানী মহিলা। অতীত কালত ডাইনী সকল সৰ্বদা সন্মানৰ অধিকাৰী আছিল। সমাজত অপায়, অমংগল দূৰ কৰি কল্যাণ সাধন কৰাৰ উদ্দেশ্যে দেৱতা সকলক আৰাধনা কৰা আৰু তন্ত্ৰ-মন্ত্ৰৰে ৰোগ নিৰাময় কৰাৰ অৰ্থে লোৱা শিক্ষাই হ'ল ডাইনী বিদ্যা। ডাইনী বিদ্যাৰ শিপা হ'ল ইউৰোপ। ভাৰততো তক্ষশীলা আৰু নালন্দাত ডাইনী বিদ্যাৰ প্ৰচলন থকাৰ প্ৰকাশ পোৱা গৈছে। যি সময়ত ডাইনী বিদ্যা প্ৰচলন হৈছিল, সেই সময়ত সমাজখন আছিল মাতৃ তান্ত্ৰিক। যদিও প্ৰথম অৱস্থাত ডাইনীয়ে সমাজৰ মঙ্গলৰ বাবে পাৰ কৰে বুলি বিশ্বাস কৰিছিল, পাছলৈ পিতৃতান্ত্ৰিক সমাজৰ আগমনে ডাইনী সকলক কৰালবদনী, ভয়ংকাৰী হিচাপে আখ্যা দিলে। সমাজৰ দুখ-দুৰ্গতি, মহামাৰী, প্ৰাকৃতিক দুৰ্যোগ আদিৰ বাবে দায়ী কৰিলে ডাইনীসকলক। গতিকে ইউৰোপৰ বিভিন্ন ঠাইত ডাইনী হত্যা-যজ্ঞ আৰম্ভ হ'ল। বহুতো নিৰীহ মহিলাই অকালতে মৃত্যুক সাৱটি ল'ব লগাত পৰিল। অৱশ্যে নৱজাগৰণৰ সময়ৰ পৰা পশ্চিমীয়া দেশবোৰত ডাইনী সন্দেহত মহিলা হত্যা কৰাৰ প্ৰৱণতা কমি আহিল।

কুৰি শতিকাৰ শেষৰ ফালে ভাৰতৰ কেইবাখনো ৰাজ্যত ডাইনী সন্দেহত বহু নিৰপৰাধী লোকক হত্যা কৰা হৈছে। আমাৰ ৰাজ্যখনতো ই এক মহামাৰী ৰূপত দেখা দিছে। প্ৰকৃততে যিবোৰ অঞ্চল অৰ্থনৈতিকভাৱে দুৰ্বল আৰু শিক্ষা লাভৰ পৰাও বঞ্চিত, তেনে অঞ্চলতে সাধাৰণতে মানুহে ডাইনী সন্দেহত বিশেষকৈ মহিলা সকলক নানা যান্ত্ৰনা দি হত্যা কৰে। বিশেষকৈ তন্ত্ৰ-মন্ত্ৰ জনা মহিলাসকল ডাইনী সন্দেহৰ বলি হয়।

আমাৰ দেশত মাদলি, তাবিজ আদিৰ প্ৰচলন পুৰণি কালৰ পৰা চলি আছে। মানুহৰ এক অন্ধবিশ্বাস আছে যে মাদলি বা তাবিজ পিন্ধিলে যিকোনো বেমাৰৰ পৰা আৰোগ্য লাভ কৰিব পাৰি। আনকি মাদলি, তাবিজ পিন্ধা মানুহক ভূত-প্ৰেতেও আক্ৰমণ কৰিব নোৱাৰে, শত্ৰুৱেও অন্যায় কৰিব নোৱাৰে। বাবা, পীৰ আদি লোক সকলে মাদলি বা তাবিজ ল'বলৈ মানুহক উদগনি জনায়। এই লোক সকলে মানুহৰ মনত ভয়ৰ সঞ্চাৰ কৰি মাদলি বা তাবিজ ল'বলৈ বাধ্য কৰে। তদুপৰি যদিহে তাবিজ বা মাদলিয়েই মনপুত হয়, তেনেহ'লে ইয়াৰ গুণ অধিক হয়, দামো অধিক হয়। বাবা বা পীৰ সকলে মানুহৰ মনত এনে ধাৰণা সুমুৱাই দিয়ে যেন মাদলি বা তাবিজৰ ভিতৰত ভগৱান থাকি মানুহক সকলো বিপদ-আপদৰ পৰা ৰক্ষা কৰে। অনেক লোকৰ মাজত এনে বিশ্বাস আছে যে সপ্ত ধাতু মিশ্ৰিত এলয়ৰে বনোৱা আঙুঠি পিন্ধিলে সকলো বিপদ-আপদৰ পৰা ৰক্ষা পাব পাৰি। আজি বহুতো শিক্ষিত লোকে পাথৰেৰ বনোৱা আঙুঠি পিন্ধে। এনে আঙুঠিয়ে হেনো গ্ৰহৰ দোষ নাইকিয়া কৰে। কিছুমান দুষ্ট প্ৰকৃতিৰ

লোকে দুৰ্বল মানুহৰ মনত ভয়ৰ সঞ্চাৰ কৰি ধন ঘটাৰ ফন্দি কৰে। অকল অসমতে নহয়, ভাৰতৰ কেৰেলা, তামিলনাডু, লাক্ষাদ্বীপ আদি ৰাজ্যত বহু লোকে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ মন্ত্ৰপুত কবচ ধাৰণ কৰে।

খ্ৰীষ্টিয়ান সকলৰ মাজত ১৩ সংখ্যা অমংগলীয়া। আন ধৰ্মৰ লোক সকলৰ মাজতো ১৩ সংখ্যাটো unlucky thirteen হিচাপে গণ্য কৰা হয়। ১৩ তাৰিখে কোনো শুভ কাৰবাৰ কৰিবলৈ মানুহে ইতস্ততঃ কৰে। ১৩ সংখ্যাটো যে অমংগলীয়া তাৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। ই মাথোন অন্ধবিশ্বাস। যিশু খ্ৰীষ্টৰ শেষ ভোজত ১৩ জন শিষ্যৰ সৈতে মুঠ ১৩ জন ব্যক্তি আছিল। সেই ভোজত বিশ্বাসঘাটক জুডাছ ইছকেৰিয়টো আছিল। সেই কাৰণে খ্ৰীষ্টিয়ান সকলে ১৩ সংখ্যা অমংগলীয়া ৰূপে গণ্য কৰে। যীশুখ্ৰীষ্টক ক্ৰচ দি হত্যা কৰা হৈছিল। সিদিনা আছিল শুক্ৰবাৰ। ১৩ তাৰিখ যদি শুক্ৰবাৰ হয়, তেনেহ'লে খ্ৰীষ্টিয়ান সকলৰ মতে অতি অমংগলীয়া দিন। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এপ'লো-১৩ নম্বৰ মহাকাশ যানখন অসফল হ'ল। বহুতো সাংবাদিকে সম্পাদকীয় লিখি ক'লে যে ১৩ সংখ্যাটোৰ মতেহে মহাকাশ যানখন সফল নহ'ল। ১৯৮৮ চনৰ ১৩ জুলাইত ভাৰতৰ শ্ৰীহৰিকোটাৰ পৰা উৎক্ষেপন কৰা ভাৰতীয় কৃত্ৰিম উপগ্ৰহ এ. এছ. এল. ভি. ডি. (ASLVD) উৰা মৰাৰ ক্ষন্তেক পিছত বঙ্গোপসাগৰত পৰি যায়। প্ৰকৃততে যান্ত্ৰিক বিজুতিৰ বাবে এনে হ'ল। বাতৰি কাকতত প্ৰকাশিত হ'ল যে ১৩ তাৰিখে উৎক্ষেপন কৰা বাবে কৃত্ৰিম উপগ্ৰহটোৰ এনে পৰিণতি হ'ল।

ইছলাম ধৰ্মত তিনি এটি অমংগলীয়া সংখ্যা। কিয়নো তিনিবাৰ 'তালাক' বুলি উচ্চাৰণ কৰিলেই মুছলমানৰ ক্ষেত্ৰত বিবাহ-বিচ্ছেদ ঘটে।

আনন্দৰ কথা এয়ে যে আজি এচাম যুক্তিবাদী লোক আগবাঢ়ি আহিছে সমাজত বিজ্ঞান সন্মত মানসিকতাৰ উৎকৰ্ষ সাধন কৰাৰ উদ্দেশ্যে। ভাৰতৰ বিভিন্ন ৰাজ্যত কিছুমান বেচৰকাৰী সংগঠন গঢ়ি উঠিছে। আমাৰ অসমতো অসম বিজ্ঞান সমিতিয়ে ৰাজ্যখনত বিজ্ঞান সন্মত মানসিকতাক উত্তৰণ ঘটোৱাৰ বাবে অহৰহ প্ৰচেষ্টা হাতত লৈ আহিছে। বৈজ্ঞানিক দৃষ্টিভংগীৰে বাস্তব দিশৰ পৰা বিভিন্ন ঘটনাৰাজিৰ মূল্যায়ন কৰিব পাৰিলে মানুহ, সমাজ, দেশৰ মাজত থকা ভুল বুজা-বুজিবোৰ আঁতৰ কৰিব পাৰি। বিজ্ঞান সন্মত পদ্ধতিৰে শিক্ষা দি মানুহৰ মনত মানৱতাবোধ জাগ্ৰত কৰিব পাৰিলে সমাজত শান্তি-সম্প্ৰীতি বিৰাজ কৰিব। গতিকে আমি নৱ প্ৰজন্মক এনে পদ্ধতিৰে শিক্ষা দান কৰিব লাগিব যাতে তেওঁলোক বিজ্ঞান সন্মত মানসিকতাৰে উদ্বুদ্ধ হৈ মানৱতাৰ উত্তৰণ ঘটাবলৈ সমৰ্থ হয়। ❑

*With Best Compliments from :*

**LUIT DEVELOPERS**

Jatiya Swahid Path
Beltola, Guwahati-781028

# ভাৰতৰ শিক্ষা আৰু মানৱ সম্পদ

**দ্বিজেন বৰ্মন**
সহযোগী অধ্যাপক, পুঠিমাৰী মহাবিদ্যালয়

**শিক্ষা** হৈছে এক জীৱনবোধ, সভ্যতাৰ মাপনি। মানৱ জাতিৰ বিভিন্ন স্তৰত ভিন ভিন অঞ্চল বিশেষে শিক্ষাই ক্ৰমবিকাশৰ সূত্ৰবোৰক জীপাল কৰাৰ সনাতন প্ৰক্ৰিয়াক চলমান কৰি ৰাখে। এটা মানৱ গোষ্ঠীৰ পৰা আন এটা মানৱ গোষ্ঠীৰ বিকাশৰ তাৰতম্য শিক্ষাগত অৱস্থিতিৰ পৰাই বুজিব পাৰি। জগতত ইমানদিনে ভৌতিক আৰু ৰহস্যঘন কথাবোৰ বলকি থকা হৈছিল। কিন্তু আচল কথা হৈছে জগতৰ পৰিবৰ্তন। আনপিনে জগত মানে মানুহকে কেন্দ্ৰ কৰি প্ৰাকৃতিক পৰিভাষাৰ এক সম্যক ধাৰণাহে। পৃথিৱীত অকল মানুহৰে পৰিৱৰ্তন আছে, আন কাৰো নাই। অইন জীৱ-জন্তুৰ ক্ষেত্ৰত কিবা পৰিবৰ্তন দেখা গলেও সেয়া মানুহৰ অগোচৰে অথবা অবিহনে সম্ভৱ নহয়। পিছে, এই পৰিবৰ্তনো শৈক্ষিক জয়যাত্ৰাৰ অংশ বিশেষহে। পৰিবৰ্তিত পৰিস্থিতিৰ সতে খাপ খোৱাৰ উপায় শিক্ষাৰ দ্বাৰাহে উপলব্ধ হয়।

শিক্ষা দুই প্ৰকাৰৰ — আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা। আনুষ্ঠানিক শিক্ষাতকৈ অনানুষ্ঠানিক শিক্ষাৰ বয়স বেছি। মানৱ সভ্যতাৰ বিভিন্ন স্তৰত মানুহে বিভিন্ন প্ৰাকৃতিক পৰিৱেশত নিজকে খাপ খুৱাবলৈ কি যে কৰা নছিল। তাৰ ফলতেই মানুহৰ ব্যৱহাৰ্য জৈৱিক সম্পদবোৰ উদ্ভাৱন হ'ল। এয়া আছিল জীৱনৰ অভিজ্ঞতাৰে সমৃদ্ধ মনৰ ফচল। এটা সময়ত মানুহৰ মাজত আনুষ্ঠানিক শিক্ষাৰ প্ৰচলন হ'ল। অৱশ্যে সেই যাত্ৰাৰ এদিনতে উদ্ভৱ হোৱা নাছিল। মানৱ জাতিৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰত নানা ঘাত-প্ৰতিঘাতৰ পৰা আহৰণ কৰা অভিজ্ঞতাই চালিকা শক্তি হিচাপে কৰিছিল। পাছলৈ আনুষ্ঠানিক শিক্ষাৰ প্ৰচলন, প্ৰসাৰ আৰু বিকাশ হোৱাৰ লগে লগে পৰিস্থিতি দ্ৰুতভাৱে সলনি হৈছিল। আজিৰ অৱস্থাত শিক্ষাক মানৱ সম্পদ সৃষ্টিৰ প্ৰধান হাতিয়াৰ বুলি কোৱা হৈছে। সেইমতে আমাৰ দেশতো শিক্ষা বিভাগৰ নামকৰণ কৰা হৈছে 'মানৱ সম্পদ বিকাশ মন্ত্ৰালয়' হিচাপে। ইমানখিনিলৈকে সকলো ঠিকেই আছিল। তত্বগতভাৱেও এইক্ষেত্ৰত আপত্তিৰ থল নাথাকে। কিন্তু 'দেখিলেহে লেখিম' বোলা কথাষাৰৰ অৱলম্বনত আহৰণ কৰা অভিজ্ঞতা (এয়া একপ্ৰকাৰৰ ব্যৱস্থাগত শিক্ষা)ই আমাক সন্দিহান হ'বলৈ বাধ্য নকৰা নহয়।

পৃথিৱীৰ উন্নত ৰাষ্ট্ৰবোৰত মানুহক সম্পদ হিচাপেই গণ্য কৰা হয়। আমাৰ দেশৰ দৰে প্ৰাকৃতিক সম্পদত চহকী নোহোৱা স্বত্বেও ইজৰাইলত মানুহৰ জীৱনক অধিক অৰ্থপূৰ্ণ কৰি তোলা হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পোহৰেৰে। সেইখন দেশৰ বাহিৰেও জাপান, চুইজাৰলেণ্ড আৰু ইউৰোপৰ আন বহু দেশতেই কোনো উল্লেখযোগ্য সম্পদ নাই যদিও কেৱল মানৱ সম্পদৰ ওপৰত ভিত্তি কৰিয়েই আৰ্থিকভাৱে এইবোৰ পৃথিৱীৰ অগ্ৰগণ্য দেশ বিচাপে পৰিগণিত হৈছে। খেনোক দেখি ৰন্ধা-বঢ়া কৰাৰ দৰে আমাৰ দেশতো 'মানৱ সম্পদ'ৰ কথা কোৱা হৈছে, কিন্তু সেই বিষয়ক পৰিকল্পিত আঁচনি, বিজ্ঞানসন্মত চিন্তা, যুক্তিনিষ্ঠ মন হ'লে আমাৰ নাই। যাৰ ফলত, অফুৰন্ত প্ৰাকৃতিক সম্পদ থকাৰ পাছতো, সমগ্ৰ ইউৰোপ মহাদেশতকৈয়ো বেছি বিশেষজ্ঞৰ জন্ম দিয়াৰ লগতে জনসম্পদৰ মেটমৰা বোজা লৈয়ো ভাৰত এতিয়াও পৃথিৱীৰ আটাইতকৈ দৰিদ্ৰতম ৰাষ্ট্ৰ হৈয়ে আছে। 'অৰ্জুন সেন আয়োগ'ৰ মতে আমাৰ দেশৰ ৭৭% লোকে দিনে ২০ টকা খৰচ কৰাৰ সামৰ্থও লাভ কৰা নাই। এয়া কেন্দ্ৰীয় চৰকাৰৰ এক সংস্থা, কোনো অইন সংস্থা নহয়। পিছে, এয়া হৈছে বিশাল জনসমুদৰ অপচয়ৰ নমুনা মাথোন। প্ৰকৃতি আৰু মানুহৰ সহজাত সহবাসক আলম কৰিয়েই অইন দেশবোৰে মানুহক সম্পদলৈ সলনি কৰা মুহূৰ্তত আমাৰ দেশত ইয়াক আপদ বুলিহে গণ্য কৰা হৈছে। যি ১১৩ কোটি তেজ-মঙহ আৰু যুক্তি, বিচাৰ-বুদ্ধিসম্পন্ন মানুহ আমাৰ দেশৰ বাবে

গৌৰৱৰ বিষয় হ'ব লাগিছিল, সেই বৈচিত্ৰময় আৰু অপূৰ্ব গৰিমাৰে সমুজ্বল জনসমষ্টিয়েই ভাৰতত হৈ পৰিছে আৱৰ্জনা। কি যে বিড়ম্বনা!

উপৰিউক্ত বিড়ম্বনাৰ অৰ্থ হয়তো এয়ে হ'ব পাৰে যে আমাৰ দেশৰ জনসমষ্টিক এতিয়াও সম্পদ হিচাপে গণ্য কৰিবলৈ বাকী আছে। ভাৰতৰ মানুহ সম্পদ নহৈ এতিয়াও কেচামাল হৈয়ে আছে। তাক এতিয়াও উপযুক্তভাৱে ব্যৱহাৰ কৰা হোৱা নাই। ইয়াৰ অন্তৰালত থকা মুখ্য কেৰোণটোৱেই হৈছে আমাৰ দেশৰ ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থা। আমাৰ দেশৰ শিক্ষাত এতিয়াও মানৱীয় শিক্ষাৰ অভাৱ। বৃটিছৰ তাগিদাত সৃষ্টি হোৱা শিক্ষানীতিৰ বৰ বেছি হীন-ডেঢ়ি হোৱা নাই। সেইবাবেই হবলা আমাৰ দেশতেই বেছি 'শিক্ষিত' নিৰক্ষৰ লোক আছে। অৰ্থাৎ শিক্ষিত, উচ্চশিক্ষিত আৰু প্ৰযুক্তিবিদ্যাৰ উচ্চতম শৃঙ্গত আৰোহন কৰাজনেও ভুৱা ঐতিহ্যৰ নামত কাল অতিবাহিত কৰে পূৰ্ণোদ্যোমে। বৰ্ণবাদ, গোষ্ঠীচিন্তা, ধৰ্মীয় বাগাড়ম্বৰ, মৌলবাদী, কু-সংস্কাৰ আদিক গাৰ ভূষণ কৰি লোৱা ভাৰতীয় উচ্চশিক্ষিতক মানৱ সম্পদ বুলিব নোৱাৰি। ভাৰতীয় সমাজৰ বিভ্ৰাটবোৰ এইচাম লোকেই জীয়াই ৰাখিছে। এওঁলোকৰ আচৰণবোৰ মধ্যযুগীয়, কেৱল পোছাকী পৰিচয়ৰে এওঁলোকৰ আচল পৰিচয় জানিব নোৱাৰি। সঁচা কথা ক'বলৈ গ'লে এওঁলোক এতিয়াও দাসত্বৰ পৰা মুক্ত নহয়।

শিক্ষালাভৰ অৰ্থ হৈছে জীয়াই থাকিবলৈ গৈ জীৱনটোৱে মোকাবিলা কৰিবগীয়া সকলো সমস্যাই যাতে সহজে সমাধান কৰিব পাৰে তাৰ বাবে প্ৰস্তুতি চলোৱা। সঁচা অৰ্থত জীৱন জীৱিকাৰ সতে শিক্ষাৰ সম্পৰ্ক থাকিবই লাগিব। কিন্তু এইটো দশকৰ পাতনিত আমাৰ দেশৰ শিক্ষাৰ প্ৰায়োগিক মূল্য আছিল মাথো দুই শতাংশ। এতিয়াও সেই চিত্ৰ সলনি হোৱা বুলি ক'ব পৰা নাযায়। সেই সময়ছোৱাত এছিয়া মহাদেশত ভাৰতৰ শিক্ষাগত স্থান আছিল ৫ম আৰু বিশ্বত দশম। শ্ৰীলংকাৰ দৰে দেশো আমাতকৈ শিক্ষা-দীক্ষাতকৈ ভালেখিনি আগবঢ়া। ইয়াৰ অৰ্থ এয়াই যে আমাৰ দেশৰ জনসমষ্টিক এতিয়াও উপযুক্ত সম্পদ হিচাপে গঢ়ি তোলা হোৱা নাই। জীৱনৰ মূল্যৱান পঁচিশ-ত্ৰিশটামান বছৰ যি শিক্ষাৰ বাবে খৰচ কৰাৰ পাছতো যদি এজন লোকে নিজৰ পেটৰ ভাতমুঠি যোগাৰ কৰিব নোৱাৰে তেনে শিক্ষা ব্যৱস্থাক শিক্ষা বুলিব নোৱাৰি। তাক আপদ সৃষ্টিৰ অৱলম্বন বুলি ক'ব পাৰি নিশ্চয়। মুঠতে নীতিবাগীশ শিক্ষা ব্যৱস্থাই আমাৰ মাজত এচাম পানীতো সাতুৰিব নোৱাৰা আৰু স্থলতো খোজ কাঢ়িব নোৱাৰা অদ্ভুত প্ৰাণীৰ জন্ম দিছে। চৰকাৰ মহাৰাজেও সেই বিষয়ে উমঘাম নকৰে। নিজে চালু কৰা ব্যৱস্থাৰ ফচল হিচাপে বৰ্তি থকা অতবোৰ অপদাৰ্থ লোকক সমাজৰ বিকাশৰ বাটত আপদ হিচাপে প্ৰক্ষেপ কৰাটো এই আৰ্থ-সামাজিক ব্যৱস্থাৰ পৰিণতি। নিৰক্ষৰজনে কৰা শ্ৰমৰ ওপৰতহে তথাকথিক শিক্ষিতচাম বৰ্তি আছে।

মানৱ সম্পদৰ সাধাৰণ মান জোখাৰ প্ৰৱণতা উচ্চশিক্ষাৰ দ্বাৰা নিৰ্ণিত হয়। ইউৰোপতকৈ বেছি বিশেষজ্ঞ থাকিলেও আমাৰ দেশত মানৱ সম্পদৰ অপচয়হে প্ৰধান চিন্তাৰ বিষয়। কোনোবাই আহ্লাদিত হ'লেও তাক মুৰ্খৰ সান্তনা বুলি ক'ব পাৰি। কাৰণ প্ৰতিবছৰে আমাৰ দেশত দুইলাখ বিজ্ঞান স্নাতকৰ জন্ম হয়। জাপানত মাথো সাত হাজাৰহে হয়। অথচ আমাৰ দেশৰ সিংহভাগ বিজ্ঞান স্নাতক অবৈজ্ঞানিক চিন্তা আৰু কাৰ্য্যত জড়িত হৈ পৰে। জাপানৰ সাত হাজাৰ বিজ্ঞান স্নাতক দেশখনৰ বিকাশৰ বাবে নিৰ্ণায়ক শক্তি হৈ পৰে। পিছে, আমাৰবোৰে বিকাশৰ বিপৰীতে স্থিতি লয়। এয়া এটা সামান্য উদাহৰণহে। এনেদৰেই ভাৰতীয় শৈক্ষিক আৰু সামাজিক গতি চলি আছে। সৰ্বাধিক নিৰক্ষৰ থকা দেশ এখনত সৰ্বাধিক শিক্ষিত নিৰক্ষৰ আৰু সৰ্বাধিক অনাহাৰত থকা লোকেৰে মানৱ সম্পদৰ অপচয় ৰোধিব কোনে?

ভাৰতৰ উচ্চ শিক্ষাৰ মান নিম্নৰ পৰা নিম্নতম অৱস্থালৈ গৈছে। গোটেই পৃথিৱীৰ নিৰিখৰতো কথাই নাই, এছিয়া মহাদেশতে ভাৰতৰ স্থান লজ্জাকৰ হৈ পৰিছে। ভাৰতৰ শিক্ষাৰ মান বিশ্বৰ শিক্ষাৰ সতে একেবাৰে খাপ নাখায়। এফালে নিয়োগৰ আকাল, আনফালে চৌহদ নিযুক্তিৰ নিম্নগামী হাৰ। তাৰ মাজতে মহামন্দা। নতুন চাকৰিৰটো কথাই নাই, যোৱা এবছৰত ত্ৰিশ লাখতকৈয়ো অধিক শ্ৰমিক-কৰ্মচাৰীয়ে কৰি থকা চাকৰি হেৰুৱাইছে। ভাৰতৰ বিখ্যাত প্ৰযুক্তি প্ৰতিষ্ঠানবোৰত পূৰ্বৰ পৰা চলি অহা 'কেমপাছ ৰিক্ৰিউটমেণ্ট' (চৌহদ নিযুক্তি)ৰ সুযোগ কমি গৈছে অভাৱনীয়ৰূপে। ইয়াৰ মানে হৈছে আমাৰ সম্পদৰ উচিত ব্যৱহাৰ হোৱাগৈ নাই আৰু এই ক্ষেত্ৰত ভাৰত চৰকাৰেও চাগৈ উচিত পদক্ষেপ ল'ব পৰা নাই। তলৰ তথ্যৰ পৰাই কথাবোৰ অধিক পৰিস্ফুট হ'ব।

নামী মহাবিদ্যালয়/বিশ্ববিদ্যালয়ৰ ৰেংক

| নাম | এছিয়াৰ ক্ষেত্ৰত | বিশ্বৰ ক্ষেত্ৰত |
|---|---|---|
| আই আই টি দিল্লী | ৩৬ | ১৫৪ |
| আই আই টি মুম্বাই | ৩০ | ১৭৪ |
| আই আই টি কানপুৰ | ৩৪ | ২৪২ |
| আই আই টি চেন্নাই | ৪৯ | ৩০৩ |
| আই আই টি ৰুৰকি | ৬৩ | ৪০১-৫০০ |
| আই আই টি খড়গপুৰ | ১৪১ | ৫০১-৬০০ |
| আই আই টি গুৱাহাটী | ১৭১ | ৫০১-৬০০ |
| দিল্লী বিশ্ববিদ্যালয় | ৬০ | ২৭৪ |
| মুম্বাই বিশ্ববিদ্যালয় | ১৩০ | ৫০১-৬০০ |
| পুনে বিশ্ববিদ্যালয | ১০০ | ৪০১-৫০০ |
| কলকাতা বিশ্ববিদ্যালয় | ১১০ | ৪০১-৫০০ |

*(১ম তালিকা)*

*('আজকাল'-১২ আগষ্ট, ২০০৯ সংখ্যাৰ সৌজন্যত)*

উপৰোক্ত তথ্যই ভাৰতৰ তথাকথিত শৈক্ষিক উত্তৰণৰ কথাকে উদঙাই দিছে। তথাপি আমাৰ বৰমূৰীয়াসকলে ফিতাহি মাৰিবলৈ এৰা নাই। শিক্ষা সংস্কাৰৰ নামত গ্ৰহণ কৰা কোনোখন আঁচনিকেই আন্তৰিকতাৰে গ্ৰহণ কৰাৰ নজিৰ স্থাপন কৰিব পৰা নাই ভাৰত চৰকাৰে। সম্প্ৰতি কপিল ছিবালে গ্ৰহণ কৰা শিক্ষা সংস্কাৰে হিন্দীভাষাৰ প্ৰচাৰৰ বাবেহে জোৰ দিছে। আ.আই.টি অথবা আইফাক্টৰ দাবীৰ প্ৰতি আওকণীয়া মনোভাৱ প্ৰকট কৰিছে। ৰাজনৈতিক লাভালাভৰ কথা বিবেচনাৰে গ্ৰেডিং প্ৰথাৰে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানক মুনাফা লুটাৰ সুযোগ এৰি দিছে। হিন্দী ভাষাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাই আঞ্চলিক ভাষাৰ অপকাৰ কৰিব। এই বৈষ্যমৰ মূল্য ভৰিব লাগিব ৰাষ্ট্ৰৰ সংহতিয়ে। হিন্দী অঞ্চলত ৰাজনৈতিক খোপনি দৃঢ় কৰাৰ বাবে এনে আঁচনি গ্ৰহণ কৰা নাইতো? সমগ্ৰ বিশ্বই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দৌৰত চামিল হোৱাৰ সময়ত ভাৰতত শাসক দলে নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থত ভাষাৰ বোজা বঢ়াই মানৱ সম্পদ গঢ়াৰ প্ৰক্ৰিয়াক ব্যাহত কৰিছে। শিক্ষাৰ আঁচল লক্ষ্য আৰু উদ্দেশ্য এনেদৰেই ব্যাহত হৈ আছে ভাৰতত। আনপিনে উপযুক্ত মকৰলৰ দিহা কৰিব নোৱাৰা কেন্দ্ৰীয় চৰকাৰে আঞ্চলিক বৈষম্য বৃদ্ধিৰ প্ৰতি বেছি গুৰুত্ব দিছে যেন লাগিছে। ভাৰতত তথ্য আৰু প্ৰযুক্তি ক্ষেত্ৰবোৰতে চৌহদ নিযুক্তিৰ মাত্ৰা নিম্নগামী হৈছে। তেন্তে কলাধৰ্মী বিষয়ৰ ক্ষেত্ৰতেই নহয়, বিজ্ঞান আৰু প্ৰযুক্তিৰ দিশবোৰতো চৰকাৰৰ অনীহা প্ৰকাশ পাইছে। তলৰ তথ্য তালিকাই ভাৰতৰ বিভিন্ন প্ৰতিষ্ঠানৰ কেম্পাছৰ প্লেচমেন্টৰ চিত্ৰ দাঙি ধৰিছে।

**ভাৰতৰ উচ্চ শিক্ষাৰ মান নিম্নৰ পৰা নিম্নতম অৱস্থালৈ গৈছে। গোটেই পৃথিৱীৰ নিৰিখৰতো কথাই নাই, এছিয়া মহাদেশতে ভাৰতৰ স্থান লজ্জাকৰ হৈ পৰিছে। ভাৰতৰ শিক্ষাৰ মান বিশ্বৰ শিক্ষাৰ সতে একেবাৰে খাপ নাখায়। এফালে নিয়োগৰ আকাল, আনফালে চৌহদ নিযুক্তিৰ নিম্নগামী হাৰ। তাৰ মাজতে মহামন্দা। নতুন চাকৰিৰটো কথাই নাই, যোৱা এবছৰত ত্ৰিশ লাখতকৈয়ো অধিক শ্ৰমিক-কৰ্মচাৰীয়ে কৰি থকা চাকৰি হেৰুৱাইছে। ভাৰতৰ বিখ্যাত প্ৰযুক্তি প্ৰতিষ্ঠানবোৰত পূৰ্বৰ পৰা চলি অহা 'কেমপাছ ৰিক্ৰিউটমেণ্ট' (চৌহদ নিযুক্তি)ৰ সুযোগ কমি গৈছে অভাৱনীয়ৰূপে।**

### ভাৰতৰ নামজ্বলা কেতবোৰ প্ৰতিষ্ঠানৰ চৌহদ নিযুক্তিৰ চিত্ৰ

| প্ৰতিষ্ঠানৰ নাম | ২০০৮ | | ২০০৯ | |
|---|---|---|---|---|
| | বহুজাতিক | ভাৰতীয় | বহুজাতিক | ভাৰতীয় |
| আই আই টি কানপুৰ | ৬৪৩ | ৩৩৪ | ৪৪ | ৫৮৬ |
| আই আই টি মুম্বাই | ৫৯৩ | ২৭৬ | ৩৮১ | ২৮২ |
| আই আই টি দিল্লী | ৬৩৩ | ১৫৭ | ৩৯০ | ১৮৪ |
| আই আই টি চেন্নাই | ৪৫৮ | ৩৭৬ | ২৮২ | ৩০০ |
| আই আই এম আহমদাবাদ | ১৫৫ | ১১১ | ৯২ | ১৪৪ |
| আই আই এম বাঙ্গালুৰ | ২০৩ | ৫২ | ১১৯ | ১০৫ |
| আই আই এম কলিকতা | ২৪০ | ৫০ | ১২১ | ১০৩ |

*(২য় তালিকা)*
*('আজকাল' - ১২ আগষ্ট, ২০০৯ সংখ্যাৰ সৌজন্যত)*

এইদৰে ভাৰতৰ শিক্ষা আৰু মানৱ সম্পদৰ অপচয় হৈ আছে। মহামন্দাৰ অজুহাতত উন্নত দেশবোৰে গ্ৰহণ কৰা উন্নয়ন বিৰোধী স্থিতিৰ প্ৰতি ভাৰতৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ ৰেহৰূপ ওলাই পৰিছে। অকল এয়াই নহয়, স্বাস্থ্য, খাদ্য, গ্ৰাম্য উন্নয়ন, ৰাষ্টাঘাট, বিদ্যুৎ, পৰিয়াল, পৰিকল্পনা, খোৱাপানী, শ্ৰমিক কল্যাণ, প্ৰসূতি আৰু শিশুৰ সুৰক্ষা, সামাজিক সুৰক্ষা সকলোতে চৰকাৰে ব্যয় কৰ্তন কৰিছে। ভাৰতৰ বিখ্যাত অৰ্থনীতিবিদ তথা সমাজবিজ্ঞান ড° প্ৰভাত পাটনায়কৰ সম্পাদনাত প্ৰকাশিত 'Social Scientist' আলোচনীৰ ২০০৮ চনৰ চেপ্তেম্বৰ অক্টোবৰ সংখ্যাত R. Ramkumar- এ 'Levels and Composition of Public, Social and Economic Expenditures in India, 1950-51 to 2006-06' শীৰ্ষক লেখাত দাঙি ধৰা তথ্যই ভাৰতত যে মানৱ সম্পদ বিকাশ সম্ভৱ নহয় তাকেই প্ৰতিপন্ন কৰিছে। ইয়াৰ পাছতো আমি অলীক স্বপ্ন নেদেখাই ভাল। বিশ্বৰ প্ৰতিযোগিতামূলক বিকাশৰ দৌৰত ভাৰত এনেদৰেই বহুযোজন পাছ পৰি আছে। নগৰকেন্দ্ৰিক মেদবহুল বিকাশে সমগ্ৰ ভাৰতৰ মানৱ সম্পদ বিকাশৰ চেহেৰা প্ৰকাশ নকৰে। মুঠতে শিক্ষা, স্বাস্থ্য, পথ যোগাযোগ, গ্ৰাম্য উন্নয়নৰ লগতে আনবোৰ দিশক চিৰদিন অৱহেলা কৰি থকা হৈছে। এনে এক অৱস্থাত শিক্ষা আৰু মানৱ সম্পদৰ বিকাশ আশা নকৰাই ভাল।

অসমৰ চিত্ৰ আৰু দুখ লগা। ৰাজহুৱা শিক্ষা প্ৰতিষ্ঠানৰ প্ৰতি চৰকাৰৰ অৱহেলা নতুন কথা নহয়। আমাৰ ৰাজ্যখনত ১৭ হাজাৰ শিক্ষানুষ্ঠানৰ ডেৰ লাখ শিক্ষক-কৰ্মচাৰীৰ দুৰ্দশা কোনে বুজিব? বিনাবেতনে অৱসৰ ললে প্ৰায় সত্তৰজন শিক্ষকে। দহজনতকৈয়ো অধিক দুৰ্ভগীয়া শিক্ষকে আত্মহত্যা কৰিবলগা হ'ল। তাৰ পাছতো বিকাশৰ বেপেৰোৱা প্ৰচাৰ। যি বিকাশে যুৱসমাজৰ বাবে মকৰলৰ দিহা কৰিব নোৱাৰে সেই বিকাশ কাৰ বাবে? যি শিক্ষাই মানুহক কাৰ্যমুখী নকৰে তাৰ মূল্যইবা কিমান? অৱশ্যে ইয়াৰ বাবে লাগিব অন্য এক চিন্তা আৰু কৰ্মযজ্ঞৰ। তাৰ পাছতহে ভাৰতৰ শিক্ষা আৰু মানৱ সম্পদৰ উচিত ব্যৱহাৰ সম্ভৱ হ'বগৈ। ❑

# বেলতলা কলেজৰ বিষয়ে দু-আষাৰ

খৰ্গেশ্বৰ ঠাকুৰীয়া
মুখ্য কাৰ্যালয় সহায়ক

**১৯৮৩** চনৰ ১৮ নৱেম্বৰত বেলতলা কলেজ স্থাপন কৰা হয়। বেলতলা কলেজৰ প্ৰতিষ্ঠাপক সভাপতি আছিল মাননীয় শ্ৰীযুত কেশৱ চন্দ্ৰ শৰ্মা। কলেজৰ স্থায়ী মাটি-বাৰী নথকাৰ বাবে নানান অসুবিধা ভোগ কৰিব লগা হৈছিল। প্ৰথম অৱস্থাত কলেজৰ স্থান আছিল গনেশ মন্দিৰ হাইস্কুলৰ নৈশ বিভাগত। কলেজৰ অফিচটো আছিল এটা ভঙা-চিঙা টিনৰ ঘৰত। অফিচৰ চাৰিওফালৰ পৰিবেশ আছিল দুৰ্গন্ধময়। পোহৰৰ অভাৱত কেতিয়াবা মমবাতি কিনি আনিও ক্লাছ কৰাৰ নিদৰ্শন আছে। সেই সময়ৰ পৰা শিক্ষক কৰ্মচাৰীয়ে অশেষ যাতনা ভুগি মহাবিদ্যালয়খন ধৰি ৰাখিছে। তেতিয়া কলেজখনৰ কোনো নিজস্বতা নাছিল।

এদিনাখন মিটিঙত (১৯৯০ চনত) সেই সময়ৰ সভাপতি শ্ৰীযুত দেৱেন ভট্ট চাৰে কৈছিল "যদি মই বেলতলা কলেজৰ মাটি এবছৰত ৰাখি দিব নোৱাৰো সভাপতিৰ পদ পৰিত্যাগ কৰিম।" কথামতে কাম হ'ল। সেই সময়ৰ অধ্যক্ষ ঁশশীধৰ গোস্বামী আৰু তেখেতে লগ লাগি বেলতলা মৈদাম গাওঁত ৪ বিঘা ২ কঠা ১০ লেচা মাটি ১৯৯১ চনত বেলতলা কলেজৰ নামত আৱন্টন দিয়ে। কিন্তু পৰিতাপৰ বিষয় সেই সময়ত থকা কোনো শিক্ষক-শিক্ষয়িত্ৰীয়ে মাটি দখল স্বত্ব লোৱাৰ সময়ত উপস্থিত নাছিল। অধ্যক্ষ ঁশশীধৰ গোস্বামী আৰু অফিচৰ কৰ্মচাৰীৰ সহযোগত মাটি দখল চমজী লোৱা হয়। মাটি দখলৰ সময়ত থকা মোৰ সহকৰ্মী মুনিন্দ্ৰ কলিতা আৰু অনিল বৈশ্য বহু অসুবিধাৰ সন্মুখীন হৈছিল। আমি নিজৰ জীৱনক তুচ্চ জ্ঞান কৰি দিনে নিশাই কাম কৰি টিঙৰ চালি তিনিটা তৈয়াৰ কৰি লঘোনে ভোকে ঘৰলৈ যাওঁ। মাটি চমজী লোৱাত আমাক সহায় কৰিছিল সুভাষ মন্দলে। কলেজৰ মাটি দিয়াত সহায় কৰিছিল সেই সময়ৰ চেটেলমেন্ট অফিচাৰ দীনেশ গোস্বামী চাৰে। তেওঁলোকৰ অশেষ চেষ্টাৰ ফলতে বেলতলা কলেজৰ মাটিত আমি খুটি পুতিবলৈ সক্ষম হওঁ।

এইদৰে নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি কলেজখন নাজল-নাস্থল অৱস্থালৈ গতি কৰে। সেই অৱস্থা দূৰ কৰে অস্থায়ী অধ্যক্ষ হজৰত ভূঞা, তেওঁৰ সহযোগী প্ৰৱক্তা মৃগেন শৰ্মা আৰু শিক্ষকগোটে। তেওঁলোকে ৰাজহুৱা সভা অনুষ্ঠিত কৰি লৈ এখন নতুন কমিটি গঠন কৰে। সেই কমিটিখনৰ সভাপতি আছিল মাননীয় ডঃ মোহন বৰা চাৰ আৰু সম্পাদক আছিল জয়ন্ত দাস। ডঃ মোহন বৰা চাৰ এজন সৎ আৰু নিষ্ঠাবান পুৰুষ আছিল। তেখেত সকলৰ দিনতে কলেজ খনে ঠন ধৰি উঠে আৰু কিছু পৰিমানে দুখ কষ্ট লাঘব হয়। ডঃ মোহন বৰা চাৰৰ দিনতে TDC 2nd Year লৈ Govt. Concurrence লগতে H.S. আৰু B.A. Final ৰ চেন্টাৰ তেখেতৰ পাহৰিব নোৱাৰা বৰঙণি। তাৰোপৰি প্ৰতিবেশী শ্ৰী নৰেন্দ্ৰ নাথ টায়ে চাৰৰ বাবে কলেজৰ চাৰিসীমাৰ ইটাৰ বেৰ দিয়া কাম সমাধা হয়।

ইয়াৰ পিছত বাকী থকা কামবোৰ সম্পূৰ্ণ কৰিলে কলেজৰ কেইজন মান শিক্ষক আৰু গবাৰ্ণিঙ বডিৰ সভাপতি ৰোহিনী কুমাৰ শৰ্মাই। শৰ্মা চাৰৰ দিনত Government Concurrence ৰ কাম সম্পূৰ্ণ হয়। এইদৰে আহি বেলতলা কলেজ ২৮ বছৰত ভৰি দিলে। দুখৰ কথা আজি পৰ্যন্ত শিক্ষক, কৰ্মচাৰীয়ে নানা জীয়াতু ভুগি জীৱন অতিবাহিত কৰিব লগা হৈছে। নিজৰ ল'ৰা ছোৱালীক ভালদৰে শিক্ষা-দীক্ষা দিয়াত আৰু পেট ভৰাই এসাজ খোৱাৰ বাবে আমি অশেষ কষ্ট কৰিব লগা হৈছে। কিন্তু আজি পৰ্যন্ত কলেজখন চৰকাৰীকৰণ নহ'ল। বেলতলা কলেজ দিছপুৰ সমষ্টিৰ মাজমজিয়াত দিছপুৰৰ গাতে লাগি থকা এখন কলেজ। এই কলেজৰ পৰা বহু ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰে শিক্ষিত হৈছে।

বেলতলা অঞ্চল প্ৰাচুৰ্য্যৰে বিৰাজমান। তথাপি এই প্ৰাচুৰ্য্যৰ আঁৰত দৈন্যতাও লুকাই আছে সেয়াও সঁচা। পৰ্য্যাপ্ত পৰিমাণৰ কোঠা আৰু পুথিৰ অভাৱ আমাৰ কলেজৰ এতিয়াও আছে। ইয়াতে আমাৰ ভুল হয়তো বাৰে পাচি হব পাৰে, মোৰ মত হয়তো আনৰ লগত নিমিলিবও পাৰে, তথাপিও অন্তঃদৃষ্টি আৰু বহিঃদৃষ্টিৰে দেখিবলৈ পোৱা কথাবোৰ প্ৰকাশ কৰাৰ এয়া মোৰ বিনম্ৰ প্ৰয়াস মাথোন।❑

# দুৰ্নীতি

পদুম শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

**নীতি** বৰ্হিভূত ভাৱে নিকৃষ্ট স্বাৰ্থপূৰণৰ বাবে কৰা সকলো প্ৰকাৰৰ কামেই হৈছে দুৰ্নীতি। অন্যায়ভাৱে ধন, সম্পদ আহৰণ কৰা, ক্ষমতা হস্তগত কৰা, ৰাজহুৱা ধন আত্মসাৎ কৰা, ক্ষমতাক অপব্যৱহাৰ কৰা আদি কৰ্ম-কাণ্ডই হৈছে দুৰ্নীতি। দুৰ্নীতি বিভিন্ন ৰূপত, বিভিন্ন প্ৰকাৰে মানৱ সমাজত প্ৰৱেশ কৰিব পাৰে।

মানৱ সমাজলৈ দুৰ্নীতিৰ প্ৰৱেশ কেতিয়া ঘটিছিল - এয়া এক গৱেষণাৰ বিষয়। কিন্তু এইটো ঠিক, মানুহ সমাজপাতি থাকিবলৈ লোৱাৰ দিনৰ পৰা, সামাজিক নীতি-নিয়ম চালু কৰা দিনৰ পৰা এচাম মানুহ সদায়েই নিয়ম-নীতিৰ বাহিৰত গৈ অসামাজিক কামত লিপ্ত হৈ আহিছে।

মানৱ সভ্যতাৰ আধুনিক স্তৰৰ প্ৰাক্‌কালৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় — ইজিপ্ত, বেবিলন, হাকভিউ আদি দেশত সেই দেশৰ বিচাৰপতি সকলে ভেটি লৈ পক্ষপাত দুষ্ট বিচাৰ কাৰ্য সম্পন্ন কৰি প্ৰথম ৰাজকীয় দুৰ্নীতিৰ পোহৰ মেলিছিল। সেইদৰে তৎকালীন ৰোম দেশত ক্ষমতা দখলৰ যুঁজত ভেটি দিয়াৰ দুৰ্নীতি চলিছিল। পোন্ধৰ শতিকাৰ ফ্ৰান্সত ভেটিলৈ নিজকে বিক্ৰী কৰিছিল ক্ষমতাত থকা এচাম ৰাজবিষয়াই। সোতৰ, ওঠৰ শতিকাত দুৰ্নীতিৰ 'গোপন সুৰংগ' বুলি আখ্যা দিয়া হৈছিল ইংলেণ্ডক। ভাৰতবৰ্ষৰ কৌটিল্যৰ অৰ্থ শাস্ত্ৰত প্ৰায় দুকুৰি প্ৰকাৰৰ দুৰ্নীতিৰ কথা উল্লেখ আছে। বৰ্ত্তমান ভাৰতবৰ্ষ হৈছে বিশ্বৰ সপ্তমখন অধিক দুৰ্নীতি গ্ৰস্ত দেশ। ইন্দোনেচিয়া, চীন, পাকিস্তান, ভিনেজুৱেলা, ব্ৰাজিল, ফিলিপাইনচ্, ভাৰত, থাইলেণ্ড, ইটালী আৰু মেক্সিকো হৈছে পৃথিৱীৰ আটাইতকৈ বেছি দুৰ্নীতি গ্ৰস্ত দেশ।

এখন দেশৰ উন্নয়নৰ অন্যতম গতিৰোধক হৈছে দুৰ্নীতি। দুৰ্নীতিয়ে জনকল্যাণকামী ৰাষ্ট্ৰ এখনৰ উন্নয়নৰ সমস্ত পৰিকল্পনাক বাধাগ্ৰস্ত কৰে। অথচ সাম্প্ৰতিক বিশ্বত দুৰ্নীতি পৰায়ণ মানুহৰ সংখ্যা অস্বাভাৱিক হাৰত বাঢ়িবলৈ ধৰিছে। দুৰ্নীতিৰ অপ্ৰতিৰোধ্য শিপাই যেন চানি ধৰিছে সমগ্ৰ পৃথিৱীক। মানৱ জাতিক ! মানুহক আত্মস্বাৰ্থ সিদ্ধিৰ বাসনা যেন তীব্ৰৰ পৰা তীব্ৰতৰ হৈ যাব ধৰিছে। মানুহ হৈ উঠিছে ভোগমত্ত। অতৃপ্ত ভোগলালসাৰ পৰিণতিত মানুহৰ মাজত নীতি-অনীতিৰ পাৰ্থক্য নাইকিয়া হৈছে আৰু দুৰ্নীতি হৈ পৰিছে আধুনিক যুগৰ দুৰাৰোগ্য সংকট। অমানৱীয় সামাজিক ব্যাধি। সামাজিক ব্যাধি ৰূপে চিহ্নিত এই দুৰ্নীতিৰ নিৰ্মূলৰ বাবে দেশে দেশে বিভিন্ন দুৰ্নীতি নিবাৰক আইন-কানুন প্ৰয়োগ কৰিছে যদিও প্ৰত্যাশিত সুফল কোনো এখন দেশে লাভ কৰা নাই।

এখন দেশৰ উন্নয়নৰ অন্যতম গতিৰোধক হৈছে দুৰ্নীতি। দুৰ্নীতিয়ে জনকল্যাণকামী ৰাষ্ট্ৰ এখনৰ উন্নয়নৰ সমস্ত পৰিকল্পনাক বাধাগ্ৰস্ত কৰে। অথচ সাম্প্ৰতিক বিশ্বত দুনীতি পৰায়ণ মানুহৰ সংখ্যা অস্বাভাৱিক হাৰত বাঢ়ি বলৈ ধৰিছে। দুৰ্নীতিৰ অপ্ৰতিৰোধ্য শিপাই যেন চানি ধৰিছে সমগ্ৰ পৃথিৱীক।

বৰং দুৰ্নীতি বাঢ়িহে গৈছে। কিয় এনে হৈছে? এই প্ৰশ্নৰ উত্তৰত আমি কেইটামান কাৰক চিনাক্ত কৰিব পাৰোঁ ——

১. মানুহৰ মাজত পাৰস্পৰিক সহৃদয়তা,সমমৰ্মিতা কমিছে।
২. মানুহৰ মাজত দেশপ্ৰেম, জাতিপ্ৰেম, নিস্বাৰ্থ ত্যাগ, সততা আদি মহৎ গুণ নাইকিয়া হৈছে।
৩. মানুহৰ মাজত স্থূল সুখ ভোগৰ সামগ্ৰী আহৰণৰ প্ৰতিযোগিতা বাঢ়িছে।

৪. ধন দিলেই পাব পৰাকৈ বজাৰত উপভোগৰ উপকৰণ সমূহৰ প্ৰয়োভৰ ঘটিছে।

৫. মানুহৰ নৈতিক চৰিত্ৰৰ অনুশীলন হ্ৰাস পাইছে।

৬. মুক্ত অৰ্থনীতি বা বিশ্বায়নৰ নামত পুঁজিবাদী দেশ সমূহৰ আৰ্ন্তজাতিক বৃহৎ উদ্যোগপতিহতঁৰ আগ্ৰাসন উন্নয়নশীল বা অনুন্নত দেশ সমূহত দিনক দিনে বৃদ্ধি পাইছে ইত্যাদি।

১৯৯৯ চনৰ ৰাষ্ট্ৰ সংঘৰ মানৱ উন্নয়ন বিষয়ক প্ৰতিবেদন এখনত কোৱা হৈছিল — অখণ্ড বিশ্বায়িত আৰ্থিক শক্তিক আগ্ৰাসনত দুখীয়া দেশ সমূহৰ সংস্কৃতি আজি বিপৰ্যস্ত। এই নতুন বিশ্বায়িত বজাৰ সৃষ্টি সংস্কৃতিয়ে সৃষ্টি কৰিছে অস্থিৰতা, অশান্তি, উৎকণ্ঠা আৰু উদ্বেগৰ পৰিবেশ। বিশেষকৈ সৃষ্টি হৈছে ভোগবাদৰ পৰিবেশ। নিশ্চিতভাৱে দুখীয়া দেশসমূহৰ দৰিদ্ৰ জনসাধাৰণৰ আপোন ৰুচিবোধ, জাতীয় সংস্কৃতি, জীৱন নিৰ্বাহৰ নূন্যতম সা-সামগ্ৰীৰ বিপৰীতে বিভিন্ন প্ৰচাৰ মাধ্যমৰ যোগেদি অনেক ৰঙচঙীয়া, মোহময় সম্ভোগৰ বাসনৰ বীজ সিঁচি দি তেওঁলোকক বিভ্ৰান্ত কৰি তোলা হৈছে। সহজে ধন ঘটি ভোগ বাদত মত্ত হ'বলৈ তেওঁলোকক প্ৰৰোচিত কৰা হৈছে।

বৰ্ত্তমান ভাৰতবৰ্ষ হৈছে দুৰ্নীতিৰ এখন ভূ-স্বৰ্গ। হাজাৰ-হাজাৰ কোটিটকীয়া কেলেংকাৰিৰ পৰা এনৰেগাৰ দিন মজুৰিৰ টকা কেইটালৈছে দুৰ্নীতিৰ দৌৰাত্ম্য। পাঁচ হাজাৰ বছৰীয়া সনাতনী সংস্কৃতিৰ ঠাইত খোপনি পুতিছেহি তথাকথিত ভোগবাদে। সমাজত বিভিন্ন স্তৰত সহজতে ধন ঘটাৰ প্ৰৱণতাই পোখা মেলিছে। অৱশেষত দধীচি মুনি, গৌতম বুদ্ধ, মহাত্মা গান্ধীৰ দেশখন পৰিণত হ'ল পৃথিৱীৰ সপ্তমখন দুৰ্নীতি গ্ৰস্ত দেশত। অতীতকালৰ ভাৰতবৰ্ষৰ একেবাৰে দুৰ্নীতি নাছিল বুলি কোৱাটো সঠিক নহ'ব। মোগল সাম্ৰাজ্যত তলে-ওপৰে দুৰ্নীতিৰ প্ৰয়োভৰ ঘটিছিল। আচল দুৰ্নীতিৰ পোহাৰখন মেল খাইছিল ৰবাৰ্ট ক্লাইব, ৱাৰেণ হেষ্টিংছ আদি ইংৰাজ সকলৰ দিনত। ৰবাৰ্ট ক্লাইবেই প্ৰথম লুণ্ঠনাৰাজ আৰম্ভ কৰিছিল। দ্বিতীয় মহাসমৰৰ পিছৰপৰা ৰাজহুৱা ধনৰ আত্মসাতৰ পৰম্পৰা তীব্ৰতৰ হৈ উঠে। আজিৰ দিনত ভাৰতে কমনওয়েলথ, এছিয়ান গেমছ আদি পাতি আৰু এখোজ আগুৱাই যাবৰহে সুযোগ পালে। আজিৰ তাৰিখত দুৰ্নীতি মুক্ত ভাৰতীয় গণতন্ত্ৰ যেন এক অলীক দিবাস্বপ্ন।

অসম হেনো মূৰৰ পৰা গেলিছে। বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশিত সূত্ৰমতে অসমৰ শাসনৰ বাঘজৰী হাতত লোৱা প্ৰায় বৃহদাংশ ৰাজনীতিকেই দুৰ্নীতি পৰায়ণ। এই দুৰ্নীতি সৰ্বস্ব ৰাজনীতিক সকলে কেৱল যে ৰাজ্যখনৰ উন্নয়নৰ ধাৰাকে স্তব্ধ কৰিছে এনে নহয়, ৰাজ্যখনৰ নৈতিক, সামাজিক তথা শৈক্ষিক বাতাবৰণো কলুষিত কৰিছে।

সমাজত বিভিন্ন স্তৰত সহজতে ধন ঘটাৰ প্ৰৱণতাই পোখা মেলিছে। অৱশেষত দধীচি মুনি, গৌতম বুদ্ধ, মহাত্মা গান্ধীৰ দেশখন পৰিণত হ'ল পৃথিৱীৰ সপ্তমখন দুৰ্নীতি গ্ৰস্ত দেশত। অতীতকালৰ ভাৰতবৰ্ষৰ একেবাৰে দুৰ্নীতি নাছিল বুলি কোৱাটো সঠিক নহ'ব। মোগল সাম্ৰাজ্যত তলে-ওপৰে দুৰ্নীতিৰ প্ৰয়োভৰ ঘটিছিল। আচল দুৰ্নীতিৰ পোহাৰখন মেল খাইছিল ৰবাৰ্ট ক্লাইব, ৱাৰেণ হেষ্টিংছ আদি ইংৰাজ সকলৰ দিনত। ৰবাৰ্ট ক্লাইবেই প্ৰথম লুণ্ঠনাৰাজ আৰম্ভ কৰিছিল।

কৃষিপ্ৰধান ৰাজ্যখনৰ কৃষিখণ্ডই আটাইতকৈ বেছি অৱহেলিত। চনপৰা মাটি, বালি পৰা মাটি, বান বিধবস্ত মাটি, নিবনুৱা হৈ থকা কৃষি স্নাতম, অন্য ৰাজ্যৰ পৰা অহা কৃষিজাত খাদ্য সামগ্ৰী আদিৰ পৰিসংখ্যাত চকু ফুৰালে চকু কপালত উঠে। ঘৰুৱা উৎপাদন তথা থলুৱা যুৱকৰ সংস্থাপন উৎস অসমৰ উদ্যোগসমূহ — বৰুৱা বামুণ গাঁৱৰ অসম সমবায় চেনিকল, গোলাঘাটৰ স্বহীদ কুশল কোঁৱৰ সূতাকল, জাগীৰোডৰ অসম পলিটেক্স, বিজনীৰ অসম বস্ত্ৰ নিগম, বইটামাৰীৰ অসম সমবায় সূতাকল, অসম এগ্ৰ'ইণ্ডাষ্ট্ৰি ডেভেলপ্মেন্ট ক'পৰেচন, নগাঁৱৰ কামপুৰ সমবায় চেনিকল, ৰঙিয়াৰ তুলসীবাৰীৰ এপ'ল বস্ত্ৰ উদ্যোগ আদিৰ এখন দীঘল তালিকা। ৰাজনীতিক সকলৰ অবাঞ্চিত হস্তক্ষেপ, স্বজন প্ৰীতি, দুৰ্নীতি আদিৰ কবলত পৰি মৰি থাকিল এই উদ্যোগক সমূহ । উৎপাদনশীল, কৰ্ম্ম চঞ্চল এই উদ্যোগ সমূহ পুনৰ

জী-উঠাৰ সম্ভাৱনা নাই। এসময়ত ৰাজ্যখনৰ এক সফল উদ্যোগ হিচাপে বিবেচিত হৈছিল ষ্টেট্‌ফেড্। প্ৰায় চাৰিশ কৰ্মচাৰীৰ উদ্যোগী সেৱাৰ ফলত উজ্বলি উঠিব খোজা উদ্যোগটোৰ অপ্ৰত্যাশিত অপমৃত্যুৰ মুল অভিযোগটো আছিল ৰাজনৈতিক নেতাৰ দুৰ্নীতি। অসমৰ ৰাজনৈতিক নেতাৰ হস্তক্ষেপ আৰু লুণ্ঠনৰ বাবেই কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰি দিছিল অসমৰ 'গ্ৰামোন্নয়ন অভিকৰণ' নামৰ বিভাগটো। উত্তৰ কাছাৰৰ এহেজাৰ কোটিটকীয়া কেলেংকাৰিৰ কথা কোনে নাজানে। নেচনেল গেমছৰ নিচিনা মহত্ব পূৰ্ণ খেলে অসমৰ বুকুত ধৰাশায়ী হৈ পৰিল দুৰ্নীতিৰ কলংকৰে। বৰ্ত্তমান কোনটো বিভাগত দুৰ্নীতি নাই ? দেশপ্ৰেম, মানৱপ্ৰেম ৰহিত, ৰাজনৈতিক নেতাসকলৰ ছত্ৰছাঁয়াত তেওঁলোকৰ কলংকময় পদাংক অনুসৰণ কৰে এচাম কৰ্তৃত্বশীল বিষয়া কৰ্মচাৰীয়ে। এচাম স্বভাৱগত দুৰ্নীতি পৰায়ন বিষয়া কৰ্মচাৰী নথকা নহয়। মগজুত উৎসৰ্গিত সেৱাৰ মানসিকতা সক্ৰিয় হৈ থাকিলে টেবুলৰ তলেদি অহা ধনক চুবলৈ হাত দুখন কেতিয়াও আগবাঢ়ি নাযায়। কিছুমান সৎ বিষয়া কৰ্মচাৰীয়েও পৰিস্থিতিৰ দৌৰাত্ম্য স্বীকাৰ কৰিবলৈ বাধ্য হয়। অসমৰ সামাজিক জীৱনৰ সৰ্বস্তৰক কুলষিত কৰা এই আগ্ৰাসী দুৰ্নীতিৰ পৰম্পৰা সম্পৰ্কত লিখা হোমেন বৰগোঁহাঞি দেৱৰ সম্পাদনাত প্ৰকাশিত "আমাৰ অসম" ৰ এটি সম্পাদকীয়ৰ কিয়দাংশ উদ্ধৃত কৰিলো। বৰগোহাঞিদেৱে লিখিছে — "একে এষাৰে ক'বলৈ গ'লে অসমৰ অদূৰ ভৱিষ্যত একেবাৰে অতি অন্ধকাৰ। তাৰ প্ৰথম কাৰণ হ'ল অসমৰ ৰাজনৈতিক কালচাৰ, ৰাজনৈতিক নেতৃত্ব। ৰাজনীতি হৈছে দুৰ্নীতিৰ নামান্তৰ, অৰ্থাৎ যিসকল লোকক আমি ৰাজনীতি কৰা বুলি কওঁ, তেওঁলোকে আচলতে কৰে দুৰ্নীতি। দুৰ্নীতি কৰিম বুলিয়েই তেওঁলোকে ৰাজনীতিলৈ আহে। নগন্য ব্যতিক্ৰম দুই এটা থাকিব পাৰে, কিন্তু ব্যতিক্ৰমে সদায় নিয়মটোহে প্ৰমাণ কৰে। কোৱা বাহুল্য যে যিটো ব্যৱসায় কৰি আটাইতকৈ কম সময়ৰ ভিতৰতে বেছি ধন সম্পত্তি ঘটিব পাৰে, সেই ব্যৱসায়তো হ'ল ৰাজনীতি। দুৰ্নীতি মানে কি ? চৰকাৰী বা ৰাজহুৱা ধনৰ নিৰ্লজ্জ অবাধ লুণ্ঠন। দুখীয়া শ্ৰমজীৱি মানুহৰ কাৰণে যিমান পৰিমানৰ চৰকাৰী ধন মঞ্জুৰ হয় তাৰ সৰহ ভাগকেই আত্মসাৎ কৰে। আত্মসাৎ কৰে মন্ত্ৰী আৰু বিষয়াই। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ফ্ৰান্স, কানাডা, জাৰ্মানী আদি বিশ্বৰ উন্নত দেশ সমূহতো দুৰ্নীতি চলে। কিন্তু এই দেশ সমূহত চলা দুৰ্নীতি পুঁজিপতি, উদ্যোগপতি তথা সমাজৰ শীৰ্ষ স্তৰতে সীমাবদ্ধ থাকে। উন্নয়নশীল দেশ বা অনুন্নত দেশ সমূহত মন্ত্ৰী, আমোলা, বিষয়া কৰ্মচাৰীৰ পৰা দৰিদ্ৰ জনসাধাৰণলৈকে দুৰ্নীতি সংক্ৰমিত হয়। ফলত এই দেশ সমূহত বৃদ্ধি পায় সামাজিক বৈষম্য, সামাজিক অস্থিৰতা, হিংসা, নৃগোষ্ঠীয় সংঘাত। শাসন যন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ অবিশ্বাস, অনাস্থা বৃদ্ধি পায়। সমস্ত দুৰ্নীতি নিবাৰক আইন, আয়োগ, অনুসন্ধান সমিতি আদিৰ প্ৰতিও আস্থা নাইকিয়া হৈ যায় জনসাধাৰণৰ। বৰ্তমান এয়ে হৈ আছে ভাৰতবৰ্ষত। আমাৰ অসম ভূমিত।

অসমৰ এগৰাকী অৱসৰপ্ৰাপ্ত মুখ্য সচিবে ২০০৭ চনৰ ৭ নৱেম্বৰৰ "দি আসাম ট্ৰি বিউন" কাকতত মন্তব্য কৰিছিল — "আমাৰ জনকল্যাণৰ কাৰণে অনুমোদিত ৰাজহুৱা ধন ব্যক্তিগত পেড়াত ভৰাই গুৱাহাটীত শ, শ এপাৰ্টমেন্ট তৈয়াৰ কৰা হৈছে আৰু লাখ, লাখ টকাত যোগান ধৰা হৈছে একেই অতি দুৰ্নীতি পৰায়ণ ভ্ৰষ্টাচাৰী লোকসকলক।"

উন্নয়নশীল দেশ বা অনুন্নত দেশ সমূহত মন্ত্ৰী, আমোলা, বিষয়া কৰ্মচাৰীৰ পৰা দৰিদ্ৰ জনসাধাৰণলৈকে দুৰ্নীতি সংক্ৰমিত হয়। ফলত এই দেশ সমূহত বৃদ্ধি পায় সামাজিক বৈষম্য, সামাজিক অস্থিৰতা, হিংসা, নৃগোষ্ঠীয় সংঘাত। শাসন যন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ অবিশ্বাস, অনাস্থা বৃদ্ধি পায়। সমস্ত দুৰ্নীতি নিবাৰক আইন, আয়োগ, অনুসন্ধান সমিতি আদিৰ প্ৰতিও আস্থা নাইকিয়া হৈ যায় জনসাধাৰণৰ। বৰ্তমান এয়ে হৈ আছে ভাৰতবৰ্ষত। আমাৰ অসম ভূমিত।

অসমৰ ৰাজনীতিৰ অন্যতম সৎ, নিৰ্ভীক, সমাজ জীৱনৰ প্ৰতি গভীৰভাৱে দায়বদ্ধ, প্ৰবীন ৰাজনীতিক, অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহক ২০০৫ চনত "আমাৰ অসম" কাকতৰ সাপ্তাহিক "পূৰ্বাচল" ৰ ফালৰ পৰা

হোৱা এটি অন্তৰংগ আলাপত প্ৰশ্ন কৰা হৈছিল — "অসমৰ ভৱিষ্যত কি? " এক মুহূৰ্তত পলম নকৰি তেখেতে উত্তৰ দিছিল —— "দুৰ্নীতি ৰোধেই ঘাই কথা। যি দিনাই দুৰ্নীতি নিমূলৰ বাবে এটা দল নেতৃত্বলৈ আহিব তেতিয়াই অসমৰ অৱস্থা ভাললৈ আহিব।"

অতি দুৰ্নীতি পৰায়ণ বুলি দুৰ্নাম অৰ্জা এখন দেশত অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আইনী, ন্যায়িক আদি সকলো ক্ষেত্ৰতে দুৰ্নীতিৰ পয়োভৰ ঘটে। আমাৰ দেশৰ আন্তঃআইনী ব্যৱস্থাত যদি কোনো সুৰভা নাথাকিলহেঁতেন, যদি আইনৰ অপপ্ৰয়োগ নহ'লহেঁতেন, ন্যায়িক ব্যৱস্থা যদি সুলভ হ'লেহেঁতেন, বিচাৰ বা ৰায়দান প্ৰক্ৰিয়াৰ অতি বিলম্ব যদি নহ'লহেঁতেন, তেন্তে দেশখনত দুৰ্নীতিৰ মাত্ৰা নিশ্চিতভাৱে নাবাঢ়িলহেঁতেন। কোৱা হয়, আমাৰ দেশত 'বৃটিছ ৰাজ'ৰ পিছত চালু হ'ল 'মন্ত্ৰী আৰু আমোলা'ৰ ৰাজ। সঁচাকৈ, এচাম মন্ত্ৰী আৰু আমোলাৰ অবৈধ,অবাধ আধিপত্যতেই সমাজত দেশ-প্ৰেম, জাতি-প্ৰেমৰ বাতাবৰণ বেয়াকৈ নষ্ট হ'ল বুলিব পাৰি। কিন্তু এতিয়াও সময় পাৰ হৈ যোৱা নাই। দুৰ্নীতি মুক্ত সমাজ এখন, দুৰ্নীতি মুক্ত শাসন ব্যৱস্থা পুনৰ গঢ়ি তুলিবলৈ পৰাকৈ অন্তিম সময় এতিয়াও পাৰ হৈ যোৱা নাই। বিশ্বৰ দেশে দেশে পালন কৰিবলৈ লোৱা ৯ ডিচেম্বৰৰ " বিশ্ব দুৰ্নীতি প্ৰতিৰোধী দিৱসে" এই তাৎপৰ্যকে বহন কৰিছে। ❑

দুৰ্নীতি পৰায়ণ বুলি দুৰ্নাম অৰ্জা এখন দেশত অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আইনী, ন্যায়িক আদি সকলো ক্ষেত্ৰতে দুৰ্নীতিৰ পয়োভৰ ঘটে। আমাৰ দেশৰ আন্তঃআইনী ব্যৱস্থাত যদি কোনো সুৰভা নাথাকিলহেঁতেন, যদি আইনৰ অপপ্ৰয়োগ নহ'লহেঁতেন, ন্যায়িক ব্যৱস্থা যদি সুলভ হ'লেহেঁতেন, বিচাৰ বা ৰায়দান প্ৰক্ৰিয়াৰ অতি বিলম্ব যদি নহ'লহেঁতেন, তেন্তে দেশখনত দুৰ্নীতিৰ মাত্ৰা নিশ্চিতভাৱে নাবাঢ়িলহেঁতেন।

**প্ৰাসংগিক আধাৰ ঃ**


১. Society of India : Ram Ahuja.

২. হোমেন বৰগোহাঞি দেৱৰ সম্পাদনাৰ "আমাৰ অসম" কাকতৰ এটি সম্পাদকীয়।

৩. পূৰ্বাচল ঃ ২৬ ডিচেম্বৰ, ২০০৮ ঃ প্ৰমোদ শৰ্মাৰ প্ৰবন্ধ।

৪. সন্তাৰ ঃ ২৬ ডিচেম্বৰ, ২০০৮ ঃ ড° দীনেশ বৈশ্যৰ প্ৰবন্ধ।

৫. পূৰ্বাচল ঃ ১৫ মে', ২০০৫ ঃ শৰৎ চন্দ্ৰ সিংহৰ "যিদিনা দুৰ্নীতি নিমূলৰ ........।"

৬. কৰ্মযজ্ঞ স্মৃতিগ্ৰন্থ ঃ ২ জানুৱাৰী, ২০১০ ঃ ত্ৰিদিব লস্কৰৰ "দুৰ্নীতিৰ আধাৰ........।"

# বেলতলা মহাবিদ্যালয়ৰ

## কৰ্মজীৱনৰ কিছু কথা ...

মৃগেন শৰ্মা
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

**১৯৮৩** চনত প্ৰতিষ্ঠা লাভ কৰা বৃহত্তৰ বেলতলা অঞ্চলৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান বেলতলা মহাবিদ্যালয়। ইতিহাস প্ৰসিদ্ধ বেলতলা অঞ্চলত অৱস্থিত হ'লেও ২৮ বছৰ গৰকি যোৱা শিক্ষানুষ্ঠানখন মহানগৰীৰ ভিতৰত আজিও কিন্তু প্ৰসিদ্ধ হৈ উঠা নাই। অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানৰ মৰ্মবেদনা বুকুত বান্ধি ২৮ বছৰে ঘাত-প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। সুদীৰ্ঘ কালছোৱাত স্থানীয় একাংশ ছাত্ৰ-ছাত্ৰীৰ লগতে দূৰ-দূৰণিৰ পৰা অহা ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰি তেওঁলোকৰ জীৱন গঢ়াত শিক্ষানুষ্ঠানখনে যদি সামান্যতম অৰিহণা যোগাব পাৰিছে তেন্তে সেইসকল মহানুভৱ ব্যক্তিৰ শ্ৰম আজি সাৰ্থক হোৱা বুলি আমি অনুভৱ কৰিছোঁ যি সকলে এই মহান শিক্ষানুষ্ঠানখনৰ জন্ম যন্ত্ৰণাৰ সৈতে জড়িত হৈ আছে। বেলতলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক ব্যক্তিসকল আমাৰ বাবে সদায় আদৰণীয় হৈ ৰ'ব।

বেলতলা মহাবিদ্যালয়ে প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈ এই সুদীৰ্ঘ পথছোৱা অতিক্ৰম কৰাৰ অন্তৰালত লুকাই আছে বহুজনৰ কষ্ট আৰু ত্যাগ। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ বিষয়ে আৰু তাৰ পৰৱৰ্তী যাত্ৰা পথৰ বহু অভিজ্ঞতাৰ কথা আমি জ্যেষ্ঠ সহকৰ্মী তথা কাৰ্যালয় সহায়ক সকলৰ পৰা জানিব পাৰিছিলো। এই মহাবিদ্যালয়ৰ প্ৰথম শ্ৰেণীসমূহ আৰম্ভ হৈছিল খানাপাৰাৰ গণেশ মন্দিৰ বিদ্যালয়ত। মমৰ পোহৰত নৈশ শাখাত আৰম্ভ হোৱা শ্ৰেণী কোঠাৰ পৰাই বহু ছাত্ৰ-ছাত্ৰীয়ে হয়তো জীৱন গঢ়িলে কিন্তু শিক্ষক-কৰ্মচাৰীৰ জীৱন অপৰিবৰ্তনীয় হৈয়ে থাকিল। দুই-একে অৱসৰো গ্ৰহণ কৰিলে। এনেদৰে প্ৰতি বছৰে নতুন আশাৰে বাট চাই বেলতলা মহাবিদ্যালয়ৰ অবিৰত যাত্ৰা চলি থাকিল।

১৯৯০-৯১ চনত বেলতলা মহাবিদ্যালয় খানাপাৰাৰ গণেশ মন্দিৰ বিদ্যালয়ৰ পৰা বৰ্তমানৰ স্থানলৈ স্থানান্তৰিত হৈ নিজৰ স্থায়ী ঠিকনা গঢ়ি তোলে। উক্ত সময়চোৱাত বেলতলাৰ স্থানীয় অঞ্চলসমূহ আজিৰ দৰে উন্নত হৈ উঠা নাছিল। জনবসতিও পাতল আছিল আনকি বিভিন্ন স্থানত তেতিয়াও সেউজীয়া ধাননি পথাৰৰ শোভাই সকলোৰে মন আকৰ্ষিত কৰি ৰাখিছিল। সেই সময়ত পৰিবৰ্তনৰ ধুমুহাই বেলতলা অঞ্চল স্পৰ্শ কৰিছিল যদিও ৰাস্তা-ঘাট, বিজুলী বাতি, খোৱা-পানী আদিৰ ব্যৱস্থা আছিল তথৈবচ। মানুহবোৰ আছিল সহজ-সৰল। বেলতলা মহাবিদ্যালয়খন আমাৰ অঞ্চললৈ আহিব বুলি মানুহৰ মুখে মুখে শুনিছিলো। এদিন সচাঁকৈয়ে এই স্থানত মহাবিদ্যালয়খন গঢ়ি উঠিল। আমি তেতিয়া কলেজীয়া ছাত্ৰ। নিজৰ অঞ্চলত এখন মহাবিদ্যালয় স্থাপন হোৱাত মনত আনন্দৰ জোৱাৰ উঠিছিল। বৰ্তমানে যি স্থানত মহাবিদ্যালয়খন আছে সেই খিনি ঠাইত জিলিকিছিল আমাৰ অঞ্চলটোৰ আদিপাঠ দিয়া বেলতলা মাঝিপাৰা প্ৰাথমিক বিদ্যালয়খন। এই লেখকেও এইখন প্ৰাথমিক বিদ্যালয়তে জীৱনৰ আদিপাঠ গ্ৰহণ কৰিছিলোঁ। প্ৰাথমিক বিদ্যালয়ৰ স্মৃতি হিচাপে আছে এতিয়া মহাবিদ্যালয়ৰ ভিতৰত সোমাই থকা শিমলু আৰু বৃহৎ আঁহত জোপা। আমি অধ্যয়ন কৰি থকা সময়ত মহাবিদ্যালয়ৰ গাতে লাগি থকা বাসিন্দা সকলে তাত তেতিয়াও বসবাস আৰম্ভ কৰা নাছিল। ঠাইখিনিৰ উত্তৰ-পশ্চিম ফালে এটি বৃহৎ পুখুৰী আছিল। পুখুৰীৰ পাৰত মুকলি পথাৰখনত বনগাওঁ, মাঝিপাৰাৰ লোক সকলৰ সহযোগত এল পি স্কুলে সৰিয়হৰ খেতি কৰিছিল। সৰিয়হ বেচি পোৱা পইচাৰে স্কুলৰ যাৱতীয় কাম-কাজ কৰাৰ উপৰিও আমি বশিষ্ঠ মন্দিৰলৈ বনভোজ খাবলৈ যোৱা মনত আছো যোৱা শতিকাৰ সত্তৰৰ দশকৰ পৰা গুৱাহাটীৰ ভিতৰত পিচপৰা দক্ষিণ বেলতলাৰ এই অঞ্চলটোত এল, পি, স্কুলখনক কেন্দ্ৰ কৰি (বৰ্তমান মহাবিদ্যালয়ৰ উত্তৰ দিশত, স্থাপিত ১৯৬০) একে ঠাইতে দক্ষিণ বেলতলা মধ্য ইংৰাজী বিদ্যালয় (স্থাপিত ১৯৭৬), দক্ষিণ বেলতলা হাইস্কুল (স্থাপিত ১৯৭৫) প্ৰতিষ্ঠা হৈ এক সুন্দৰ শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰে। পিছলৈ উচ্চ শিক্ষাৰ লক্ষ্যৰে বেলতলা মহাবিদ্যালয় পদাৰ্পণ কৰাত ৰাইজৰ মাজত এক নতুন আশাৰ সঞ্চাৰ হয়।

১৯৯৬ চনত বুকুত বহু আশা লৈ আমিও প্ৰবক্তা হিচাপে এই মহাবিদ্যালয়ত যোগদান কৰিছিলো। এজন স্থানীয় শিক্ষক হোৱাৰ সুবাদতে মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে প্ৰায় সকলো দিশতে আগভাগ ল'ব লগা হৈছিল। আমি সকলোৱে দেহে-কেহে কষ্ট কৰি আহিছোঁ যাতে মহানগৰীৰ আন শিক্ষানুষ্ঠানৰ দৰেই বেলতলা মহাবিদ্যালয়ো এদিন আগশাৰীৰ মহাবিদ্যালয় হিচাপে গঢ়ি উঠে। অৱশ্যে আমি যোগদান কৰাৰ

সময়ত মহাবিদ্যালয়ৰ উন্নয়নৰ গতি একপ্ৰকাৰ স্থবিৰ হৈ আছিল। এই স্থবিৰতা তথা বাধা-বিঘিনি দূৰ কৰাৰ বাবে ভালেখিনি কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। সেই সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হজৰত ভূঞা জ্যেষ্ঠ প্ৰবক্তা ৰত্নেশ্বৰ লহকৰ প্ৰমুখ্যে কেইজনমানক লগত লৈ আমি স্থানীয় একাংশ ব্যক্তিক লগ ধৰি মৰহি যাব ধৰা কলেজখন ৰক্ষাৰ বাবে আগভাগ লৈছিলো। স্থানীয় লোকসকলৰ পৰামৰ্শ অনুসৰি ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই পূৰ্বৰ সমিতি ভংগ কৰি বেলতলা মহাবিদ্যালয়ৰ নতুন পৰিচালনা সমিতি গঠন কৰে। ড° মোহন বৰা আৰু জয়ন্ত কুমাৰ দাসক ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে লৈ গঠন কৰা সমিতিখনে মহাবিদ্যালয়খনক এক নতুন মাত্ৰা প্ৰদান কৰে। এই ক্ষেত্ৰত মনত পেলাব লাগিব সেই সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হজৰত ভূঞাক। দৰাচলতে তেওঁৰ তৎপৰতাৰ বাবেই আমি সকলোৱে মহাবিদ্যালয়খন গতিশীলতা প্ৰদান কৰিবলৈ সক্ষম হওঁ। নতুন পৰিচালনা সমিতিয়ে দুমাহ-তিনিমাহ পিছতহে কাৰ্যভাৰ গ্ৰহণ কৰে। এই ক্ষেত্ৰত সুঁৱৰিব লাগিব পূৰ্বৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ প্ৰতুল গোস্বামীদেৱক। তেওঁ মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি অসুস্থ দেহাৰে আমাক সহযোগ আগবঢ়াইছিল। অন্যহাতে অধিবক্তা ভাৰ্গৱ চৌধুৰী, তদানীন্তন শিক্ষাধিকৰ্তা টাবুৰাম টাইড চাৰ আদিৰ সহায় সহযোগ আমি পাহৰিব নোৱাৰিম।

> একে ঠাইতে দক্ষিণ বেলতলা মধ্য ইংৰাজী বিদ্যালয় (স্থাপিত ১৯৭৬), দক্ষিণ বেলতলা হাইস্কুল (স্থাপিত ১৯৭৫) প্ৰতিষ্ঠা হৈ এক সুন্দৰ শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰে। পিছলৈ উচ্চ শিক্ষাৰ লক্ষ্যৰে বেলতলা মহাবিদ্যালয় পদাৰ্পণ কৰাত ৰাইজৰ মাজত এক নতুন আশাৰ সঞ্চাৰ হয়।

১৯৯৬ চনত গঠিত সমিতিখনে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কাৰণে লাহে লাহে কাম-কাজ আৰম্ভ কৰে। মন কৰিবলগীয়া যে উক্ত সময়ছোৱাত শিক্ষক-কৰ্মচাৰীয়ে যি সামান্যতম বেতন পাইছিল সেয়াও লাভ কৰাত অসুবিধা হৈছিল। বন্ধুবৰ জয়ন্ত কুমাৰ দাসে আমাক লগত লৈ শুভাকাংক্ষী সকলৰ পৰা অলপ অচৰপ বৰঙণি সংগ্ৰহ কৰি আনি উক্ত সময়চোৱাত শিক্ষক-কৰ্মচাৰী সকলক এমাহ-দুমাহৰ বেতন দিয়ে।

১৯৯১ চনত বেলতলা মহাবিদ্যালয় খানাপাৰাৰ গণেশ মন্দিৰ বিদ্যালয়ৰ পৰা আহি এই স্থানত তৰ্জা বেৰ আৰু টিনৰ চালিৰ স্মৃতি বুকুত বান্ধি শ্ৰেণী কোঠাসমূহ সাজি উলিয়ায়। ১৯৯৪-৯৫ চন মানত তেতিয়াৰ পৰিচালনা সমিতিয়ে শ্ৰেণী কোঠাৰ বাবে অসম আৰ্হিৰ এটি ঘৰ নিৰ্মাণ কৰে। সেই ঘৰৰ ভেটিৰ মাটি ভৰ্তি কৰিবলৈ আমাৰ জ্যেষ্ঠ সহকৰ্মী সকলৰ বহুজনে অশেষ কষ্ট স্বীকাৰ কৰিব লগীয়া হয়। ১৯৯৮ চনত ড° মোহন বৰাৰ সমিতিয়ে আন এটি অসম আৰ্হিৰ ঘৰ নিৰ্মাণ কৰে। সেই সময়তে ১৯৯৯ চনত বেলতলাৰ ওৱাৰলেচ নিবাসী ° মিত্ৰদেৱ মহন্তৰ সোঁৱৰণত তেওঁৰ পৰিয়ালবৰ্গই মহাবিদ্যালয়ৰ কাৰ্যালয় আদিৰ বাবে 'মিত্ৰ ভৱন'টি নিৰ্মাণ কৰি দিয়ে। তদানীন্তন পৰিচালনা সমিতিৰ সদস্যা শ্ৰীযুতা নিৰ্ৰণ শইকীয়াই স্বামীৰ সোঁৱৰণত নিৰ্মাণ কৰে ˚নগেন শইকীয়া সোঁৱৰণী তোৰণ। শ্ৰীযুত নৰেন্দ্ৰ নাথ টায়েৰ ব্যক্তিগত তৎপৰতাত নিৰ্মাণ হয় আমাৰ মহাবিদ্যালয়ৰ পকী বেৰ। তেওঁৰ এই সহযোগ আমি পাহৰিব নোৱাৰিম। কিয়নো পকী বেৰ নিৰ্মাণৰ পিছতহে ড° মোহন বৰাই মহাবিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰ স্থাপন কৰিবলৈ সক্ষম হয়। তেওঁৰ নেতৃত্বত আমাৰ মহাবিদ্যালয়ৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিকৰ 'কনকাৰেঞ্চ'ৰ কাম ২০০১ চনত সম্পূৰ্ণ হয়। ইয়াৰ পিছত শ্ৰীযুত ৰোহিণী কুমাৰ শৰ্মা চাৰৰ নেতৃত্বত ২০০৪ চনত ফাইনেল 'কনকাৰেঞ্চ'ৰ কাম সম্পূৰ্ণ হয়। মহাবিদ্যালয়ৰ প্ৰথম দ্বিতীয় বাৰ্ষিকৰ অনুমতি আৰু বিশ্ববিদ্যালয় ভুক্তকৰণৰ বাবে যাৱতীয় কাম-কাজ কৰোতে ড° মোহন বৰা চাৰৰ তত্বাৱধানত আমি শিক্ষক-কৰ্মচাৰীয়ে তেতিয়াৰ অধ্যক্ষা চিতাৰা জাহান বাইদেউৰ লগত আগবঢ়াই নিছিলো। মন কৰিবলগীয়া যে সেই সময়ত মহাবিদ্যালয়ত আজিৰ দৰে পৰ্যাপ্ত শিক্ষক-কৰ্মচাৰী নাছিল বাবে এইবোৰ কাম-কাজ কৰোতে আমি যথেষ্ট দুখ-কষ্ট কৰিব লগা হৈছিল। মহাবিদ্যালয়ৰ সংশ্লিষ্ট কাম-কাজ কৰোতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° বনমালী নাথ, ড° নীলমণি বৰা, ড° চন্দ্ৰমোহন শৰ্মা প্ৰমুখ্যে বহুজনে আমাক দিহা-পৰামৰ্শ দি উৎসাহিত কৰিছিল। তেখেতসকলৰ ওচৰতো আমি চিৰ কৃতজ্ঞ।

সময়ৰ লগে লগে মহাবিদ্যালয়খনৰ অভাৱ-অভিযোগ নিশ্চয় বাঢ়িব। এখন অপ্ৰাদেশীকৃত মহাবিদ্যালয় হিচাপে ইয়াৰ সকলো অভাৱ দূৰ কৰা সম্ভৱ নহয় কিন্তু অনাগত দিনত বেলতলা মহাবিদ্যালয় এখন প্ৰাদেশীকৃত মহাবিদ্যালয়ৰ শাৰীত উঠিব — এয়ে আমাৰ আশা। ❑

*(এই লেখাত আমাৰ অভিজ্ঞতাৰে ঢুকি পোৱাখিনি প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে। মহাবিদ্যালয়ৰ লগত জড়িত ব্যক্তি আৰু বহু কথা বৈ যোৱা স্বাভাৱিক।*

# ৰঘুবংশ মহাকাব্যৰ
## প্ৰথম আৰু দ্বিতীয় সৰ্গৰ
## চমু আভাস

**ৰোহিণী কুমাৰ শৰ্মা**
প্ৰাক্তন অধ্যক্ষ, কামাখ্যা
উচ্চতৰ মাধ্যমিক বিদ্যালয়

**কবিকুল** শিৰোমণি, মহাকবি কালিদাস প্ৰণিত ৰধুবংশ মহাকাব্য পঞ্চমহাকাব্যৰ ভিতৰত অন্যতম। "সৰ্গোবিন্ধোমহাকাব্যম" বুলি মহাকাব্যৰ লক্ষণ সমূহ ৰঘুবংশ মহাকাব্যত সম্পূৰ্ণ বিৰাজমান।

এই কাব্যৰ মূল কাহিণী ৰামায়ণ আৰু বিষ্ণুপুৰাণৰ উপৰিও আন বিভিন্ন পুৰানৰ পৰা সংগ্ৰহ কৰা হৈছে।

ৰঘু বা ইক্ষাকু বংশৰ ২৯ জন ৰজাৰ বিৰৰণ ১৯ টা সৰ্গত বিভক্ত কৰি মহাকাব্যখনক কালজয়ী ৰূপত উপস্থাপন কৰিছে। ৰঘুবংশ মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ চমু আভাস তলত আলোচনা কৰা হ'ল।

"বাগৰ্থাৰিব সংপৃক্তৌ বাগৰ্থপ্ৰতি পত্তয়ে।
জগতঃ পিতৰৌ বন্দে পাৰ্বতী পৰমেশ্বৰৌ।।"(প্ৰথম সৰ্গ। ১।)

আৰম্ভণিতে অৰ্থাৎ প্ৰথম সৰ্গত মহাকবি কালিদাসে শিৱ আৰু পাৰ্বতীক সভক্তিৰে প্ৰণাম কৰি সূৰ্যবংশীয় ৰজাসকলক সোঁৱৰিছে। বৈৱস্বত মনুৰ পৰা উদ্ভৱ হোৱা বিৱস্বতৰ পুত্ৰ মণু আৰু পিছত দিলীপ ৰজাৰ জন্ম হয়। দিলীপ ৰজা ধাৰ্মিক, দয়ালু আৰু সুদক্ষ প্ৰশাসক ৰূপে বিদিত।তেওঁ প্ৰজাক নিজৰ পুত্ৰৰ দৰে মৰম কৰিছিল। ৰজাৰ প্ৰেয়সী ৰাণী মগধৰাজ কুমাৰী সুদক্ষিণাও সকলো গুণৰ অধিকাৰী আছিল। কিন্তু অতি দুখৰ বিষয় যে তেওঁ লোক অপুত্ৰক আছিল। পুত্ৰ পুত্ৰী নোহোৱাৰ কাৰণ কি তাকে জনাৰ উদ্দেশ্যে গুৰু বশিষ্ঠ মুনিৰ ওচৰলৈ গৈ আলোচনা কৰি জানিব পাৰিলে যে সৰগৰ সুৰভীকামধেনুক ৰজাই আহিবৰ সময়ত সন্মান সহকাৰে মাত এষাৰ নিদিয়াত সুৰভীয়ে অভিশাপ দিয়াৰ ফলত ৰজা-ৰাণী উভয়ে অপুত্ৰক হৈছে।"এতিয়া সুৰভি পাতালত থকা বাবে তেওঁৰ জীয়ৰী নন্দিনীক ব্ৰতত থাকি ২১ দিন সেৱা শুশ্ৰুষা কৰিলে অভিশাপ খণ্ডন হৈ ৰজা- ৰাণীৰ পুত্ৰ লাভ হ'ব"– এই বুলি গুৰুদেৱে কোৱাত ৰজা-ৰাণী তাকে কৰিবলৈ সন্মত হ'ল। গুৰু বশিষ্ঠৰ আদেশত ৰজা-ৰাণী কুশ শয্যাত শুই ব্ৰতত থাকি আশ্ৰমত থকা নন্দিনী ধেনুক সেৱা শুশ্ৰুষা কৰিবলৈ ব্যস্ত হৈ পৰিল। এই খিনিতে ৰঘুবংশ মহাকাব্যৰ প্ৰথম সৰ্গ সমাপ্তহৈ দ্বিতীয় সৰ্গৰ আৰম্ভণি বুলি উল্লেখ কৰা হৈছে।

"অথ প্ৰজানামধিপঃ প্ৰভাতে জয়োপ্ৰতিগ্ৰাহিত গন্ধমাল্যম।
বনায় প্ৰীতপ্ৰতি বদ্ধৱৎসাং যশোধনো ধেনুমৃষেৰ্মুমোচ।।" (দ্বিতীয় সৰ্গ।১।)

ৰাতিপুৱাই ৰজাই নন্দিণীক সেৱা কৰি পোৱালিটোক গাখীৰ খুৱাই বান্ধি থয় আৰু গাইজনীক হাবিলৈ তথা পথাৰলৈ ঘাঁহ খুৱাবৰ বাবে যাত্ৰা কৰে। কোমল ঘাঁহ বিচাৰি আনি গাইজনীক খাবলৈ দিয়ে আৰু গোটেই দিনটো সুৰক্ষা দিয়াৰ উপৰিও মহ, মাখি, ডাঁহ আদি আঁতৰাই ছায়াৰ দৰে ৰজাই একান্তমনে গাইজনীক অনুসৰণ কৰি থাকে। নন্দিণীও ৰজাৰ সকলো শুশ্ৰুষা সাদৰে গ্ৰহণ কৰে। সূৰ্য অস্ত যোৱাৰ লগে লগে গাইজনীৰ পিছে পিছে থাকি ৰজাই আশ্ৰমলৈ উভতি আহে। আশ্ৰমত ৰাণী সুদক্ষিণাইও ব্ৰতত থাকি গাই জনীৰ ঠেঙৰ খুৰাবোৰ ধুৱাই দি ধূপ-ধূণা সহ আখৈৰ পাত্ৰ লৈ চাৰিওফালে প্ৰদক্ষিণ কৰে। শিংদুটাৰ সৈতে কপালত ভক্তিমনে অৰ্চ্চনা কৰে। পিছত নন্দিণীৰ ওচৰলৈ পোৱালিটোক লৈ আহে আৰু পোৱালিটোৱে হেপাহ পলাই মাকৰ গাখীৰ খায়। বন্তি জলাই ৰাণীয়ে গুৰুদেৱৰ চৰন বন্দনা কৰি পুনৰ নন্দিণীৰ তথা ৰাতি টোপনি যোৱাৰ বাবে সুব্যৱস্থা কৰে। ৰাতিপুৱা গাইজনী টোপনিৰ পৰা সাৰ পাইউঠাৰ লগে লগে ৰজা-ৰাণীও একে লগে উঠি একান্ত মনে অতি শ্ৰদ্ধাৰে নন্দিণীৰ শুশ্ৰুষাত লাগি যায়।

অভিশাপৰ ফলত দেশৰ ৰজাও গৰু চৰাইফুৰা গৰখীয়া হ'বলগীয়া হয়। অহমিকা আতৰাই ৰজাক দান কৰাৰ দৰে এইখিনিতে এই মহাকাব্যত আধ্যাত্মিক জ্ঞান সত্যৰ সন্ধান

স্পষ্ট ৰূপত উজলি উঠে। ইয়াত প্ৰতি সৰ্গতে প্ৰকৃতিৰ জীৱন্ত ৰূপ আৰু দৈৱৰ স্বৰূপ উদঙাই দিয়াত ৰঘুবংশ মহাকাব্যই অমৰত্ব লাভ কৰিছে।

"স কীচকৈৰ্মাৰুত পূৰ্ণৰন্ধ্ৰৈঃ কুজদ্ভিৰাপাদিত বংশকৃত্যম।

শুশ্ৰাৱ কুঞ্জেষু মনঃ সমুচৈচৰুদগীয়মানং বনদেৱতাভিঃ।।" (২ য় সৰ্গ। ১২।)

ৰজা-ৰাণী উভয়ে অতি ভক্তি সহকাৰে নন্দিণীক শুশ্ৰুষা কৰে আৰু আশ্ৰমৰ গুৰুজনকো সমানে ভক্তি-শ্ৰদ্ধা কৰি শুশ্ৰুষাত ব্যস্ত থাকে। এইদৰে গাইজনীক ২১ দিন সেৱা শুশ্ৰুষা কৰাৰ পিছত সিদিনা নন্দিণীয়ে প্ৰকৃতিৰ ভক্তি পৰীক্ষাৰ বাবে ঘাঁহ খাই খাই দূৰলৈ যায়।

নাটকীয় ভক্তিমাৰে তলত আলোচনা উল্লেখ কৰা হ'ল—

সুখময় শব্দৰ কলনাদ আৰু সৰগীয় অনুভৱ!!

আচলতে মহৎ অনুভৱৰ দৰেই সুন্দৰ
প্ৰত্যেকগৰাকী মোৰ সুপ্ৰিয়া নাৰী। ❖❖

# বৰষুণ তুমি নামি আহা অন্য এক সূৰ্য হৈ

**মৃগেন শৰ্মা**
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ



সিদিনা আছিল দেওবাৰৰ এটা আবেলি
বৰষুণ এজাক আহিব বুলি
আমি আটায়ে বৈ আছিলো
পল অনুপল বহু সময়

কানিমুনি পোহৰত দেখিছিলো
দূৰৈৰ অস্বাস্থ্যকৰ গাওঁখন
তুঁহ জুইত জ্বলিছিল
স্বপ্নাতুৰ হৃদয়
হাতে হাতে একোখন প্লে-কাৰ্ড
আগবাঢ়িছিল এটা সমদল

এইবেলি বৰষুণ এজাক আহিব হ'বপায়
মুষলধাৰে বৰষুণ এজাক আহিব পাৰে
চোৱা, আকাশৰ সৌ চিক্‌মিকনি
বাউলী হৈ পৰা কৃষ্ণচূড়া জোপাৰ ৰঙা
আচলখন
বতাহত বাৰে বাৰে কঁপিছে—

সিদিনা আকাশক সুধিছিলো
অনুভৱ হয় নে তোমাৰ
মৰুভূমিৰ তপত বালিৰ
ধুমুহাৰ শব্দ—
অনুভৱ হয়নে তোমাৰ
হিংস্ৰ ক্ষুধাতুৰৰ দুচকুৰ ভাষা

তেনেহ'লে বৰষুণক তুমি নোকোৱা কিয়
পখালি দিয়ক আমাৰ
মুখ আৰু পেটৰ দুৰ্গন্ধ

বৰষুণ তুমি চলনাময়ী
তুমিয়েইতো উপচাই দিয়া নদীৰ দুয়োপাৰ
চপৰা-চপৰে খহাই
আঁকি দিয়া দুঃস্বপ্নৰ গড়াখহনীয়া
বৰষুণ তুমি প্ৰৱঞ্চক
তুমি বেছি আত্মকেন্দ্ৰিক
তুমি সুবিধাবাদী
তুমি সঘনে সলনি কৰিব পাৰা
পানী অনাৰ ঘাট

বৰষুণ তুমি সুন্দৰ অভিনয় কৰিব পাৰা
কাৰ্লমাক্সক নোসোধাকৈ 'ডাচকেপিটেল'
পঢ়িবলৈ কোৱা—
মুখাৰ আঁৰত মুখ লৈ জাতীয়তাবাদৰ মন্ত্ৰ পাঠ
কৰা

ছেক্সপীয়েৰৰ ভাও দিয়া জনক সোধাচোন
তেওঁ উপদেশ দিব ৰাতিৰ ভিতৰতে সাজিব
পাৰি
'মেখেলা উজুৱা বাট'
পূৰণ হৈছিল জানো নৰকাসুৰৰ হাবিয়াস
কিম্বা দুৰ্যোধনৰ অহংকাৰ
মই জানো তুমি আধুনিক যুগৰ শকুনি
কিন্তু তোমাৰ চলনাত আজিৰ কৌৰৱৰ নমৰে
বিষাক্ত সৰীসৃপ হৈও আজিলৈ দংশন কৰিব
নোৱাৰিলা যুগৰ এলান্ধু

বৰষুণ তুমি যিয়েই নোহোৱা
তুমি নামি আহা
এটি সুৰ হৈ এটি গীত হৈ
নদী হৈ জুৰি হৈ
বৰষুণ তুমি নামি আহা
অন্য এক সূৰ্য হৈ..............

# অথচ দুয়ো মানুহ

কামাৰুজ জামান
সহযোগী অধ্যাপক, ইংৰাজী বিভাগ

একেলগে গৈ আছে দুটি কিশোৰ, শিশুও হ'ব পাৰে
একেই সিহঁতৰ বয়সো... হয়তো ছয়-সাত-আঠ
চহৰীয়া পৰিবেশ, - গুৱাহাটী বুলিলেও হ'ব
আজিৰ গুৱাহাটী — সভ্যতাৰ ডাষ্টবিন - গুৱাহাটী..

ইপিনে সিপিনে চাই
একেলগেই আগুৱাই গইছে দুয়ো..
ছন্দোবদ্ধ গমন দুয়োজনৰ-
এজনৰ - খোজত, চাৱনিত, কটাক্ষত...
দৃঢ়তাৰ আৰু প্ৰত্যয়ৰ
আৰু অইনজনৰ ছন্দ - সোঁৰে-বাঁৱে পায় নেকি
ক'ৰবাত
এটি দুটি বিচৰা বস্তু -বেচিব পৰা,

দুয়োৰে কান্ধত মোনা আছে, ওলোমাই লোৱা
এজনৰ ফিটাৰে, দুয়ো কান্ধত- পিঠিত
আনজনৰো কান্ধতেই.. বাওঁ কান্ধত, বাওঁ হাতেৰে
ধৰা
এজনৰ মোনাত কিতাপ-কলম-বহী-ৰঙীণ পেঞ্চিলৰ
বাকচ-টিফিন
আইনজনৰ পেলনীয়া পলিথিনৰ মোনা, লেতেৰা
কাগজ, পেলনীয়া ৰুটীৰ টুকুৰা, মিনাৰেল ৱাটাৰৰ-
কোল্ড ড্ৰিংকছৰ বটল, ধাতুৰ টুকুৰা.. আৰু
এশ-এবুৰি অন্যান্য সামগ্ৰী, তাৰ ভাষাত
"ভাঙাচোৰা"
এজনৰ সোঁ হাতত ফ'ল্ডিং ছাতা
অইলজনৰ ডাষ্টবিন খুচৰা লোৰ শলা
এজনৰ ভৰিত শীতৰ ঠাণ্ডাত কষ্ট নাপাবলৈ
দীঘল মোজাৰে সৈতে বন্ধা ছিঙা চেণ্ডেল
এজনৰ পিন্ধনত দামী পোচাক-শ্বাৰ্ট-পেণ্ট-টাই,
নিকা ইউনিফৰ্ম
অইনজনৰ তাপলি মৰা বুটামবিহীন, ফটা,
জোখতকৈ ডাঙৰ শ্বাৰ্ট-
আৰু তাপলি মৰা ৰচীবন্ধা হাফ পেণ্ট... উলঙ্গ
ভৰি..
এজনৰ তেলসনা শেউতা ফালি ফনিওৱা চুলি
অইনজনৰ ময়লাযুক্ত বিশৃংখল ৰুক্ষ চুলি
এজনৰ হাতত পিন্ধোৱা আছে দামী ইলেকট্ৰনিক ঘড়ী
অইনজনৰ ছিগা গামোচাৰ বেণ্ডেজ - হয়তো জখমৰ
আৱৰণ
তাৰ বাবে এয়াই হেণ্ডিপ্লাষ্ট...
দুয়োৰে চকুত দৃষ্টিৰ চমক আছে
এজনৰ চকুত আভিজাত্য-গৌৰৱ-অহঙ্কাৰৰ
কঠোৰতাৰ,
আৰু বিদ্যাৰ্থীৰ বুদ্ধিদীপ্ত চাৱনি
অইনজনৰ কৰুণা ভিক্ষা কৰা সৰল অভিব্যক্তি,
কাতৰ চাৱনি
এজনৰ গাৰ পৰা ওলাইছে মিঠা পাৰ্ফিউমৰ সুগন্ধ
অইনজনৰ ভেকেটা ভেকেট ডাষ্টবিনৰ দুৰ্গন্ধ
এজনৰ দৃষ্টিৰ লক্ষ্যস্থান ৰাস্তাৰ ওপৰত বা
দোকানৰ
নানাৰঙী মনভুলোৱা পেকেটবোৰৰ ওপৰত
অইনজনৰ ৰাস্তাৰ দুয়ো পাৰে পৰি থকা
আৱৰ্জনাৰ ওপৰত,
ডাষ্টবিনৰ ওপৰত

দুয়ো আগুৱাই গই আছে সন্মুখলৈ
কাষত এটা ডাষ্টবিন, বাও পিনে
হঠাৎ এজনে সুগন্ধি সনা ৰুমাল উলিয়াই নাকত
হেচিলে
আৰু অইনজনে লাহে ধীৰে গতি সলালে বাও পিনে
ডাষ্টবিনৰ পিনে
এজন আগবাঢ়ি গ'ল স্কুললৈ
ইংৰাজী মাধ্যমৰ স্কুল

দুয়োৰে হাত ইতিমধ্যে সক্ৰিয়....
এজনৰ স্কুলবেগৰ চেইনত হাত
আৰু অইনজনৰ হাতৰ শলা ডালত
কাষত খোলা মুখৰ মোনা...

অথচ দুয়ো মানুহ...
দুয়োৰে আছে জীয়াই থকাৰ অনাবিল স্বপ্ন

দুয়োকে যদি একেলগে ভালকৈ গা ধুৱাই
একে পৰিচ্ছদেৰে আবৃত কৰি
নতুবা
দুয়োকে উলঙ্গ কৰি
একে পৰিবেশত, একে ঠাইত থিয় কৰোৱা হয়
পাৰিবনে চিনিব "এজন' কোন আৰু "অইনজন"
কোন? ❖❖

# My Ship

**Pankaj Kr. Kalita**
Astt. Professor, Deptt. of English



*My ship, my ship only my ship*
*Sailing on the sea*
*Suddenly sinks and my heart beats fast*
*As it sinks like the Titanic*
*But it suddenly hurries me back*
*The words of Ernest Hemingway*
*— "A man can be destroyed,*
*but never defeated."*
*Then I make up as if it alarms*
*the clock :*
*Because it reminds me.*
*The words of Ulysses : To strive,*
*to seek, to find and not to yield.* ❖❖



# অনুভূতিৰ খিড়িকিৰে

**হিমাদ্ৰী কুমাৰ শৰ্মা**
সহযোগী অধ্যাপক, ইতিহাস বিভাগ

মুক্ত আকাশ
মুক্ত বতাহ
মুক্ত মন
কল্পনাৰে ভৰা এই বাস্তৱ জীৱন।
সমাগত দিনবোৰৰ এক জ্যোতির্ময় আশাৰ তাড়নাত -
ঢাপলি মেলিছিলো পোহৰৰ ডেউকা মেলি
জীৱনৰ নীলাভ আকাশত।
ক'ত যে কলিয়া মেঘে বাট আগছিলে
তথাপিও মনা নাই হাৰ,
ধুমুহা গাজনিয়েও চমকালে
নিৰাশাৰ আন্ধাৰ বাট।
চোতালত গজা বিহ ঢেকীয়াবোৰ উভালি -
ৰোপন কৰিছো হাস্নাহানাৰ পুলি।
হাস্নাহানাৰ সুৱাসত আজি মনৰ পদুলি
উদুলি মুদুলি।
বিচলিত নহওঁ মই,
কল্পনা প্ৰসূত ভাৱবোৰক
বাস্তৱলৈ কৰিম ৰূপান্তৰ।
এই চিন্তা মোৰ দুৰ্বাৰ ........ চিৰন্তন। ❖❖

# বেলতলা কলেজৰ ৰূপালী জয়ন্তী উপলক্ষে

চিত্ৰা ডেকা



তোমাক বুকুত সাবতি
আজিও ৰৈ আছে তেওঁলোক
এটা সুনিৰ্দিষ্ট দিনলৈ
শ্ৰম মুখৰ পৰিবেশতো নিৰ্ভয়ে
ৰ'দ বৰষুণৰ দিন,
স্বপ্নময় দিনৰ অৰ্থসংকট ।
এমুঠি শিষ্যক আকোৱালি
কোমল অস্ত্ৰৰ ধাৰেৰে জীৱনৰ
নিশ্চয়তা অনাৰ প্ৰতিশ্ৰুতিত

জীৱন আৰু জীৱিকাৰ
তুচ্ছ-তাচ্ছিল্যত ক্ষয়িষ্ণু কলিজা
জীয়াই থকাৰ অদম্য বিলাস
হাই উৰুমিৰে পাৰ হয় কোনো জনৰ
শীতৰ দিন
কঁপি-কঁপি চেঁচাত কটায়
অমূল্য সময়

এয়াই আমাৰ জীৱন
তিক্ততাই সংগ্ৰাম বিমুখ
কৰিছে জানোঁ আমাক
তোমালোক ধন্য
শ্ৰম অথলে নাযায়
কঁপি কঁপি জ্বলি থকা
পোহৰৰ বন্তি
পূৰ্ণ ৰূপত প্ৰজ্বলিত
হ'বই এদিন। ❖❖



# পৰজনমৰ শুভ লগনত

**ভাৰতী ভট্টাচাৰ্য্য**
মুৰব্বী অধ্যাপিকা
দৰ্শন বিভাগ

পোহৰৰ কপাট খুলি
তুমি যে গৈছিলা গৈ
পৰজনমৰ শুভ লগনত
দেখা হোৱাৰ আশাৰে,
মেঘৰ বুকু ফালি ছিঙি অনাৰ
কথা আছিল
বিজুলীৰ ফুল।

পাৰিলা জানো?
বিচাৰি পালানে
ওভতনী বাট.........
আহোঁ বলিয়া প্ৰেমিক
গমকে পোৱা নাই তুমি
কোনেও নেবান্ধে এতিয়া ঘিলা-খোপা
তোমাৰ কাৰণে,
প্ৰেমহীন, আকালৰ দিনৰাতি
এতিয়া ইয়াত,
তেজাল পোৱাল মণিৰে সজাবলৈ
এতিয়া আৰু নাই
চেনেহৰ সাতসৰী।
নিস্বঃ হাতেৰে কেনেকৈনো সাজিছিলা
প্ৰতি অসমীয়াৰ বুকুত
সোণৰ সোলেং!
ভাষা, কৃষ্টি, গীত নাটেৰে
হৃদয়ৰ পৰা হৃদয়লৈ সেঁতুবন্ধন
হে স্বভাৱ শিল্পী।
কেনেকৈ দিও তোমাক
বুকু ভঙা বতৰা......

জাতিৰ মঞ্চত আজি দুস্কৃতিৰ তাণ্ডৱ
আমি প্ৰতিটো মানুহ এতিয়া
বিয়োগান্ত নাটৰ ভাৱৰীয়া
নেপথ্যত অন্তৰাগ
কেনেকৈ আহিবা তুমি
নেওচা যোৱা দেশৰ
অশুভ লগনত !
ইয়াত আকাশ নাই এতিয়া
নাই বতাহ আৰু সেউজীয়া
আমি বুকু ভৰাই লও
বাৰুদৰ ধোঁৱা
বন্দুকৰ গুলিৰে লিখো
মৃত্যুৰ কবিতা।
তোমাৰ মৰমৰ লুইতখন
ৰঙানদী হ'ল।
বেলিটোৱে এতিয়া তাত
হোলোকা হোলোকে বতিয়াই
কেঁচা তেজ;
আঃ কি নিৰ্মম দুঃসহ সময়!
তুমি কি মাথোন লগাই হৈ যোৱা
সম্প্ৰীতিৰ এনাজৰীডাল
ফাঁহ ফাঁহ হ'ল
জাতি গোষ্ঠীৰ আঁহ কলিয়াকলিত।

সংজ্ঞাত সামৰিব নোৱাৰা
তোমাৰ বিশালতা, বৰ্ণময় সম্ভাৱনা আজি
অভিজাত ড্ৰইংৰুমৰ
ফটোফ্ৰেমত আৱদ্ধ।
বিশ জুন...... তিথিৰ মূৰত
পানী এচলু।
বিষ্ণুৰাভা...........এতিয়া মাত্ৰ
এটি আখৈফুটা শব্দ। ❖❖

*(ৰাভাদিৱস উপলক্ষে দক্ষিণ গুৱাহাটী লেখিকা সংস্থাই প্ৰকাশ কৰা 'তমোহৰ' স্মৃতিগ্ৰন্থত প্ৰকাশিত)*

# নদী বান্ধ

মন্টু কুমাৰ ৰয়
প্ৰাক্তন ছাত্ৰ

এটা নদীবান্ধ
বৃহৎ নদীবান্ধ
চিৰিলুইতৰ বুকুত
হেজাৰ অসমীয়াৰ
ত্ৰস্ত বুকু........
চিৰদিনৰ বাবে নিৰ্বাপিত হ'ব খুজিছে
শ্ৰীসৃষ্টিৰ যি আশা আৰু সপোন........
নাও অথবা জাহাজ বোৰে
কঢ়িয়াব নালাগিব
সুখ-দুখ ইত্যাদি .........

পথাৰৰ বোকাবোৰে
মিলি যাব বালি ধূলিৰ স'তে
ন-বৰষাত
জান-জুৰিবোৰেৰে
উজাই যোৱাৰ বাসনা নাথাকিব
মাছবোৰৰ.......

নদীবান্ধ
তই
অভিশাপ
ন পুৰুষৰ
অনন্ত সময়ৰ........❖❖

# মায়া

ভাস্কৰ পাটগিৰি
সহযোগী অধ্যাপক
অসমীয়া বিভাগ

মায়াৰ
মায়াবিনী মৰীচিকাত
মই
মত্ত। ❖



# আমাৰো ফোনটো কাটি দিয়া

ৰিজু হাজৰিকা

**সিদিনা** ৰাতিপুৱাই উঠিল ডম্বৰুধৰ চৌধুৰী। আনদিনা ৰাতিপুৱা উঠিয়েই দাঁত পাঁচটা ব্ৰাছ কৰি চাহ খায়। বাতৰি কাকতখন উৰাই ঘূৰাই পঢ়ে। তাৰ পিছত লাহে ধীৰে স্নান কৰি নামঘৰত অলপ প্ৰসঙ্গ কৰে। সিদিনা উঠিছেও সোনকালে। দাঁত নামাজিলেই। সৰি সৰি গৈ মাত্ৰ পাঁচটামান যামি দাঁত আছে চৌধুৰীৰ। সদায় ব্ৰাছ নকৰিলেও চলে। উঠিয়েই শৌচ-প্ৰস্ৰাব কৰি গাটো ধুই ল'লে। আনদিনাৰ দৰে গৰম গাখীৰ নিবিচাৰিলে। ভৰ গৰমত অকণমান কুহুমীয়া গৰম পানীৰে গা ধোৱা তেওঁৰ অভ্যাস। গেচ-ষ্টোভত এটা সৰু কেটলিত এক কেট্‌লি পানী তেওঁৰ পত্নী সুখলতাই গৰম কৰি এক বাল্টি পানীত মিহলাই বাথৰুমত দি আহে। চৌধুৰীয়ে মগ এটাৰে ঢালি ঢালি গা ধোৱে। আজি সেইবোৰ বিচৰা নাই। নিজেই পানীৰ টেপটো খুলি, ঠাণ্ডা পানীকে ঢালিছে গাই-মূৰে। গাটো ধুই নামঘৰত চাকি-ধূপ দিবলৈ ধৰোতেহে তেওঁৰ পত্নী উঠিল আৰু চৌধুৰীক তেনে অৱস্থাত দেখি এক প্ৰকাৰ আচৰিত হোৱাৰ দৰেই সুধিলে ঃ তুমি ইমান সোনকালে গা ধুলাই নেকি? চৌধুৰীয়ে নামাতিলে। কাৰণ তেওঁ তেতিয়া "এ জয় যাদৱ এ, মোৰে প্ৰাণ জীৱে জীৱ নাৰায়ণ" ঘোষা ফাঁকি গাই আছিল। "অ ভকতৰ প্ৰাণ অ্যু অৰুণ চৰণ, জয় যাদৱ অ.........।" তিনিবাৰ গাই, পুনৰাই একান্ত মনে ভগৱানক প্ৰাৰ্থনা কৰি উঠি আহিহে সুখলতাৰ প্ৰশ্নৰ উত্তৰ দিলেঃ অ' আজি গাটো সোনকালেই ধুই ল'লো। অলপ সোনকালেই যাম আজি। সুখলতাই আকৌ সুধিলে, তুমি যাবা ক'লৈ? এইবাৰ পত্নীলৈ প্ৰশ্নৰ উত্তৰ নিদি ক'লেঃ তুমি চাহ কৰা আৰু লুচি কেইখন মান বেছিকৈ ভাজিবা। মই টিফিন লৈ যাম। খুব সোনকালে কৰা। আঠ বাজিবই এতিয়া। চৌধুৰীৰ কথা খুব গহীন। মুখখনৰ আনদিনাৰ দৰে উজ্বলতা নাই। কিবা যেন এটা অস্থিৰ ভাবত মানুহটো গহীন হৈ আছে। সুখলতাই পুনৰাই সুধিবলৈ সাহস নকৰিলে।

সুখলতাই খৰখেদাকৈ দাঁত ব্ৰাছ কৰিলে। একেলগে মুখ ধোওঁতেই গাটোও তিয়াই লৈ ৰান্ধনি ঘৰত সোমাল। চাহৰ পানী তুলি দি আটা ময়দা মাৰিলে। আলু কেইটামানৰ বাকলি গুচালে। এক বুঢ়ীৰ দুই কাম, ধান বানি চুহে আম কৰি আধা ঘণ্টাৰ ভিতৰতে চাহ-নাস্তা ৰেডি কৰি পেলালে। ইফালে চৌধুৰীয়ে কাপোৰ পিন্ধিলে। কাপোৰৰ মোনাখন জাৰি-জোকাৰি হাতত ল'লে। টকাখিনি গণিলে। তাৰ পিছত তেওঁৰ কোঠাৰ পৰাই সুখলতাক সুধিলে 'হৈছে নে? সুখলতাইও ক'লে ঃ হৈছে আহা। চৌধুৰী গৈ চাহৰ টেবুলত বহিল। কোৱাৰ্টাৰ প্লেটখনত লুচি ভাজি দিছে আৰু চাহ কাপ বাকী দিছে। চৌধুৰীয়ে প্লেটৰ পৰা লুচি ভাজি এখন লৈ কামোৰ এটা মাৰিয়েই ক'লে ঃ লুচি আঠখন মান আৰু ভাজি অলপ টিফিন কেৰিয়াৰটোত সুমুৱাই দিবা। কল এটাও দিবা। সুখলতাৰ উদবিগ্নতা ক্ৰমে ক্ৰমে বাঢ়ি আহিল। চাহৰ কাপটো ওচৰতে থৈ আকৌ সুধিলে ঃ তুমি যাবা ক'লৈ? চৌধুৰীয়ে ক'লে ঃ কম নহয় ক'লৈ যাম। তোমাক নোকোৱাকৈ যাম নেকি? সুখলতাই পুনৰাই নুসুধিলে। মানুহটোৰ যিহে খং। সদায় এক কথাৰ মানুহ। ক'লৈ যাব নিজেই এবাৰ চিন্তা কৰি উলিয়াবলৈ চেষ্টা কৰিলে। ছোৱালীজনীৰ ঘৰলৈওতো এনে সময়ত যাব নোৱাৰে। সিহঁত বানপানীত ভাঁহি আছে। ৰেল, বাছ সকলোবোৰ বন্ধ। ৰেলৰ লাইনকে উটুৱাই নিছে পানীয়ে। বাছৰ ৰাস্তাত এবুকু পানী। আনফালে ল'ৰাহঁতৰ তালৈকো যাব নোৱাৰে। এজন ল'ৰা থাকে মুম্বাইত, এজন দিল্লীত। সিহঁতৰ তালৈকে গ'লেও সেই যাত্ৰাৰ প্ৰস্তুতি বেলেগ। এমাহ আগতে টিকট কটা, যোৱাৰ আগদিনাই চুটকেচত কাপোৰ সুমুওৱা, পইচা ককালত বন্ধা আদিৰ এটা মহা খদমদম। আনফালে এনেদৰে ৰাতিপুৱাই গা-পা ধুই টিফিন লৈ যোৱাও দেখা নাই। পেঞ্চন ল'বলৈ যোৱাতো সময় হোৱা নাই। আজি মাহৰ সাতাইশ তাৰিখহে। পহিলা সপ্তাহৰ দহ তাৰিখ মানেহে পেঞ্চন জমা হয়। গতিকে সুখলতাই কোনো এটা উদ্দেশ্যকে চিন্তা কৰি উলিয়াব

নোৱাৰিলে। সেইবোৰ ভাবি ভাবিয়ে সুখলতাই টিফিন কেৰিয়াৰ ৰেডি কৰি দিলে। ইতিমধ্যে চৌধুৰীৰো চাহ খোৱা শেষ। আনদিনাৰ দৰে আৰাম কৰি খোৱা নাই তেওঁ। আজি লুচি ভাজি প্ৰায় গিলি খোৱাৰ দৰেই। তেওঁৰ উদ্দেশ্য আজি কেনেকৈ তেওঁ প্ৰথম হ'ব পাৰে।

সুখলতাই টিফিন কেৰিয়াৰটো হাতত দিলে। চৌধুৰীয়ে কাপোৰৰ মোনাখনত টিফিন কেৰিয়াৰটো সুমুৱাই কান্ধত ল'লে। চচ্‌মাযোৰ এবাৰ মচি পিন্ধি ল'লে। গামোছা এখনো মোনাখনত সুমুৱাই ল'লে। এইবাৰ শেষবাৰৰ কাৰণে সুখলতাই সুধিলেঃ এতিয়া কৈ যোৱা ক'লৈ যাবা? চৌধুৰীয়ে ক'লেঃ মৰণ ফান্দলৈ যাম। তুমিতো সেই মৰণ-ফান্দ কোনো দিনেই দেখা নাই। ঘৰৰ কোনোৱেই দেখা নাই। আজি বিশ বছৰে ময়েই সেই মৰণ-ফান্দলৈ গৈ আছো। সুখলতাই ক'লে ঃ শুনা, এঠাইলৈ ওলাইছা, কথাবোৰ মেৰপাক লগাই কোৱাতকৈ চিধা-চিধিকৈ কোৱাই ভাল। চিধা-চিধিকৈয়েই কওঁ, বিচনাত বহি বহি পুতেক, জীয়েকহঁতলৈ বান্ধৱীলৈ ফোন কৰা নহয়। তাৰে বিল দিবলৈ যাওঁ। যোৱা শুক্ৰবাৰেও গৈ গৈ ঘূৰি আহিছো, তুমিতো সেইবোৰ খবৰ ৰখা নাই। মাজতে শনিবাৰ, দেওবাৰ পৰিল। আজি লাষ্ট দেট। বিল দিয়া মানুহৰ লাইন অফিচ হলৰ পৰা ওলাই গৈ, চৰকাৰী আলি পাৰ হৈ কলেজৰ বাৰান্দা পায়গৈ। কাউণ্টাৰ খোলে দহটা পোন্ধৰ মিনিটত। দেৰ বজাত কাউণ্টাৰ বন্ধ কৰি চাহ খাবলৈ যায়। ইয়াৰ পিছত আৰু পঞ্চলিশ মিনিট সময়হে বিল লয়। ঠিক আঢ়ৈ বজাৰ লগে লগে কাউণ্টাৰ বন্ধ কৰি পৰ্দা টানি দিয়ে। ক'ত মানুহ দুই-তিনি ঘণ্টা লাইনত ৰৈ ৰৈ, শেষত নিৰাশ হৈ ঘূৰি আহে। গতিকে আজি যাতে মই লাইনৰ প্ৰথমজন মানুহ হৈ বিল দিব পাৰো, সেয়ে সোনকালে ওলাইছো। কিন্তু কিবা কাৰণত মই প্ৰথমজন নহ'লেও বিশজনৰ পিছততো হ'ব পাৰিম। সেই কাৰণে টিফিন লৈছো। কাৰণ বিশজনৰ বিল লওঁতেই তিনি ঘণ্টামান সময় লাগে কেতিয়াবা।

চৌধুৰীয়ে খৰখেদাকৈ ওলাই গ'ল। গিৰিয়েকে শুনাকৈ এক প্ৰকাৰ চিঞৰিয়ে ক'লে ঃ ৰিক্সা এখন লৈ যাবা। বৰ ৰ'দ। তাত বাহিৰেটো আৰু কি ক'ব পাৰে সুধলতাই। বিলখন নিদিলেওটো নহ'ব। নহ'লে সিহঁতে আহি ফোনৰ লাইনটো কাটি দিব। ফোনটো নহ'লেও নহয়, বিপদে আপদে লাগে। আৰু হ'লেও এইবোৰ পয়মাল। সুখলতাই হুমুনিয়াহ এটা কাঢ়ি পদূলিৰ পৰা ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ডম্বৰু চৌধুৰী ৰিক্সা এখনত উঠিল আৰু ৰিক্সাৱালাক নিৰ্দেশ দিলে টেলিফোন অফিচ। খৰকৈ চলাবি। চৌধুৰীয়ে ৰিক্সাৰ পৰা নামিয়েই দেখিলে যে লাইন ইতিমধ্যেই দীঘল হৈছে। হলৰ আয়তন কম কাৰণে, লাইনটো কাউণ্টাৰৰ পৰা আহি ইংৰাজী আখৰ "J" টোৰ দৰে এটা ভাজ লৈছে। চৌধুৰী আচৰিত হ'ল— মোতকৈও ইমান সোনকালে মানুহ আহিছে। মানুহবোৰে নিশা শোৱাই নাই নেকি, ঘৰত চাহ টুপিও নোখোৱাকৈ আহিছে নেকি? আচৰিত হৈ এইবোৰ ভাবিলে।

চাওঁতে চাওঁতে লাইনটো "J" আখৰৰ পৰা W আখৰটোৰ দৰে হ'ল। কাৰণ বাহিৰত উৎকট গৰম, থিয় হৈ থকাৰ সাধ্য নাই। গতিকে হলৰ ভিতৰত, বাহিৰত থকা একমাত্ৰ গছজোপাৰ ছাঁত থিয় হওঁতে ভাজ লৈছে W আখৰটোৰ দৰে। চৌধুৰী থিয় হোৱা লাইনটো কিন্তু দুই নম্বৰ কাউণ্টাৰহে। এক নম্বৰ কাউণ্টাৰটো বন্ধ আছে। তেওঁলোকৰ হেনো কম্পিউটাৰটোৱে কাম নকৰে। তিনি নম্বৰ কাউণ্টাৰৰ লাইনত মানুহৰো একেই অৱস্থা। এই লাইনটোও বান্ধি ৰখা পানীৰ দৰে, বান্ধ ভাঙি চাৰিওফালে সোঁত বৈ অহাৰ দৰে মানুহবোৰো চেদেলি-ভেদেলি হৈ নিজৰ আসন সংৰক্ষণ কৰি ঘূৰি ফুৰিছে। ইয়াত আসন চিন ৰখাৰ কিটিপটো হ'ল— নিজৰ সন্মুখৰ জন মানুহক চিন ৰখা। চৌধুৰীয়ে কিন্তু আসন এৰি দিয়া নাই। আজিতো আৰু প্ৰস্তুত হৈ আহিছে, যি হয় হ'ব। তেওঁৰ সন্মুখত কিমান মানুহ আছে এবাৰ গণিবলৈ চেষ্টা কৰিলে। কিন্তু অসম্ভৱ কথা। সকলোৰে মূৰটোক দেখাত নাপায়। কোনোজন বা মাটিতে বহি আছে, কোনোজন চুটি-চাপৰ, কোনোজনে আঠুকাঢ়ি আছে আৰু এটা কথা, কোনো মানুহে স্থিৰে থাকিব থাকিব নোৱাৰে, চবকা ৰোগে ধৰা গৰুৰ দৰে, চট্‌ফটাই থাকে। তথাপিতো আন্দাজতে গণি ত্ৰিশটা মূৰ পালে। তাৰে দুগুণ কৰি ষাঠিটা কৰিলে আৰু ধৰি ল'লে তেওঁৰ সন্মুখত খুউব বেছি সত্তৰ জন মানুহ হ'ব। গতিকে কাউণ্টাৰ বন্ধ নৌহতেই তেওঁ আজি বিল দিব পাৰিব।

ইফালে যম ৰজাই দুজন দূতক মতাই আনি ক'লেঃ আজি টেলিফোন অফিচৰ কাউণ্টাৰত ডম্বৰু চৌধুৰী নামৰ

বুঢ়া এজন থাকিব। তহঁত যা, তেওঁক লৈ আহিবি। এজন দূতে ক'লে ঃ ছাৰ, আজিৰ মৃত্যুৰ হিচাপত কিন্তু তেওঁৰ নাম নাই। আমিনো গৈ মিছা-মিছি কষ্টখন কেলেই খাওঁ। যম ৰজাই ক'লে ঃ তহঁতক যা বুলিছো, যা। হিচাবত নাথাকিলে মৰিব পাৰে। আজিকালি, মৰ্ত্যৰ দৰে আমাৰ যমপুৰীতো বহুত পৰিবৰ্তন হৈছে। মৰ্ত্যত দেখা নাই, লিষ্টত নাম থকা জনে চাকৰি নাপায়, লিষ্টত নাম থকা জনে মন্ত্ৰীত্ব নাপায়, লিষ্টত নাম থকা জনে বিনামূলীয়া ঘৰ নাপায়, লিষ্টত নাম থকা জনে ঠিকা নাপায়, লিষ্টত নাম থকা জনে সাহিত্যৰ বঁটা-বাহন নাপায়, লিষ্টত নাম থকা জনে পেঞ্চন নাপায়, লিষ্টত নাম থকা ৰাস্তা-ঘাটবোৰ ভাল নকৰে। নাম নথকাবোৰেই সকলো বিলাক পায়। অৰ্থাৎ পাব লগাবোৰে নাপায় আৰু নাপাবলগীয়া অযোগ্যবোৰে তাত সকলো সুবিধা পায়। আমাৰো তেনেকুৱা। আমিও তেনেকুৱা হৈছো আজিকালি। লিষ্টত নাম নথকা কিছুমানকো মাৰি লৈ আহো, নাম থকাবোৰো ৰৈ যায়। দূতজনে আকৌ ক'লে, আমি শুনিছো ছাৰ, মৰ্ত্যত বোলে এই সব হয় টকা-পইচাৰ দেন-দেনৰ কাৰণে। মানে ভেটি দিলে বোলে এই লিষ্টবোৰ ওলট-পালট হয়। কিন্তু আপোনালোকৰতো ছাৰ টকা-পইচাৰ অভাৱ নাই। আমাৰ ধন-কুবেৰ ছাৰ আছে যেতিয়া। যমৰজাই ক'লে ঃ আমাৰো টকা-পইচাৰ অভাৱ আছে। কুবেৰো আজিকালি বৰ কৃপণ হৈছে। দেৱতা বিলাকেই ভেটি লয়। বাৰু, এইবোৰ কথা এতিয়া এৰ। তহঁত তাৰাতাৰি যা। কাউণ্টাৰ তেতিয়াই খুলিছে। বুঢ়াৰ অৱস্থাও কাহিল হৈ আহিছে। সেই ন বজাৰে পৰা এতিয়া দেৰ বাজিল, তেওঁ তিনি ফুটো আগবাঢ়িব পৰা নাই। দূত কেইজনে ৰচি, লাঠি, চাঙি, চিপৰাং আদি লৈ তাৰাতাৰি মৰ্ত্যলৈ যাত্ৰা কৰিলে। তেওঁলোক গৈ সেই গছজোপাৰ ফেৰেঙা এটাত বহি ডম্বৰু চৌধুৰীৰ ফালে চাই থাকিল।

মানুহ বিলাকৰ, সাংঘাটিক ধৈৰ্য্য। একে ঠাইতেই থিয় হৈ আছে, কোনোৱে অধৈৰ্য্য হৈ পৰা নাই। এই ধৈৰ্য্য যদি ৰাজহুৱা কামত খটুৱাই তেন্তে দেশখনৰ কিমান উন্নতি হ'লহেঁতেন। চৰুত চাউল সিজা ৰ'দৰ উত্তাপ, মানুহৰ শৰীৰৰ পৰা ওলোৱা উত্তাপ, ঘাম আৰু গেচৰ পৰা ওলোৱা দুৰ্গন্ধি, বিড়ি, চিগাৰেট, চূণ, চাধাৰ ধোঁৱা— সকলোবোৰ সহ্য কৰি আছে। কিন্তু নিজৰ বিলখন দিয়াৰ স্বাৰ্থত এইবোৰ কোনোৱে কথা বুলি ভবা নাই। সকলোৰে মাথোন এটাই চিন্তা— কাউণ্টাৰ বন্ধ হোৱাৰ আগতে তেওঁ ঢুকি পাবগৈনে? ডম্বৰু চৌধুৰীও লাহে লাহে ক্লান্ত হৈ আহিছে। ঘৰৰ পৰা অনা লুচি কেইখনো খাবলৈ ইচ্ছা কৰা নাই। অ'তবোৰ মানুহৰ মাজত খাবলৈ ভালো নালাগে আৰু যদি বাহিৰলৈ ওলাই গৈ কোনো গছৰ তলত বহি খাই, জানোচা তেওঁৰ ছিটটো কোনোবাই দখল কৰে বা কিজানি তেওঁ কাউণ্টাৰ পায়েই ইত্যাদি কথা ভাবিয়েই তেওঁ টিফিনখিনি খোৱা নাই। টিফিনখিনি যে আছে, সেই ভাবটো মনত ৰাখি আছে। কৃপনে যেনেকৈ ধন আছে বুলি চাই আৰু ভাবি আনন্দ পাই, ভোকাতুৰে যেনেকৈ খাদ্য লগত আছে, অলপ পিছতে খাব বুলি ভাবিয়েই আনন্দ পাই, চাকৰি প্ৰাৰ্থীয়ে যেনেকৈ তেওঁৰ নাম ওৱেটিং লিষ্টত আছে বুলি ভাবিয়েই আনন্দ পাই— চৌধুৰীয়েও তাকেই ভাবি আছে। বিলখন দি উঠি, এঠাইত বহি ভালদৰে খাই ল'ব। ইতিমধ্যে ফাষ্ট হাফৰ কাউণ্টাৰ বন্ধ হ'ল। এটা পোন্ধৰত কাউণ্টাৰ-ম্যান সকল টিফিন খাবলৈ গ'ল। পোন্ধৰ মিনিট খাব। এই সময়তে লাইনৰ মানুহবোৰেও হালবোৱা মানুহে পথাৰত জলপান খোৱাৰ দৰে থিতাতে বহি যিয়ে যেনেকৈ পাৰে কিবা-কিবি খাই ল'লে। ডম্বৰু চৌধুৰীয়ে কিন্তু নাখালে। ভাবিলে মোৰ আগত আৰু দহজন আছে। গতিকে সোনকালেই হৈ যাব। দি উঠি খাম। চেকেণ্ড হাফৰ কাউণ্টাৰ আকৌ খুলিলে। বিশ-পচিশজন মানলৈকে প্ৰত্যেকেই ভাবিলে— আমাৰ হৈ যাব। চেকেণ্ড হাফৰ সময় কিন্তু এঘণ্টা পোন্ধৰ মিনিট। অৰ্থাৎ আঢ়েটা বজাত কাউণ্টাৰ বন্ধ হ'বই। কিন্তু কি আচৰিত, আধা ঘণ্টাৰ ভিতৰত চাৰিজন মানুহৰো বিল লোৱা হোৱা নাই। তাতে আকৌ কেবাজনীও মহিলা আছেই। তিনিজন পুৰুষৰ পিছত এজনী মহিলাৰ বিল লোৱাৰ নিয়ম কৰি দিছে। কাউণ্টাৰৰ মুখৰ পৰা প্ৰথম দহজন মানে একো মাত-বোল কৰা নাই। তেওঁলোকে কেৱল একান্ত মনে ভাগ্য আৰু ভগৱানকে দোৱাই আছে— হে প্ৰভু, মই যাতে আজি বিলখন দিব পাৰো। তাৰ পিছৰ বিলাকে কিন্তু চিঞৰ-বাখৰ লগাইছে ঃ হে বুঢ়া, কি কৰি আছে? এজনৰ বিল লওঁতেই তোৰ বিশ মিনিটতকৈও বেছি লাগিছে। দুটা বাজিলেই। আঢ়েটাত বন্ধ কৰিবি। কম্পিউটাৰ চলাব নাজান নেকি? আমাৰ কি দুখ-ভাগৰ

নাই? সেই ৰাতিপুৱাৰ পৰা লাইনত থিয় হৈ আছো। লাইন কাটি দিয়াত হ'লে ঠিক আছ। হাৰি-আপ। পিছত অহা মহিলাক নিদিবি। সিহঁত এইমাত্ৰ আহিয়েই বিল দি যাব। আমিও আজিৰ পৰা শাৰী পিন্ধি মহিলা হৈ আহিম। ইত্যাদি, ইত্যাদি চিঞৰ-বাখৰৰ সংলাপ। কাউন্টাৰৰ মানুহজন কিন্তু বুঢ়া হোৱা নাই। তেওঁৰ চুলি কেইডালহে কলপক দিছে, বডি টাইট হৈ আছে। তেওঁ জেলখানাৰ কয়দীৰ দৰে কাউন্টাৰৰ ভিতৰতে থিয় হ'ল আৰু পুলিচক গালি পৰাৰ দৰে ক'লে ঃ একোজন মানুহেই ছয়-সাতখনকৈ বিল আনিব, একদম সৰু সৰু নোট আনিব, মই কি বিলকেইখন নোচোৱাকৈ, টকাখিনি নগনাকৈ ল'ম? মই টকা ভৰিলে তহঁতে দিবি নেকি?

চৌধুৰীৰ বুকুখন কঁপি উঠিল। তাৰ মানে তেওঁৰ মাথা গন্তি কৰি লাভ নাই। আজিও আৰু বিল লোৱাৰ আশা নাই। মানুহ কমি কমি গৈ তেওঁৰ আগত আৰু ছয়জন আছে যদিও, একোজনৰ হাতত যদি চাৰিখনকৈ বিল আছে, কমেও চল্লিশজন আছে। গতিকে হোৱাৰ আশা নাই। তথাপিতো আশা এৰা নাই চৌধুৰীয়ে। আশাই পৰম ধন। জীৱনত বিনা আশাই কোনো কামেই নহয়। চৌধুৰী গৈ গৈ এইবাৰ দুই নম্বৰত পৰিল। এইবাৰ আৰু নিশ্চিত। লগে লগে কাউন্টাৰ বন্ধ কৰি দিলে। চৌধুৰী মূৰ্চা যাওঁ যাওঁ অৱস্থা। চৌধুৰীয়ে আগৰজনক ঠেলা মাৰি দি কাউন্টাৰৰ ৰেলিঙৰ মাজত বিলখন সুমুৱাই দি ক'লে ঃ দয়া কৰি মোৰ বিলখন ৰাখক। কেচিয়াৰে ক'লে ঃ আপোনাৰ বিলখন দিয়ক। চৌধুৰীয়ে ঈশ্বৰক দয়ালু ঈশ্বৰক হাতকে পোৱা যেন অনুভৱ কৰিলে। মুহূৰ্ততে সকলো দুখ-যন্ত্ৰণা যেন শৰীৰৰ পৰা আতঁৰি গ'ল। শেঁতা পৰা মুখখনত যেন ৰক্তৰ আভা বিৰিঙি উঠিল।

চৌধুৰীৰ লাইনতে, দহটামান মানুহৰ পিছত থকা আদ বয়সীয়া মানুহ এজন ধাচ্ কৰে মাটিত পৰি গ'ল। মানুহৰ মাজত হাঁহাকাৰ লাগিল। কেইজনমানে মানুহজনক ডাঙি ধৰিলে, মূৰত পানী দিলে, ৰুমাল, কাগজ আদিৰে বিচিলে। কিন্তু মানুহজনৰ সম্বিৎ আৰু ফিৰি নাহিল। যমদূত দুজনে ইমান সময় চৌধুৰীকে ৰখি আছিল মৰিব বুলি। কিন্তু তেওঁ নমৰিল। মৰিল আন এজনহে। দূত দুজনে গছৰ পৰা নামিল আৰু ইজনে সিজনক ক'লে— বলা, এওঁকেই লৈ যাওঁ। দুয়ো বান্ধি ধৰি মানুহজনকে লৈ গ'ল। চৌধুৰীয়ে ইমান সময়ে বিলখনক লৈয়েই ব্যস্ত হৈ আছিল। তেওঁ বিলখন ঘূৰাই আনিহে মানুহজনৰ খবৰ ল'লে। বৰ দুখ কৰিলে চৌধুৰীয়ে। তেওঁৱো আজি মৰিব লাগিছিল। বিলখন দিব নোৱাৰা হ'লে তেৰো মৰিলহেঁতেন। চৌধুৰী বাহিৰলৈ ওলাই গৈ কিছু সময় গছৰ তলত জিৰণি ল'লে। লুচি দুখনমান, কলটো খালে। কিযে আনন্দ মনত। যেন এখন ৰণহে জয় কৰিলে, যেন কিবা এটা স্বৰ্গীয় বস্তুৱে পালে, যেন প্ৰবল পানীৰ সোঁতৰ পৰাহে বাচি আহিল। আজি তেওঁ ঘৰলৈ গৈ ফোনটো টুকুৰা-টুকুৰাকৈ কাটি পেলাব। আকৌ দুমাহৰ মূৰত এই যন্ত্ৰণা আহিব। হয়তো পিছৰ বাৰত তেৰো এই মানুহজনৰ দৰে ইহলীলা সম্বৰণ কৰিব। এইবোৰ অমঙ্গলীয়া কথা ভাবিলেও তেওঁৰ মনৰ পৰা আনন্দটো যোৱা নাই।

দূত গৈ যমৰজাৰ ওচৰ পালে। গৈয়েই ক'লে ঃ ছাৰ, সেই চৌধুৰী বুঢ়াজন নমৰিল। মৰিল আন এজনহে। তেওঁকে লৈ আহিলো। মই তহঁতক নকৈছিলোনে যে মৰ্ত্যৰ মানুহে আজিকালি খুব ওলট-পালট কৰি পেলায়। আচলতে চৌধুৰী বুঢ়াই মৰিব লাগিছিল। তেওঁ ন্যায্য মতে বিলখন দিব নোৱাৰে; কিন্তু কাউন্টাৰৰ মানুহজনে তেওঁক ফেভাৰ কৰিলে। গতিকে আমাৰো একো ভুল হোৱা নাই। এওঁৰ মৃত্যু আজি নাছিল। মৰ্ত্যৰ মানুহৰ দৰে আমাৰো ওলট-পালট হ'ল। কোনো কথা নাই। এওঁক ভালকৈ ৰাখিবা। এওঁ মানুহজন ভাল আছিল। কাকো অন্যায় নকৰে। আনকি তেওঁক কোনোবাই অন্যায় কৰিলেও তেওঁ তাৰো প্ৰতিবাদো নকৰিছিল। গতিকে তেওঁক সেই পাপী বিলাকৰ মাজত নাৰাখিবা। দূত দুজনে সুধিলে ঃ ছাৰ, ভেটি খাই, চাকৰি কালত আনক অন্যায় কৰি থকা কেইজনৰ লগত ৰাখিম নেকি? যমৰজাই ক'লে ঃ নালাগে, এওঁক সেই আনক ভেটি দি কামটো নোহোৱাত দুখতে মৰা বিলাকৰ মাজতহে ৰাখিবা। আজিকালি মৰ্ত্যত এনেদৰে মৃত্যু হোৱা লোকৰ সংখ্যাও বাঢ়ি গৈছে। দূতে সেইমতেই ৰাখিলে।

চৌধুৰী বুঢ়াই ঘৰ পাই পৰিবাৰক ক'লে ঃ আজি ময়েই মৰিব লাগিছিল, কিন্তু মৰিল অন্য এজন। বেচেৰাটোৱে মোৰ দৰে দিনটো থিয় হৈ আছিল। কাউন্টাৰ বন্ধ হোৱাত লগে লগে বিলখন দিব নোৱাৰি ধাচ্ কৰে পৰিল আৰু মৰিল। সুখলতাই এটা হুমুনিয়াহ কাঢ়ি ক'লেঃ আমাৰো ফোনটো কাটিয়েই দিয়া। কাৰণ মানুহক জীৱনতকৈ ফোনটো ডাঙৰ নহয়। ❑

## এছ এম এছৰ
# তিনিটা শব্দ

**মানবেন্দ্ৰ ভট্টাচাৰ্য্য**
ছাব এডিটৰ, দৈনিক অসম

**আইনাখনৰ** সন্মুখত নিজকে তুলি ধৰিলে শ্যামন্তই। এৰা জুমিয়ে সিদিনা তাক ইউনিভাৰ্ছিটীৰ বাছষ্টপেজ পাওঁতে কোৱা কথাষাৰ এটি মূহুৰ্তত তাৰ সঁচা যেনেই লাগিছে। 'চেহেৰা কিন্তু বনাইছেদেই শ্যামদা।' - জুমিৰ কথাৰ সি কোনো উত্তৰ দিয়া নাছিল। মনটোত মাত্ৰ কিবা এটা পিৰপিৰণি, সিৰসিৰণি অনুভূত হৈছিল। যিখিনি বন্ধু-বান্ধৱক সি বিশ্বাসত লয় তাৰ মাজৰ প্ৰায়খিনিকে কওঁ নকওঁকৈও অৱশেষত কৈছিল জুমিৰ কথা। 'মানুহ নহৈ খাব পৰা বস্তু হোৱা হ'লে গিলিয়েই থলোহেঁতেন দেই।' বিজিতে কয় -- ষ্টপ, আৰু ইম'চন নাফালিবি। চিনা নাই পখিলা। সুবিধা বুজি কঁকালত এনে গোৰ শোধাব নহয় কাললৈ নাপাহৰিবি।

এৰা, সি পাহৰা নাই। এখন বিয়া খাবলৈ গৈ সি হোমৰ থলীত লগ পাইছিল জুমিক। প্ৰখৰ বুদ্ধিমতী ছোৱালী, ধুনীয়াও। গোলাপ পাহিতকৈ কোনো গুণেই কম লাহী নহয়, শেৱালি ফুলতকৈ কোনো গুণেই কম স্নিগ্ধ নহয় সেই যুৱতী। প্ৰেম-প্ৰীতিৰ দৰে আবেগ-অনুভূতিবোৰক বাদ দি মাত্ৰ নিজক লৈ, স্বাভিমানক লৈ ব্যস্ত থাকিব খোজা ল'ৰা শ্যামন্ত। কিছুমানে কয় ইনট্ৰ'ভাৰ্ট। তাৰ আপত্তি নাই; কিন্তু সেইদিনা সি পিছলিছিল — যেতিয়া জুমিয়ে তাৰ লগত হোমৰ থলীতেই ওৰেটো ৰাতি কথা পতাৰ পিছত কৈছিল -- বহু ল'ৰা লগ পাইছো, আপোনাৰ দৰে পুৰুষ এয়ে প্ৰথম। তাৰ মনটো কঁপিছিল -- থৰথৰকৈ নহয়, ৰিবৰিবকৈ। এটা নাম নোহোৱা অস্থিৰতাই সামৰি পেলাইছিল তাক। মন যেন একোঁছা ৰুক্ষ চুলিহে য'ত খাগৰি গুটিয়ে সী ধৰিছিল এৰুৱাব নোৱাৰাকৈ। তাৰ পিছত সকলো আগৰ দৰে। কোম্পানী, দায়িত্ব, দায়বদ্ধতা — মুঠতে অপাৰ ব্যস্ততা। সময় উলিয়াই তাৰেই মাজত কেতিয়াবা ইউনিভাৰ্ছিটীৰ চৌহদ। কেতিয়াবা ফুলি থকা কৃষ্ণচূড়াজোপাৰ তলৰ এটকীয়া পিচিঅ'টোৰ পৰা দহ টকামানৰ ফোন। পৰীক্ষা শেষ হোৱাত হোষ্টেল এৰি জুমি শিৱসাগৰৰ ঘৰত। তথাপি তাৰ ইচ্ছা হয় এপাক তাই থকা হোষ্টেলটোৰ সন্মুখেৰে অহা-যোৱা কৰা যাওঁক, উৰণীয়া মনটো কিজানি বান্ধ খায়েই!

প্ৰসাধনৰ প্ৰতি কাহানিও মনোযোগ নথকা শ্যামন্তই তাৰ নিমজ গাল দুখল আৰু বেছি নিমজ হওক বুলি দোকানৰ পৰা কালিয়েই কিনি অনা ক্ৰীম এটা কেবাবাৰো সানি ল'লে। ছেম্পু ব্যৱহাৰ কৰাৰ পিছত ফেনৰ বতাহত ফিৰফিৰকৈ উৰি থকা চুলিখিনিত এবিধ 'জেল' সানি ফণীখনেৰে নিৰ্দ্দিষ্ট দিশত সামৰি পেলালে, তাৰ অবুজ মনটোক বুজনিৰ শিকলি লগোৱাৰ নিচিনাকৈ। খালী গাটোৰ অংশবিশেষত ডিঅ'ড্ৰেন্ট স্প্ৰে কৰি ধুনীয়াৰো ধুনীয়া এসাজ কাপোৰ পিন্ধি তাৰ ওপৰত সানি ল'লে উগ্ৰ সুগন্ধিৰ প্ৰলেপ। চকুত এযোৰ দামী ক'লা চছমা। জোতাযোৰত কাষ-পাজৰৰ বস্তুৰ প্ৰতিচ্ছবি চক্‌চকীয়াকৈ ধৰা পৰাকৈ মসৃণ পলিছ। তাৰ পিছত আইনাখনৰ সন্মুখত এক বিশেষ ভংগীত বৈ দি গোলমুখীয়া হাঁহিটো মুখত লৈ নিজকে সুধিলে সি -- এয়া কাৰো লগত বৰকৈ হলিগলি নকৰা, কোনো বিপৰীত লিংগৰ মনৰ কথা কুলি কোৱাটোক নিজৰ পৰাজয় বুলি ভবা শ্যামন্ত দত্তই হয় জানো!

ভাৰাঘৰৰ বাৰাণ্ডাৰ পৰা প্ৰথমটো খোজ চোতালত পৰাৰ লগে লগে সন্মুখৰ খিৰিকীখনেৰে মালিকৰ ছোৱালী কবিতাই মাত লগালে -- 'আপোনাৰ হেৰোৱা ৰুমালখন আমাৰ ঘৰত আছে। কালি বতাহত উৰি পৰিছিল, আপুনি বোধহয় গমেই নাপালে।' শ্যামন্তই চকুৰ চছমাযোৰ হাতত লৈ মিচিকিয়াই হাঁহিলে মাত্ৰ। ৰুমালখন হাতত তুলি দি কবিতাই লাহেকৈ লাজ লাজকৈ ক'লে -- 'আপোনাৰ ৰঙা ৰুমালখনত নীলা সুতাৰে গোলাপ ফুল এটি তুলি দিছোঁ।' কথাৰ প্ৰসংগতে তাই দেউতাকলৈ শ্লিপিং টেবলেট কেইটামান ঘূৰি আহোতে লৈ আহিব পাৰে নেকি বুলি শ্যামন্তক সুধিলে। হ'ব বুলি কৈ শ্যামন্ত ওলাই গ'ল চৌদিশে সুগন্ধি ছটিয়াই

থৈ। ৰাস্তা পাই ৰুমালখন খুলি চাই সি বিচুৰ্তি খালে — অবাঞ্চিত এই ৰঙৰ মিশ্ৰণ। হঠাৎ তাৰ কালি ৰাতি পঢ়া কবিতা এটালৈ মনত পৰিল — সাগৰৰ নীলাৰে / তেজৰঙা কলিজাত / এটি প্ৰীতিৰ গোলাপ— 'নীলা গোলাপ ? — ধ্যুৰ, টেষ্টলেছ।'

ম'বাইলত অহা এটা মাত্ৰ এছ এম এছে তাক বিগত এটা সপ্তাহেই কাবু কৰি ৰাখিছে। সুখ-দুখ, নিদ্ৰা-ভোক, সপোন-দিঠক সকলো একাকাৰ হৈ গৈছে। মায়াময়, স্নিগ্ধ জোনাকে আবৰি ৰাখিছে তাৰ অন্তৰ্জগত, বহিৰ্জগত আৰু জুমিয়ে ক'ব খোজা কোমল শব্দ তিনিটা.....। এছ এম এছটো খুলি এফালৰ পৰা অধীৰ আগ্ৰহেৰে পঢ়ি গৈছিল সি — 'মই আপোনাক বিচাৰো — মোৰ লগত থকাটো — মহানগৰৰ এখন অভিজাত ধাবাত — মিলিত হ'ব খোজো নিশাৰ সাঁজত — মমবাতিৰ ক্ষীণ পোহৰত — আৰু সৰ্বশেষত — আই ৱান্ট টু টেল ইউ — কোমলকৈ, অপ্ৰত্যাশিত তিনিটা শব্দ .....।' উন্মনা হৈ পৰে শ্যামন্ত। শেষৰ সেই কোমল শব্দ তিনিটা তাক ৰু কোনো বুজাব লাগিছে। আই.... না, ইমানখিনিলৈকে এটা বিৰাট উত্তেজনা, ঝমঝমনি। শব্দ তিনিটা অদৃশ্য হৈয়ে থাকক, মিনিট, ঘন্টা, দিন ধৰি সি আবিষ্ট হৈ থাকক এক ভাষাহীন অনুভূতিত। কোমল শব্দ তিনিটা জাঁপি-কুঁচি ভৰাই থ'লে সি হৃদয়ৰ অতল তলত।

পুৱাই ফোনতে সকলো ঠিক-ঠাক হৈছে। শ্যামন্তই ইউনিভাৰ্ছিটী চৌহদৰ কৃষ্ণচূড়াজোপাৰ তলত ৰৈ জুমিৰ ম'বাইল ফোনত এটা মিছড্ কল দিব। জুমিয়ে খপজপকৈ হোষ্টেলৰ পৰা ওলাই আহি ইুনিভৰ্ছিটীৰ বাছ ষ্ট'পেজটোত শ্যামন্তলৈ বাট চাব। বিভিন্ন কাৰণ দেখুৱাই নিশা ওভতোতে অলপ পলম পলম হ'ব বুলি কৈ হোষ্টেল ছুপাৰৰ পৰা তাই অনুমতি লৈ থৈছেই। আনে নেদেখক বুলি দূৰৰ কৃষ্ণচূড়াজোপাৰ তলতে ৰৈ এখন অট'ৰিক্সা ঠিক কৰি শ্যামন্ত তাইৰ ওচৰত ৰ'লহি। তাৰ পিছত জুমিক কাষত বহুৱাই লৈ আৰম্ভ হ'ল তাৰ জীৱনৰ প্ৰথমটো শিহৰণকাৰী যুগ্ম যাত্ৰা। মহানগৰত নতুনকৈ হোৱা অভিজাত মিনি চিনেমা হল এটাত সিঁহতে প্ৰথমতে এখন ছবি চালে — প্ৰেমৰ ছবি। হিয়া উন্মনা কৰা ছবি। তাৰ পিছত অনাই-বনাই দুয়ো ঘুৰি ফুৰিলে নিয়ন লাইটৰ তলে তলে খোজ কাঢ়ি প্ৰায় ডেৰ ঘন্টা সময়। অনৰ্গল কথা পাতিলে হাঁহিলে, স্ফূৰ্তি কৰিলে দুয়ো। দুয়ো দুয়োৰে ব্যক্তিগত পৰ্য্যায়ৰ বহু কথাও জানি ল'লে। তাৰ পিছত — দিলখুছ — চহৰৰ সেই আঢ্যৱন্ত ধাবাখন। শ্যামন্তৰ ইচ্ছা অনুযায়ী নিশাৰ সাঁজ তৃপ্তিৰে খাও বুলি দুয়ো তাতেই সোমাল। মমবাতিৰ ক্ষীণ পোহৰত এচুকৰ মেজখনত ভাত খাই থকাৰ মাজতে জুমিয়ে শ্যামন্তক সুধিছে — কিহৰ বাবে আজি ইমান আয়োজন ? শ্যামন্তই 'ছাৰপ্ৰাইজ' দিছে — আজি তাৰ জন্মদিন। জুমিৰ ফালৰ পৰা শুভেচ্ছাৰ জোৱাৰ। ভাত খোৱা প্ৰায় শেষেই। হঠাৎ লাজ, আত্মসন্মান, উকণ্ঠাই আবৰি ধৰিলে স্যামন্তক। এটা মুহূৰ্তৰ ভিতৰতে যদি জুমিয়ে তাৰফালে হাউলি আহি কাণে কাণে কয় তাক সেই তিনিটা অপ্ৰত্যাশিত শব্দ — এজন ইনট্ৰ'ভাৰ্ট মানুহে তাৰ উত্তৰত কি কব। উদ্বিগ্নতাৰ কেইবাটাও মুহূৰ্ত পাৰ হৈ গ'ল। সকলো এতিয়ালৈকে ঠিকে আছে। কাউন্টাৰত বিল জমা দি দুয়ো ওলাই আহিল বাহিৰলৈ। তাৰ পিছত পুনৰ অট' এখনত উঠি জুমিক সি হোটেলৰ সন্মুখত থৈ আহে মানে নিশা প্ৰায় চাৰে ন বাজিল। শ্যামন্তৰ মনটো বৰ ফৰকাল ফৰকাল লাগিল। জুমিয়ে তাক বুজিব লগাখিনি ঠিকেই বুজিছে নিশ্চয়, কোমল শব্দ তিনিটা অলপ গোপনেই ৰওক !

উভতি আহি থাকোতে হঠাৎ তাৰ মনত পৰিল কবিতাৰ দেউতাকৰ বাবে টেবলেটকেইটা লোৱাৰ কথা। বাটতে অট'খন ৰখাই খুঁচৰি খুঁচৰি জেপৰ পৰা উলিয়াই উৰলি যাবলৈ ওলোৱা ডাক্তৰৰ কাগজখিলা সি ফাৰ্মাচীৰ ল'ৰাটোলৈ আগবঢ়াই দিলে। 'ডেঞ্জাৰাছ ড্ৰাগ' — কাগজখন বহু পুৰণি হোৱা দেখি ল'ৰাটোৱে প্ৰথমতে দৰবটো দিবলৈ পোনছাটেই অস্বীকাৰ কৰিলে। টোপনি অহাৰ ইমান পাৱাৰী টেবলেট ইমান সহজতে বিক্ৰী কৰা মানা আছে হোনো। পিছত যেনিবা কেইবাবাৰো বুজাই-বঢ়াই কোৱাত সি দহটা টেবলেট থকা এটা ষ্ট্ৰিপ আগবঢ়াই দিলে। তাৰ পিছত অট'ত বহাৰ লগে লগে পুনৰ তাৰ জুমিৰ কথা মনলৈ আহিল। মুহূৰ্ততে এছ এম এছ এটা কৰি জুমিলৈ পঠিয়াই দিলে সি — 'প্ৰীতিৰ উজান-ভাটিত মই সৰ্বস্বান্ত পথিক।' শুবলৈ ওলাই আবেলিটোৰ কথাকেই লগৰবোৰৰ আগত কৈ আছিল জুমিয়ে। এছ এম এছটো পায়েই তাই চিঞৰি উঠিল। জুমি নিশ্চিত এয়া শ্যামৰ প্ৰথম প্ৰস্তাৱ, দ্বিতীয় প্ৰস্তাৱত তেঁৱো আনৰ দৰে নিশ্চয় বিয়াৰ কথাই ফ'চিল'। — জুমিয়ে বেপৰোৱাভাৱে ক'লে। তাৰ মাজৰে কোনোবা এজনীয়ে জুমিক পৰামৰ্শ দিলে — বেছি হৈছে দেই, লৈ নেখেলিবি।

পস্তাবি কেতিয়াবা। যদি ছিৰিয়াছ নহৰ, তেন্তে এতিয়াই ফোন এটা কৰি স্পষ্ট কথা কৈ দে।

শ্যামন্ত ভাৰাঘৰৰ চৌহদ সোমায় মানে প্ৰায় ১০-৩০ বাজিছে। আজি বোধহয় কবিতাহঁত অলপ সোনকালেই শুইছে, সি দিগদাৰি নকৰিলে। হওক তেওঁ দুটা বছৰেই কবিতাৰ দেউতাকে অনিদ্ৰাত ভুগি আহিছে। টোপনি যেতিয়া আহিছেই -- দৰৱটো পুৰাই দিলেও হ'ব। কাপোৰ সাজ সলাবলৈ লওঁতেই জুমিয়ে তালৈ ফোন কৰিলে। তাৰ এছ এম এছটো পাই তাই হয়তো বলিয়াৰ নিচিনা হৈছে, যেনেকৈ সিও হৈছে বিগত এটা সপ্তাহেই ধৰি। প্ৰথম অৱস্থাত ফোনটো ধৰিবলৈকে তাৰ কিবা লাজ লাগি গ'ল। ফোনটো ধৰাৰ লগে লগে জুমিয়ে একে উশাহতে কৈ পেলালে— আপুনি মোক যেনেদৰে ভাবিছে, মই আপোনাক তেনেকৈ ভবা নাই। আপুনি বোধহয় ভুল বুজিছে। মোৰ এছ এম এছটো শেষলৈকে পঢ়ি চাব।

সৰগ পৰা মানুহৰ দৰে হ'ল সি। জুমিয়ে কেতিয়া তাৰ ফোনৰ সংযোগ এৰি দিলে সি গমকে নাপালে। যন্ত্ৰৰ দৰে সি পুনৰ উলিয়াই ল'লে এসপ্তাহ আগেয়ে তাইৰ পৰা অহা এছ এম এছটো। 'মই আপোনাক বিচাৰো— মোৰ লগত থকাটো— মহানগৰৰ এখন অভিজাত ধাবাত— মিলিত হ'ব খোজো নিশাৰ সাঁজত— মমবাতিৰ ক্ষীণ পোহৰত— আৰু সৰ্বশেষত— আই ৱাণ্ট টু টেল ইউ— কোমলকৈ, অপ্ৰত্যাশিত তিনিটা মাত্ৰ শব্দ — তেনেই আলফুলে বাটনটো টিপি চাও নাচাওকৈ সি উলিয়াই ল'লে সেই অপ্ৰত্যাশিত মাত্ৰ তিনিটা— 'পে' মাই বিল।' ধেৎ বুৰ্বকৰ দৰে হৈ থৰ লাগিল সি। তাৰ নিচিনা ইনটেলিজিণ্ট মানুহ এটাই ইমান সৰু ভুল এটা কৰা উচিত জানো। শব্দ তিনিটা লগে লগে চোৱা হ'লে কি আপত্তি আছিল। প্ৰৱল আত্মদ্বন্দত ভুগিছে সি— কিয় তাৰ ভুল হ'ব। কিবা এটা ইনটু'ভাৰ্ট, টেলেণ্টেড বুলি নাম থকা মানুহ ক্ষণিকৰ উন্মাদনাত আনৰ ওচৰত পৰাজিত হ'ব।

আত্মগ্লানি, আত্মদ্বন্দত পৰাভূত শ্যামন্ত। বাৰে বাৰে তাৰ মনলৈ এটাই প্ৰশ্ন আহে — এদিনৰ বাবে হ'লেও জুমিয়ে কিয় তাক নিজৰ জগতখনৰ পৰিধিৰ পৰা আঁতৰাই লৈ গ'ল ? তাৰ দৰে আত্মভিমানী মানুহ এটা ক্ষণিকৰ ভুলৰ বলি হ'ল কিয় ? মেধা, বুদ্ধিবৃত্তি, চিন্তা কৰাৰ ক্ষমতা, সৎ বিবেচনা মনৰ পৰা যেতিয়াই আঁতৰি গ'ল, মন মগজুৰ প্ৰতি আঁহে কোহে যেতিয়াই ওলোটা ধৰণে কথাটো চিন্তা কৰিবলৈ ধৰিলে তেতিয়াই তাৰ সংঘাতিক কিবা এটা কৰি পেলাবলৈ মন গ'ল। আগ-পাছ নুগুণি কবিতাৰ বাপেকলৈ অনা আটাইকেইটা টেবলেটৰ বাকলি পেলাই এচলু পানীৰে এক মুহূৰ্ততে গিলি দিলে সি।

তাৰ পিছত কেইটামান সৰু মুহূৰ্ত। টোপনিৰ জালত আবিষ্ট হ'ল সি। সি নিশ্চিত এটা ইনটু'ভাৰ্ট, আত্মাভিমানী মানুহে ক্ষণিকৰ উন্মাদনাত কৰা এয়া দ্বিতীয়টো ভুল। খোলা দুৱাৰখন খিলি নলগোৱাকৈ এনেয়ে জপাই থৈ আহি বেড ছুইটতে লাইটটো নুমুৱাই চিৎ হৈ শুই পৰিল নিজৰ ভুল নিজতেই সামৰি থোৱা শ্যামন্ত দত্ত।❑



## জাতীয়তাবাদী চিন্তানায়ক
# শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী

উত্তম বৰুৱা

৩৫০ বছৰীয়া এক অবিৰত যাত্ৰা। এই যাত্ৰা ধৰ্মাচৰণৰো, লোকশিক্ষা-সংস্কৃতিৰো। এনে সাধনক্ষেত্ৰৰ কথা কওঁতে অসমীয়া সমাজ-ব্যৱস্থাৰ মাজত সত্ৰানুষ্ঠানৰ কথাই প্ৰথমে মনলৈ আহে —— য'ত নিয়মিত ধৰ্মাচৰণৰ লগে লগে লোককলা-সংস্কৃতি আৰু সাহিত্য সাধনৰ পৃথক ক্ষেত্ৰ এখনৰ ছবি জিলিকি উঠে।

জাতীয় সংস্কৃতিৰ বহল পথাৰখন ৰসাল, জীপাল আৰু সুশোভিত কৰি ৰখাত সত্ৰীয় সংস্কৃতিৰ অৱদান এক উল্লেখনীয় দিশ। বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলিৰ সোণসেৰীয়া সংস্কৃতি আৰু সাহিত্য-চৰ্চাৰ জগতখনত জাতীয় সংস্কৃতিৰ বোৱঁতী সুঁতিত ইয়াৰ চিৰপ্ৰবাহমান গতিধাৰাক অধিক গতিশীল কৰি ৰাখি আহিছে সত্ৰীয় সংস্কৃতিয়ে। ইতিহাসপ্ৰসিদ্ধ সত্ৰানুষ্ঠান আদিৰে এই মাজুলী সমৃদ্ধ।

মাজুলীৰ চাৰি সত্ৰৰ ভিতৰত শ্ৰীশ্ৰী আউনী আটী হৈছে প্ৰমুখ সত্ৰ। এইখনি পুৰাতন সত্ৰ ধৰ্মীয়, সামাজিক, সংস্কৃতিক, সাহিত্য আৰু শিক্ষণ-প্ৰশিক্ষণৰো বিকাশ কেন্দ্ৰ। ভক্তি আশ্ৰিত সাংস্কৃতিক আন্দোলনৰো ই স্নায়ুকেন্দ্ৰ। ভক্তি আন্দোলনৰ পৰম তত্ত্বক সমাজ আৰু জীৱনৰ লগত পৰিচয় ঘটোৱাৰ পথ-প্ৰদৰ্শনো কৰি আহিছে এইখনি সত্ৰই। সেয়ে সুদীৰ্ঘ কালৰ বহুতো কথাই ৰঞ্জিত কৰি ৰাখিছে এই সত্ৰৰ ইতিহাস —— যি ইতিহাস আজিৰ তাৰিখত ৩৫০ বছৰৰ পুৰণি।

অসমত বৈষ্ণৱ ধৰ্মই প্ৰসাৰতা লাভ কৰাৰ পিছত নৱপ্ৰবাহিত ধৰ্মীয় দৰ্শনৰ দ্বাৰা সমাজ-জীৱন বহুলাংশে প্ৰভাৱিত হয়। লগতে বৰ্ণাঢ্য জনগোষ্ঠী সাংস্কৃতিক ধাৰা এটায়ো গা কৰি উঠে। নানা জাতি-উপজাতিৰ ধৰ্মীয় সংবেদনশীলতাৰে বান্ধি ঐক্যবদ্ধ সমাজ গঠনৰ যি প্ৰক্ৰিয়া মহাপুৰুষ শঙ্কৰদেৱে আৰম্ভ কৰি গ'ল, সেই একে আদৰ্শকে সাৰোগত কৰি পৰৱৰ্তী কালত সত্ৰানুষ্ঠানসমূহেও সামাজিক ভিন্নতাৰ মাজতো সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰখাৰ প্ৰয়াস অটুট ৰাখিছে। এখন সমাজৰ ঐক্য, সম্প্ৰীতি আৰু সংহতিৰ উপলব্ধিৰে সামাজিক উন্নতি, প্ৰগতি, শান্তি আৰু সমৃদ্ধিৰ পথ চিকুণ কৰি ৰখাত আউনীআটী সত্ৰৰ অৰিহণা আন আন সত্ৰৰ দৰেই অপাৰ।

ইতিহাসে যিসকল অনন্য সাধাৰণ ব্যক্তিৰ নাম সহজে পাহৰি যাব নোৱাৰাকৈ সযতনে সামৰি ৰাখে, তেনে এগৰাকী অসাধাৰণ প্ৰতিভাৰ গুণী পুৰুষ আছিল আউনীআটী সত্ৰৰ একালৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী প্ৰভু। এইগৰাকী ক্ষণজন্ম সত্ৰাধিকাৰে সত্ৰখনিৰ সত্ৰাধিকাৰৰ পদ অলঙ্কৃত কৰিছিল ১৭৬০ শকৰ ব'হাগ মাহত।

পাণ্ডৱ-বৰ্জিত ঠাই বুলি কথিত এই মাজুলীৰে সত্ৰ-সমাজত এখন আছুতীয়া আসন লাভ কৰিছিল এইগৰাকী সত্ৰাধিকাৰে। তেখেতৰ নিত্য পালনীয় ধৰ্মাচৰণৰ কথা নিলগাই ৰাখিও সামাজিক আৰু সাহিত্য-সাংস্কৃতিক দিশত দি যোৱা অৱদানে তেখেতক যুগমীয়া কৰি ৰাখিছে। তেখেতে অনুভৱ কৰিছিল যে সমাজ আৰু জাতি গঠনত সাহিত্য-সংস্কৃতিৰ প্ৰভূত বৰঙণি আছে। তেখেতে এই কথাও উপলব্ধি কৰিছিল যে একোখন জ্ঞানোদ্দীপক ধৰ্মগ্ৰন্থ অথবা মূল্যৱান গ্ৰন্থই পঢ়ুৱৈসমাজৰ মন পুৰঠ কৰে, শান্তি প্ৰদান কৰে আৰু প্ৰজ্ঞাৰ সীমা বঢ়ায়। অসমীয়া সাহিত্যলৈ থকা তেখেতৰ বৰঙণিয়ে সেই কথাকে প্ৰতিপন্ন কৰে।

দত্তদেৱ আছিল এগৰাকী জাতীয়তাবাদী চিন্তাৰ নায়ক। এই কথাৰ প্ৰমাণ পোৱা যায় তেখেতৰ মহনীয় কীৰ্তি 'আসাম বিলাসিনী' নামৰ পত্ৰিকাখনি। অসমীয়া ভাষাত প্ৰকাশ পোৱা প্ৰথমখন সংবাদ-পত্ৰ বুলিলে প্ৰাক্-স্বাধীনতা কালৰ 'অৰুণোদয়'ৰ কথাই প্ৰথমে মনলৈ আহে। অসমীয়া সংবাদ-পত্ৰৰ বুৰঞ্জীত এইখন পত্ৰিকাই আছিল বাটকটীয়া। আমেৰিকাৰ বেপ্টিষ্ট মিছনৰ পাদুৰিসকলে শিৱসাগৰত ছপাশাল পাতি 'অৰুণোদয়' প্ৰকাশ কৰাৰ পিছত এটা নতুন যুগৰ সূচনা হয়। সেয়া আছিল ১৭৬৮ শক (১৮৪৬ চন)।

খ্ৰীষ্টিয়ান পাদুৰিসকলে কাকতখন প্ৰকাশ কৰাৰ উপৰি খ্ৰীষ্ট ধৰ্মৰ সৰু সৰু পুস্তক প্ৰকাশ কৰি ধৰ্ম প্ৰচাৰৰ কৌশলো অৱলম্বন কৰিছিল। এহাতেদি অৰুণোদয় কাকতখনৰ জৰিয়তে এচাম অসমীয়া ন-লেখাৰু সৃষ্টি কৰিছিল যদিও অন্যহাতেদি খ্ৰীষ্ট ধৰ্ম প্ৰচাৰত আওপকীয়াভাৱে যে নামি পৰিছিল, সেই উপলব্ধি সত্ৰাধিকাৰগৰাকীৰ হৈছিল। ইংৰাজী ভাষাৰ লগত কোনো প্ৰকাৰৰ সম্পৰ্ক নথকা প্ৰাচীন সত্ৰীয় সংস্কৃতিৰ বাহক এইজনা সত্ৰাধিকাৰৰ বিচক্ষণ, দূৰদৃষ্টি আৰু জাতীয় চেতনালব্ধতাই পাদুৰিসকলৰ তেনে কাৰ্যত বাধা দিব পৰা উপায় উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিয়াৰ চেষ্টা কৰিলে।

> ইতিহাসে যিসকল অনন্য সাধাৰণ ব্যক্তিৰ নাম সহজে পাহৰি যাব নোৱাৰাকৈ সযতনে সামৰি ৰাখে, তেনে এগৰাকী অসাধাৰণ প্ৰতিভাৰ গুণী পুৰুষ আছিল আউনীআটী সত্ৰৰ একালৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী প্ৰভু। এইগৰাকী ক্ষণজন্মা সত্ৰাধিকাৰে সত্ৰখনিৰ সত্ৰাধিকাৰৰ পদ অলঙ্কৃত কৰিছিল ১৭৬০ শকৰ ব'হাগ মাহত।

ইতিমধ্যে পাদুৰিসকলৰ তেনে কৌশল নিজে প্ৰত্যেক্ষ কৰি নিজেও তেনে এটা মহৎ উদ্দেশ্য আগত ৰাখি তেখেতে কলকাতাৰ পৰা এটা ছপাযন্ত্ৰ ক্ৰয় কৰি আনি পাদুৰিসকলৰ দৰেই নিজেও সংবাদ-পত্ৰ আৰু ধৰ্মপুথি ছপোৱাৰ পৰিকল্পনা হাতত ল'লে। সেই পৰিকল্পনা অনুসৰি ১৭৯৩ শকত (১৮৭১ চন) কলকাতাৰ পৰা এটা ছপাযন্ত্ৰ ক্ৰয় কৰি আনি সত্ৰত স্থাপন কৰিলে। ছপা যন্ত্ৰটোৰ নামকৰণ কৰি নাম থ'লে 'ধৰ্ম প্ৰকাশ যন্ত্ৰ'। এই ধৰ্ম প্ৰকাশ যন্ত্ৰৰ দ্বাৰা 'অৰুণোদয়' কাকতৰ দৰেই 'আসাম বিলালিনী' নাম দি এখন সংবাদ-পত্ৰ প্ৰকাশ কৰিলে। বিধেশী লোকে প্ৰকাশ কৰা 'অৰুণোদয়'ৰ পিছত 'আসাম বিলাসিনী'য়েই দ্বিতীয়খন সংবাদ-পত্ৰ হ'লেও অসমীয়া লোকৰ দ্বাৰা প্ৰকাশ পোৱা এইখনেএ আছিল প্ৰথম সংবাদ-পত্ৰ। সেই কাৰণেই এই সংবাদ-পত্ৰখনক দত্তদেৱৰ মহনীয় কীৰ্তি বুলি কোৱা হয়।

'অৰুণোদয়'ৰ পিছতেই 'আসাম বিলাসিনী'ৰ দ্বিতীয় স্থান বুলি বুৰঞ্জীবিদ তীৰ্থনাথ শৰ্মাদেৱে উল্লেখ কৰিছিল। দত্তদেৱৰ সক্ৰিয় সহযোগ আৰু শ্ৰীধৰ ওজাৰ সম্পাদনাত আউনীআটী সত্ৰৰ পৰা প্ৰকাশ পোৱা আন এখন সংবাদ-পত্ৰ হৈছে 'আসাম তাৰা'। যিখিনি সময়ত এইগৰাকী সিদ্ধাচাৰ্যই নিজস্ব চিন্তা-চেতনাৰে সমাজৰ মঙ্গলময় পৰিৱেশ ৰচনাত প্ৰসাৰিত দৃষ্টিৰে আত্মনিয়োগ কৰি কৃষ্টি আৰু সাহিত্য সৃষ্টি কৰাৰ বাবে উঠিপৰি লগাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল, সেইখিনি সময়ত অসমৰ ভাষা-সাহিত্যৰ জগতখন মেঘাচ্ছন্ন আকাশে আৱৰি ধৰিছিল। অসমীয়া ভাষাৰ লুপ্তপ্ৰায় অৱস্থা। তেনে এটা দুৰ্যোগময় জাতীয় জীৱন যাপন কালতে লুপ্তপ্ৰায় ভাষা জননীক উদ্ধাৰৰ বাবে আৰু জাতীয় কৃষ্টি-সংস্কৃতি ধৰি ৰখাৰ মানসেৰে নিজস্ব গভীৰ অভিজ্ঞতা আৰু সুচিন্তিত বিবেচনাৰে সাহিত্য-কৰ্মত আত্মনিয়োগ কৰিছিল। ধৰ্মাধিকাৰগৰাকীৰ উদ্যোগত অসমীয়া ভাষা-সাহিত্যই গতিশীল ৰূপ লাভ কৰি মূৰ দাঙি উঠিবলৈ বল পাইছিল। জাতীয়তাবাদী চিন্তাৰে অনুপ্ৰাণিত প্ৰতিভাসম্পন্ন এইগৰাকী সত্ৰাধিকাৰে নিজা সত্ৰতে স্থাপন কৰি লোৱা 'ধৰ্ম প্ৰকাশ যন্ত্ৰ'ৰ দ্বাৰা স্ব-ধৰ্ম প্ৰকাশৰ বাবে ভালেসংখ্যক পুৰণি সাঁচিপতীয়া

যিখিনি সময়ত এইগৰাকী সিদ্ধাচাৰ্যই নিজস্ব চিন্তা-চেতনাৰে সমাজৰ মঙ্গলময় পৰিৱেশ ৰচনাত প্ৰসাৰিত দৃষ্টিৰে আত্মনিয়োগ কৰি কৃষ্টি আৰু সাহিত্য সৃষ্টি কৰাৰ বাবে উঠিপৰি লগাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল, সেইখিনি সময়ত অসমৰ ভাষা-সাহিত্যৰ জগতখন মেঘাচ্ছন্ন আকাশে আৱৰি ধৰিছিল। অসমীয়া ভাষাৰ লুপ্তপ্ৰায় অৱস্থা। তেনে এটা দুৰ্যোগময় জাতীয় জীৱন যাপন কালতে লুপ্তপ্ৰায় ভাষা জননীক উদ্ধাৰৰ বাবে আৰু জাতীয় কৃষ্টি-সংস্কৃতি ধৰি ৰখাৰ মানসেৰে নিজস্ব গভীৰ অভিজ্ঞতা আৰু সুচিন্তিত বিবেচনাৰে সাহিত্য-কৰ্মত আত্মনিয়োগ কৰিছিল।

পুথি ছপা কৰি অসমীয়া মানুহৰ মাজত বিতৰণ কৰিছিল সেইখিনি সময়ত।

সমাজ আৰু জীৱনৰ চৰম আদৰ্শৰ লগত মানুহক পৰিচয় কৰি দিয়া দত্তদেৱ গোস্বামী নিজেও এজনা সু-সাহিত্যিক, কাব্যকাৰ, নাট-গীতিকাৰ আছিল। সংস্কৃত ভাষাত তেখেত আছিল এজনা সু-পণ্ডিত। সংস্কৃত ভাষাত নিজে উৎকৃষ্ট কবিতা ৰচনা কৰিব পৰা বৈদগ্ধও আছিল অপাৰ। জাতীয়তাবোধ আৰু প্ৰগতিবাদী মনৰ ব্যক্তিগৰাকীয়ে ধৰ্মধ্বজা বহন কৰাৰ উপৰি সাহিত্য-সংস্কৃতিৰ জগতত প্ৰৱেশ কৰি অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনলৈ বহুতো অৱদান আগবঢ়াই গৈছে। তেখেতৰ ৰচনাৰ এখনি মনোৰম কাব্যগ্ৰন্থ হৈছে 'শ্ৰীকৃষ্ণ লীলামৃত'। এইখনি লঘু কাব্যগ্ৰন্থৰ উপৰি তেখেতে কেবাখনো পদপুথি ৰচনা কৰিছিল। সেইসমূহৰ ভিতৰত আছে ধ্ৰুৱ চৰিত্ৰ, দক্ষযজ্ঞ, ভাগৱতৰ বেদস্তুতি, পৰিবৰ্ধিত গোবিন্দ গুণমালা আদি। তদুপৰি তেখেতে দশাৱতাৰ স্তোত্ৰ, প্ৰণতোদ্ধাৰ স্তৱ আদি কেইটামান মনোগ্ৰাহী স্তোত্ৰ ৰচনা কৰে। 'ইতিহাস মালা' নামৰ এখন সাধুকথাৰ পুথিও লিখিছিল তেখেতে। তেখেতৰ গদ্য-সাহিত্যও আছিল এক বিশেষ ভঙ্গীবিশিষ্ট, জটিলতাবিহীন আৰু কোমল।

তদুপৰি দত্তদেৱ আছিল এজনা নাট্যকলা বিশাৰদ। তেখেতে লিখা নাটসমূহ হৈছে — কালীয় দমন, কংস বধ, জানকী হৰণ, দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, পাণ্ডৱৰ বন গমন, ভৰতাগমন, অক্ৰূৰাগমন, ভীষ্মপৰ্ব, উদ্যোগ পৰ্ব, ইন্দ্ৰজিৎ বধ, ৰাসলীলা ইত্যাদি। সত্ৰাধিকাৰ দত্তদেৱে এনেদৰে বিভিন্ন গদ্য-সাহিত্য, পদ্য-সাহিত্য, নাটক আদি ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। দত্তদেৱ সম্পৰ্কে আউনীআটী সত্ৰৰ বুৰঞ্জী প্ৰণেতা তীৰ্থনাথ শৰ্মাই অভিমত প্ৰকাশ কৰি গৈছে এনেদৰে ---- 'দত্তদেৱৰ ব্যক্তিত্বত উগ্ৰতাপূৰ্ণ তেজস্বিতা নাছিল, তেওঁ শান্ত ৰশ্মি চন্দ্ৰমাৰ তুল্য মৃদু অথচ ভক্তজনৰ আহ্লাদকাৰক। শুদ্ধ সাত্ত্বিকতাই তেওঁৰ চৰিত্ৰৰ বল। তেওঁ আছিল মৃদুভাষী আৰু পৰচিত্তবেত্তা, কাৰ্যকুশল লোক। ........ জীৱনত পুৰণিক ৰক্ষা কৰাৰ গুৰুদায়িত্ব প্ৰভুৱে যেনেকৈ পালিছিল, নতুন পোহৰক সমাদৰ কৰাৰ প্ৰয়োজনীয়তাও সেইদৰেই উপলব্ধি কৰিছিল।'

দত্তদেৱে অসমীয়া সংবাদ-পত্ৰতে মজি নাথাকি সেই সময়ৰ বাংলা সংবাদ-পত্ৰৰো নিয়মীয়া পাঠক আছিল। তেখেতে বাংলা ভাষাৰ কিতাপ অনাই নিয়মিতভাৱে অধ্যয়ন কৰি তত্ত্ব বিচাৰো কৰিছিল। বাংলা গান, যাত্ৰাদল, বাংলা কীৰ্তনৰ মধুৰ আৰু শুৱলা সুৰ-সঞ্চাৰৰ প্ৰতি কিছু দুৰ্বলতা থকাৰ ইঙ্গিতো চৰিত পুথিত পোৱা যায়। বাংলা কীৰ্তনৰ মধুৰ আৰু অলঙ্কাৰিক ৰচনাবিলাকৰ প্ৰতি তেখেতৰ চিত্তত প্ৰীতি জন্মাত অনুকৰণৰ হেঁপাহ হৈছিল যদিও নিজ মাতৃভাষাৰ প্ৰতি থাকিব লগা অনুৰাগ কোনোগুণে কমা নাছিল। নতুনক আদৰিব জনা উদাৰ হৃদয় সংবাদ আছিল তেখেতৰ এক অনুকৰণীয় গুণ।

দত্তদেৱ গোস্বামী প্ৰভুৱে ভক্তসমাজৰ বাবে সু-পৰিকল্পিতভাৱে আউনীআটী সত্ৰক সজাই-পৰাই ধৰ্ম পালনৰ লগতে সাহিত্য-কলা-সংস্কৃতিৰ সাধনৰ এক গৌৰৱময় যুগৰ সূচনা কৰি গৈছে। সৰ্বতোভদ্ৰ যুগপুৰুষগৰাকীক অসমৰ বৌদ্ধিক সমাজে যথাস্থানত বহুওৱাৰ চেষ্টা শেহতীয়াভাৱে কৰিলেও ১৮২৬ শকতে ঘটা মহাপ্ৰয়াণে সৃষ্টি কৰা শূন্যতাখিনিৰ মূল্যায়নেই হ'ব সন্মান যচাৰ পুষ্পাৰ্ঘ্যস্বৰূপ। যুগশ্ৰেষ্ঠ সত্ৰাধিকাৰগৰাকী সৎ, নীতিনিষ্ঠতা, জাতীয় সচেতনতা আৰু আদৰ্শ পুৰুষ হিচাপে সকলোৰে বাবে প্ৰেৰণাৰ অমল উৎস হৈ চিৰদিনৰ বাবে ভাস্বৰ হৈ ৰওক। আউনীআটী সত্ৰই যোৰহাটৰ টীয়ক কলীয়াপানীত শাখা সত্ৰ এখনি

সৰ্বতোভদ্ৰ যুগপুৰুষগৰাকীক অসমৰ বৌদ্ধিক সমাজে যথাস্থানত বহুওৱাৰ চেষ্টা শেহতীয়াভাৱে কৰিলেও ১৮২৬ শকতে ঘটা মহাপ্ৰয়াণে সৃষ্টি কৰা শূন্যতাখিনিৰ মূল্যায়নেই হ'ব সন্মান যচাৰ পুষ্পাৰ্ঘ্যস্বৰূপ। যুগশ্ৰেষ্ঠ সত্ৰাধিকাৰগৰাকী সৎ, নীতিনিষ্ঠতা, জাতীয় সচেতনতা আৰু আদৰ্শ পুৰুষ হিচাপে সকলোৰে বাবে প্ৰেৰণাৰ অমল উৎস হৈ চিৰদিনৰ বাবে ভাস্বৰ হৈ ৰওক।

নতুনকৈ প্ৰতিষ্ঠা কৰি সত্ৰৰ ৩৫০ বছৰীয়া ইতিহাস ৰোমন্থন কৰাৰ উদ্দেশ্য আগত ৰাখি অনুষ্ঠিত কৰা সন্ত সমাৰোহ উৎসৱ উপলক্ষে এইগৰাকী ধৰ্মাচাৰ্যক শ্ৰদ্ধাৰে সুঁৱৰিছো।❑

# आधुनिक यथार्थवादी कविताओं में सौन्दर्यशास्त्र

दिव्यज्योति डेका
अध्यापक, हिन्दी विभाग

**सौन्दर्यबोध** इस संसार के प्रत्येक मनुष्य के लिए सहजात है। मनुष्य सौन्दर्य का विश्लेषण बुद्धि से करता है और आस्वादन आत्मा से। यद्यपि सौन्दर्यबोध मनुष्य के जन्म के साथ होता है, पर शास्त्र के रूप में इसका विकास नवीन विचारों के फलस्वरूप है। पाश्चात्य के 'एस्थेटिक्स' शब्द को हमारे यहाँ सौन्दर्यशास्त्र कहा जाता है। एस्थेटिक्स (Aesthesis) शब्द के कई अर्थ निकाले गए।

1. सर्वप्रथम पाश्चात्य विद्वान बाउमगार्तेन ने इसका प्रयोग ऐन्द्रियबोध के शास्त्र के अर्थ में किया।
2. हीगेल ने इसका प्रयोग ललित कलाओं के दर्शन के अर्थ में किया।
3. तदनन्तर, इसका सामान्य प्रयोग सौन्दर्य अर्थात् काव्य का सौन्दर्य अथवा प्रकृति का सौन्दर्य के विश्लेषणात्मक निरूपण के अर्थ में होने लगा।
4. और, अब इसका प्रयोग ललित कलाओं के तत्वों का सैद्धांतिक निरूपण और उसके आधार पर कलाकृतियों के मूल्यांकन में होने लगा है।

इस प्रकार निर्णय यह निकलता है कि 'एस्थेटिक्स' शब्द का अर्थ है ऐन्द्रिय प्रत्यक्ष ज्ञान के माध्यम की दृष्टि से किया गया अध्यन। "किन्तु, बाद में 'एस्थेटिक्स' उस शास्त्र को कहा जाने लगा, जो ऐन्द्रियबोध से प्राप्त सौन्दर्य - भावन के मनोमय आनंद का विश्लेषण करता है।"[1] अतः पाश्चात्य विद्वानों के अनुसार सौन्दर्य शास्त्र एक ऐसा शास्त्र है जहाँ चक्षु और श्रवन इन्द्रियों से प्रत्यक्ष आह्लाद का विश्लेषण होता है। प्रसाद जी भी अपने निबंध 'काव्य और कला' में इसी बात की पुष्टि करते हैं। वे कहते हैं - "ग्रीस द्वारा प्रचलित पश्चिमी सौन्दर्यानुभूति बाह्य को, मूर्त को, विशेषता देकर उसकी सीमा में ही उसे पूर्ण बनाने की चेष्टा करती है।"[2]

हमारे भारतवर्ष में सौन्दर्यशास्त्र के नाम से कोई अलग- सा ग्रंथ नहीं मिलता है। यहाँ सौन्दर्य तत्वों की चर्चा काव्यशास्त्र के माध्यम से काव्य संस्कार के लिए की जाती थी। इसका कारण यह है कि पाश्चात्य दोशों में बाह्य सौन्दर्य के प्रतीक ललित कलाओं को जिस रूप में जितना प्राधान्य दिया जाता था यहाँ उस रूप में नहीं दिया गया। काव्य के लिए काव्याशास्त्र बनाये गये, कारण काव्य को विद्या तथा ज्ञान का बाधन माना जाता था। काव्य-मीमांसा से पता चलता है कि भारत के दो प्राचीन महानगरों में दो तरह की परीक्षाएँ अलग-अलग थी। काव्यकार की परीक्षा उज्जयिनी में और शास्त्रकार परीक्षा पाटलिपुत्र में होती थी। इस तरह काव्य से जुड़ा हुआ सौन्दर्य या सौन्दर्य का शास्त्र भी ज्ञान तथा विद्या का ही अंश बन जाता है। ललित कलाओं को तो यहाँ सिर्फ मनोरंजन का साधन ही माना जाता था। पर जो भी हो, अप्रत्यक्ष रूप में ही सही, भारत में भी सौन्दर्यशास्त्र का सैद्धंतिक प्रयोग काव्य में काव्यशास्त्र के द्वारा किया गया। रीतिकाल में इसका सुन्दर निदर्शन मिलता है। भारतीय सौन्दर्यशास्त्र का प्रयोग ज्यादातर काव्यों में हुआ है। काव्यशास्त्र में रस सिद्धांत, ध्वनि सिद्धांत और औचित्य सिद्धांत सौन्दर्य के लिए निर्दिष्ट माने जाते हैं। तो हम देखते हैं कि जहाँ पाश्चात्य देशों में सभी ललित कलाओं को सौन्दर्यशास्त्र के अंतर्गत रखा गया, वही भारत में सिर्फ काव्य में ज्ञान को मुख्य तत्व मान कर सौन्दर्य

को एक ज्ञान अथवा चारुत्व के ज्ञान के रूप में रखा गया।

